# Assam Legislative Assembly Debates

*OFFICIAL REPORT*

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**VOL-I**

**No-22**

**The 25th April, 1988**

**Price : Rs. 23·20**

## CONTENTS

Budget Session

Volume – I No. 22

Dated, the April 25, 1988


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Voting on demands for grants | 57 |
| 3. | Adjournment | 118 |
| 4. | Annexure—I | 119 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

Monday, the 25th April, 1988

The House met at 9.00 A.M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given )

বিষয় ঃ তিনিচুকীয়া মহকুমাত চৰকাৰী মাটি ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

*৩৮১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিনিচুকীয়া মহকুমাত কিমান চৰকাৰী মাটি বেদখলত আছে ?

(খ) কিমান মাটি বৰ্ত্তমান বেদখল মুক্ত কৰা হ'ল ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) তিনিচুকীয়া মহকুমাত মুঠ ২,৯৩,৪৯৭ বিঘা চৰকাৰী মাটি বেদখল হৈ আছে ।

(খ) বেদখল কৰি থকা মুঠ মাটিৰ ভিতৰত বৰ্ত্তমানলৈ ১৭১১ বিঘা মাটি বেদখল মুক্ত কৰা হৈছে। বেদখলী মাটিৰ বেদখলকাৰীক উচ্ছেদ কৰাৰ কাৰণে অসম ভূমি আৰু ৰাজহ অধিনিয়মৰ বিধিমতে মহকুমাধিপতিয়ে ব্যৱস্থা লৈ আছে ।

( ৰাজহ মন্ত্ৰী অনুপস্থিত )

অধ্যক্ষ : এইটো প্ৰশ্ন পিচত হব। এতিয়া প্ৰশ্ন নং ৩৮২

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : এতিয়ালৈকে কিমানটা উচ্ছেদৰ গোচৰ মীমাংসা নোহোৱাকৈ মহকুমাধিপতিৰ কাৰ্য্যালয়ত পৰি আছে ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) : ৫১৮টা বেদখল উচ্ছেদ কৰা কেচ ৰুজু কৰা হৈছে। ১১ টা কেচ নিষ্পত্তি কৰা হৈছে ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : শ্ৰীকৃষ্ণ চাহ বাগিচাই কিমান চৰকাৰী মাটি

ৰেদখল কৰি আছে ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ): এই সম্পৰ্কত বেলেগ প্ৰশ্ন লাগিব ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ: চৰকাৰী মাটিৰ ভিতৰত এই কেচটো মহকুমাধিপতিৰ কাৰ্য্যালয়ত পৰি আছে । সেই কাৰণে তথ্য থাকিব লাগিব ।

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ): এই সম্পৰ্কত বিতং তথ্য ইয়াত পোৱা নাই ।

বিষয়ঃ দেৰগাওঁ নগৰৰ খোৱা পানী যোগানৰ ব্যৱস্থা

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে:

*৩৮২। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) দেৰগাওঁ নগৰত পানীযোগানৰ বাবে আঁচনি তৈয়াৰ কৰা হৈছে নেকি ?

(খ) যদি হৈছে, উক্ত আঁচনিত এই বছৰ কিমান টকা ধাৰ্য্য কৰা হৈছে ?

(গ) যদি ধন ধাৰ্য্য কৰা নাই, এই চলিত বছৰতেই ধন ধাৰ্য্য কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচহিদুল আলম চৌধুৰী ( পৌৰ প্ৰশাসন মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) হৈছে ।

(খ) কৰা নাই ।

(গ) চৰকাৰে বিবেচনা কৰিব ।

শ্ৰীদেৱেশ্বৰ বৰা: ক'ৰ উত্তৰত কৈছে, হৈছে। কিমান টকাৰ আঁচনিৰ জড়িয়তে কৰা হৈছে ।

শ্ৰীশহীদুল আলম চৌধুৰী ( মন্ত্ৰী ): কিমান টকাৰ আঁচনি সেইটো নাই ।

Starred Question 383 was not called for. However, written replies deemed to have been laid on the table as follows:

বিষয়ঃ লক্ষীমন্দিৰ প্ৰতিষ্ঠা ।

শ্ৰীপ্ৰফুল্ল গোস্বামী সুধিছে:

*৩৮৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) যোৱা ১০।৩।৮৮ তাৰিখে ঢেকীয়াজুলি মৌজাৰ পানবাৰী গাওঁত চৰকাৰী পতিত মাটিত অৰুণাচল প্ৰদেশৰ লোকে দলে বলে আহি লক্ষ্মী

মন্দিৰ প্ৰতিষ্ঠা কৰাৰ কথা চৰকাৰে জানেনে ?

(খ) ঢেকীয়াজুলী আৰু বৰচলা সমষ্টিত কেইবা ঠাইতো এনে ধৰণৰ আধাৰশিলা স্থাপন কৰাৰ বাবে চৰকাৰে কিবা অনুমতি প্ৰদান কৰিছেনে কি ?

(গ) যদি অনুমতি প্ৰদান কৰা নাই তেন্তে ইয়াৰ তৎকালীন বিহীত বিকল্প ব্যৱস্থা লবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

যাৱতীয় তথ্য-পাতি বিচাৰি শোণিতপুৰ জিলাৰ উপায়ুক্তলৈ লিখা হৈছিল। সোঁৱৰণী চিঠিও দিয়া হৈছিল কিন্তু এতিয়ালৈকে কোনো ধৰণৰ তথ্য পোৱা হোৱা নাই। আৱশ্যকীয় তথ্য পোৱাৰ পিছতো উত্তৰ দিয়াটো সম্ভৱ হ'ব।

বিষয় : হেলিপেড্ নিৰ্মাণ।

শ্ৰীগনেশ কুটুমে সুধিছে :

*৩৮৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে :

(ক) শোণিতপুৰ জিলাৰ হেলেম ৰাজহ চক্ৰৰ অন্তৰ্গত গহপুৰ মৌজাৰ নয়াঘগৰা চাহ বাগিছাৰ চৌহদত ৰায়তৰ নামত আৱন্টন হোৱা ঠাই এটুকুৰাৰ ওপৰত চাহ বাগিছাৰ মালিকে হেলিপেড্ নিৰ্মাণ কৰা বিষয়টো চৰকাৰৰ অৱগত নে ?

(খ) যদি অৱগত হেলিপেড্টো ৰাজ্য চৰকাৰে নিজৰ হাতলৈ অনাৰ ব্যৱস্থা কৰিছেনে কি ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়। শোণিতপুৰ জিলাৰ হেলেম ৰাজহ চক্ৰৰ অন্তৰ্গত গহপুৰ মৌজাৰ নয়াঘগৰা চাহ বাগিছাৰ নামত থকা তেত্ৰিশ বিঘা দুই কঠা তিনি লেচা মাটিৰ চাহ বাগিছাৰ মালিকৰ সহযোগত ১৯৮৭ চনত শোণিতপুৰ জিলাৰ উপায়ুক্তই ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে অৱতৰণ কৰি বান বিধস্ত অঞ্চল পৰিদৰ্শন কৰিবৰ বাবে এটি হেলিপেড খৰখেদাকৈ তৈয়াৰ কৰিছিল। বাগানৰ এই মাটি কোনো ৰায়তে আৱন্টন পোৱা নাছিল। কিন্তু এই মাটি ডোখৰ ১৬ জন নথিভুক্ত ৰায়তৰ নামত আছিল যদিও কোনো ৰায়ত দখলত নাছিল।

(খ) এই হেলিপেডটো ৰাজ্য চৰকাৰে নিজৰ হাতলৈ অনাৰ এতিয়াও কোনো ব্যৱস্থা লোৱা নাই। এই বিষয়ে বিবেচনা চলি আছে।

শ্ৰীগণেশ কুটুম : প্ৰধানমন্ত্ৰী শ্ৰীৰাজীৱ গান্ধী বাস্তৱত নাহিল যদিও খৰ-

খেদাকৈ এই হেলিপেদখন প্ৰায় লাখ টকা খৰছ কৰি বনোৱা হৈছিল। ব্যক্তিগত চাহ বাগিচাই দখল কৰা এইডোখৰ মাটি প্ৰকৃতাৰ্থত কাৰো দখলত নাছিল। কেইগৰাকীমান লোকক ৰায়তী পট্টা দিয়া হৈছিল। যিহেতু ইয়াত চৰকাৰী টকা খৰচ কৰা হৈছে আৰু ই হেলিপেড বনাবৰ কাৰণে উপযুক্ত ঠাই বুলি বিবেচনা কৰা হৈছে আৰু অৰুণাচল প্ৰদেশ আৰু উত্তৰ পূৱ সীমান্ত অঞ্চলৰ ফালৰ পৰা এই আঁচনি বাস্তৱত ৰূপায়িত কৰা হৈছে, মন্ত্ৰী মহোদয়ে নিজেও চাই আহিছে, সেয়ে খৰখেদাকৈ বনাবৰ ব্যৱস্থা কৰিবনে? বিবেচনা শব্দটো দিপ্লমেটিক।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী): এই সম্পৰ্কত উপায়ুক্তলৈ লিখা হৈছে।

Starred Question 385 was not called for. However written replies deemed to have been laid on the table as follows:

বিষয়ঃ বিলাসীপাৰা পৌৰ সভাৰ extension কৰাৰ প্ৰস্তাৱ

*৩৮৫। শ্ৰীইউছুফ আলী আহমেদে সুধিছে:

মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ধুবুৰী জিলাৰ অন্তৰ্গত বিলাসীপাৰা পৌৰ সভাৰ তদৰ্থ কমিটিয়ে পৌৰ সভা Extension কৰাৰ প্ৰস্তাব দিয়া চৰকাৰে জানেনে?

(খ) যদি প্ৰস্তাব দিব পাৰে তেনেহলে বিলাসীপাৰা পৌৰ সভাত কোন কোন অঞ্চল অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাব চৰকাৰৰ ওচৰত দিছে?

(গ) Extension প্ৰস্তাৱ দিওতে পৌৰ সভাৰ সংলগ্ন কিছু সংখ্যালঘু অধ্যুষিত অঞ্চল বাদ দিয়া কথাটো সঁচানে?

(ঘ) যদি সঁচা তেনেহলে সেই অঞ্চলবোৰ কিয় লোৱা নহল আৰু অন্তৰ্ভুক্ত কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লবনে?

শ্ৰীচহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ধুবুৰী জিলাৰ উপায়ুক্তৰ জৰিয়তে প্ৰস্তাব দিছে।

(খ) নগৰ সমিতি এলেকাৰ সংলগ্ন গোপীগাওঁ ৪ৰ্থ খন্দ, হাকামা ৪ৰ্থ খণ্ড, বামুনপাৰা ২, ৩ আৰু ৫ম খন্দ।

গ) সংখ্যালঘু অধ্যুষিত অঞ্চল হিচাবে ৰাজহ গাওঁৰ বিবৰণীত কোনো

উল্লেখ নাথাকে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ প্ৰশাসনৰ বিকেন্দ্ৰীকৰণ।

*৩৮৬। শ্ৰীৰবীন শইকীয়াই, সুধিছে ঃ

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে বৰ্ত্তমান গ্ৰহণ কৰা পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণৰ আঁচনি অনুসৰি প্ৰশাসনৰ বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা হাতত লৈছেনে ?

(খ) এই সন্দৰ্ভত অসমত নতুনকৈ ৰাজহ চক্ৰ স্থাপন কৰাৰ কথা বিবেচনা কৰা হৈছে নেকি ?

(গ) যদি বিবেচনা কৰা হৈছে, তেন্তে প্ৰশাসনৰ সুবিধাৰ্থে শোণিতপুৰ জিলাৰ তেজপুৰ মহকুমাৰ মুঢ়াদল, ছিলাৰন্ধা আৰু বৰভগীয়া মৌজাৰ এই বিস্তৃত অঞ্চল কেইটাক লৈ এটা ৰাজহ চক্ৰ স্থাপন কৰাৰ বাবে ১৯৮৮-৮৯ বিত্তীয় বছৰটোত প্ৰয়োজনীয় ধন মঞ্জুৰ কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰশাসনৰ সুবিধাৰ্থে পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে।

(খ) এই সন্দৰ্ভত অসমত নতুনকৈ ৰাজহ চক্ৰ স্থাপন কৰাৰ কথা চৰকাৰে বিবেচনা কৰি আছে। ইং ১৯৮৪-৮৫ চনলৈ অসমত মুঠ ৰাজহ চক্ৰ ১১১ টা আছিল। তাৰপাচত ১৯৮৫-৮৬ চনত ৫টা, ১৯৮৬-৮৭ চনত ৪টা, আৰু ১৯৮৭-৮৮ চনত ৩ টা ৰাজহ চক্ৰ নতুনকৈ স্থাপন কৰা হয়, আৰু এই নতুনকৈ স্থাপন কৰা ৰাজহ চক্ৰক ধৰি বৰ্ত্তমান অসমত মুঠ ৰাজহ চক্ৰৰ সংখ্যা ১২৩ টা হৈছেগৈ।

(গ) শোণিতপুৰ জিলাৰ তেজপুৰ মহকুমাৰ অন্তৰ্গত মুঢ়াদল, চিলাবন্ধা আৰু বৰভোগীয়া মৌজাক লৈ নতুন চক্ৰ গঠনৰ কোনো প্ৰস্তাব চৰকাৰে পোৱা নাই।

শ্ৰীগণেশ কুটুম ঃ অধ্যক্ষ মহোদয়, তাত এতিয়া দুজন এচ-ডি-চি আছে আৰু বৰভগীলা ছিলাবন্ধা মুঢ়াদলৰ ৰাইজে যোৱা ২৯ মাৰ্চ তাৰিখে মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত এটা ৰেভিনিউ চাৰ্কোল গঠনৰ কাৰণে স্মাৰক পত্ৰ দিছিল।

এতিয়া যিহেতু দুগৰাকী এচ-ডি-চি আছে, এই তিনিখন মৌজা সামৰি নতুন ৰেভিনিউ চাৰ্কোল নীতিগত ভাবে গঠন কৰিব পৰা যায় নেকি তাৰ ব্যৱস্থা আৰম্ভ কৰিব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাইজৰ ফালৰ পৰা স্মাৰক পত্ৰ এখন পোৱা হৈছিল কিন্তু স্মাৰক পত্ৰখনত দাবী কৰিছে যিটো সেইটো উপায়ুক্তৰ পৰা তথ্য পাতি পোৱাৰ পিচতহে চাব পৰা হব, সেই অনুক্ৰমে উপায়ুক্তৰ পৰা তথ্যপাতি বিচৰা হৈছে, তেতিয়া প্ৰস্তাৱ গ্ৰহণ কৰিব পৰা হয় নে নহয় চাব পৰা হব ।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৮৭-৮৮ চনত ৩টা ৰাজহ চক্ৰ নতুনকৈ স্থাপন কৰা হয়। কিন্তু দৈয়াঙত ৰাজহ চক্ৰ দিয়াৰ কাৰণে ব্যৱস্থা কৰিছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

শ্ৰীথানেশ্বৰ বড়ো, ৰাজহ মন্ত্ৰী : অধ্যক্ষ মহোদয়, দৈয়াঙত ৰাজহ চক্ৰ স্থাপনৰ সম্পৰ্কত উপায়ুক্তৰ পৰা প্ৰস্তাৱ পোৱা হোৱা নাই । অৱশ্যে স্মাৰক পত্ৰ পোৱা হৈছে দাবীও পোৱা হৈছে । এইটো বিবেচনা কৰা হব ।

**বিষয় : দশম অধ্যায়ৰ ভূমিনীতি ।**

শ্ৰীগণেশ বড়ো, য়ে সুধিছে :

*৩৮৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ট্ৰাইবেল বেল্ট আৰু ব্লকৰ দশম অধ্যায়ত থকা ভূমি নীতি প্ৰকৃত অৰ্থত কাৰ্য্যকৰী কৰা হব নে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম ভূমি আৰু ৰাজহ অধিনিয়মৰ ১০ম অধ্যায়ত থকা ভূমিনীতি প্ৰকৃত অৰ্থতে কাৰ্য্যকৰী কৰা হৈ আছে । এই কাম সুচাৰুৰূপে কৰাৰ অৰ্থে জনজাতীয় বেল্ট আৰু ব্লক থকা জিলা সমূহত ৯ জন অতিৰিক্ত উপায়ুক্ত আৰু ১৯ জন উপ-প্ৰতি সমাহৰ্ত্তা নিয়োগ কৰাৰ ব্যৱস্থাও চৰকাৰে কৰিছে । তাৰোপৰি জনজাতীয় বেল্ট আৰু ব্লক বোৰ সুচাৰুৰূপে চলাবলৈ অসম চৰকাৰে ৰাজহ বিভাগত এটি ট্ৰাইবেল চেল খোলাৰ বাবে যাবতীয় ব্যৱস্থা লৈ আছে ।

শ্ৰীগণেশ বড়ো : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে হয় কিন্তু প্ৰকৃততে দেখা গৈছে ট্ৰাইবেল বেল্ট আৰু ব্লক বিলাক আগতে ট্ৰাইবেলৰ

কাৰণে প্ৰটেকটেড্ এৰিয়া আছিল যদিও এতিয়া সকলোৰে কাৰণে প্ৰটেকটেড্ এৰিয়া যেন হে লাগিছে। বিশেষকৈ যোৱা দুবছৰৰ ভিতৰত ইমান বিলাক আনওৱাণ্টেড মানুহ সোমাইছে যে এই এৰিয়া বিলাক কাৰ কাৰণে প্ৰটেকটেড বুজিব পৰা নাই। এইটো মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰি বাধা দিয়াৰ ব্যৱস্থা কৰিবনে আৰু ট্ৰাইবেল ব্লক আৰু বেল্ট বিলাক কেৱল জনজাতীয়ৰ কাৰণে প্ৰটেকটেড নে সকলোৰে কাৰণে প্ৰটেকটেড সেইটো জনাব লাগে।

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই কথাটো হৈছে এনেধৰণৰ: ট্ৰাইবেল বেল্ট আৰু ব্লক বিলাক স্থাপন কৰাৰ আগতে কিছুমান অনা ট্ৰাইবেল মানুহ আছিল। সেই বিলাক প্ৰটেকটেড কিন্তু পিচত অহা বিলাক প্ৰটেকটেড নহয়। বৰ্ত্তমান বহুত ঠাইত জনজাতীয় লোকে বেনামী ভাবে ভূমি হস্তান্তৰ কৰি সেই ঠাইৰ পৰা আঁতৰি যোৱাৰ ফলত অনা ট্ৰাইবেল লোক অন্য ঠাইৰ পৰা বহুসংখ্যক লোক সোমাইছে। অৱশ্যে তেওঁবিলাকক উচ্ছেদ কৰি জনজাতীয় লোকক পুনৰ সংস্থাপন দিয়াৰ কথা চৰকাৰে চিন্তা কৰি আছে।

শ্ৰীগণেশ বড়ো: অধ্যক্ষ মহোদয়, যি বিলাক লোকে অফিচৰ ৰেকৰ্ড পাতি নোহোৱাকৈ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটি বেনামী ভাবে বেদখল কৰিলে সেই সকলৰ ক্ষেত্ৰত কি ধৰণৰ ব্যৱস্থা কৰা হব সেইটো মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহমন্ত্ৰী): অধ্যক্ষ মহোদয়, এই সম্পৰ্কত পৰীক্ষা-নিৰীক্ষা কৰি বিহিত ব্যৱস্থা লবলৈ চৰকাৰে ৰাজহ বিভাগত ট্ৰাইবেল চেল এটা খোলাৰ কথা চিন্তা কৰি আছে।

শ্ৰীঅমৃতলাল বসুমতাৰী: অধ্যক্ষ মহোদয়, আচলতে সেই ধৰণে ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটি মুক্ত কৰিব পৰা নাযাব আৰু যদি নাযায় বেলেগ উপায় কিবা চিন্তা কৰিব নেকি?

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহমন্ত্ৰী): অধ্যক্ষ মহোদয়, প্ৰশ্নটো মই বুজা নাই।

শ্ৰীঅমৃতলাল বসুমতাৰী: অধ্যক্ষ মহোদয়, প্ৰশ্নটো হ'ল: ইমান দিনে যি মান বিলাক বেদখলকাৰী সোমাইছে সেই বিলাকক উচ্ছেদ কৰিব নেকি মই জানো নোৱাৰে। তেনে ক্ষেত্ৰত মিছা প্ৰতিশ্ৰুতি দিব নালাগে। যদি নোৱাৰেই আগৰ কংগ্ৰেছ আইৰ দিনত ৰাজবংশী লোকৰ এচামক প্ৰটেকটেড

ক্লাচ কৰিছিল ছুভাগ কৰি। কিন্তু এতিয়া জাতি বৰ্ণ নিৰ্বিশেষে প্ৰটেকটেড কৰাৰ কাৰণে জনজাতীয় সকলৰ কাৰণে ব্যৱস্থা লব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আগৰ চৰকাৰে এটা চেকচনক প্ৰটেকটেড ক্লাচ কৰিছিল বুলি কৈছে এইটো আংশিক ভাবে সঁচা। অবিভক্ত গোৱালপাৰা জিলাৰ ক্ষেত্ৰত তেনে ব্যৱস্থা কৰিছিল কোচ ৰাজবংশী লোকসকলৰ কাৰণে। আমি মাননীয় সদস্য গৰাকীৰ প্ৰস্তাবটো পৰীক্ষা কৰি চাব পাৰিম। আমিও এইটো নাভাবো যে সকলো মানুহকে প্ৰটেকচন দিব লাগিব কিন্তু যি সকলে আইন বহিৰ্ভূত কাম কৰিছে, বেআইনী ভাবে কাম কৰিছে, সেই সকলক ৰক্ষণাবেক্ষণ দিব নোৱাৰি।

শ্ৰীগণেশ কুটুম : অধ্যক্ষ মহোদয়, বৰ্ত্তমান যিটো ব্যৱস্থা আছে সেই মতে ট্ৰাইবেলৰ মাটি অনা ট্ৰাইবেলে কিনিব নোৱাৰে কিন্তু এনেকুৱা ব্যৱস্থা নাই যে ট্ৰাইবেলে অনাট্ৰাইবেলক মাটি বিকিব নোৱাৰে বা কৰিলে পেনাল্টি হব। মাটি বেচাৰ পৰা বন্ধ কৰাতো নতুন চৰকাৰে কৰিব নেকি। এই বিষয়ত প্ৰয়োজনীয় আইনৰ সংশোধনী কৰি লোৱাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, অৱশ্যে চৰকাৰে এটা প্ৰস্তাৱ লৈছিল কিন্তু সেইটো খাতাং হোৱা নাই। জনজাতীয় সকলে অজনজাতীয় সকলৰ ওচৰত বেআইনী ভাবে ভূমি হস্তান্তৰ কৰি আছে। অজনজাতীয় সকলে কিনিলে পট্টন দিয়াৰ ব্যৱস্থা আছে। কিন্তু জনজাতীয় সকলে বিক্ৰী কৰাৰ পৰা বিৰত কৰিব পৰা হোৱা নাই। সেই কাৰণে এনেকুৱা এটা চিন্তা চৰকাৰে কৰি আছে যে এই বেআইনী হস্তান্তৰৰ ক্ষেত্ৰত এক হাজাৰ টকা জৰিমনা বা ছয় মাহৰ জেল দিয়াৰ ব্যৱস্থা কৰিব পাৰি নেকি চিন্তা কৰা হৈছে।

Shri A. Golam Osmani : I would like to draw attention of the Hon'ble Revenue Minister to the state of affairs that has been brought to surface by Hon'ble Member, Shri Amritlal Basumatary, Is the Hon'ble Minister aware of the practicability or impracticability of such proposition ? Our predecessor who ruled the State for 30 years observed that Chapter 10 more in breach. The nature of the tribal blocks and belts have undergone many

chonges during the last 40 years when the non tribals were allowed by the Government to live in the belt. Some penal process should be evolved so that the transfer of land is banned. What the Government will do about the cases registered upto 1967. Large number of people have got settled there ostensibly on a prima facie title. Many tribal people have gone a way to such places where there is no tribal belt. Looking into the reality of the situation now obtained, will the Government be realistic enough to make a policy so that it can become productive ? Otherwise. they will face the same consequences as was faced by the earlier Ministry.

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটা প্ৰশ্ন কৰিছে যে 'ডকোমেণ্ট' ৰেজিষ্টাৰ হলেই যে মাটি 'চেটোলমেণ্ট' হব সেইটো নহয়। লেণ্ড ডকোমেন্সত সেইটো হব নোৱাৰে, কোনো ডিমাণ্ড নাই। এটা কথা কৈছে যে লেণ্ড পলিচিত লব নেকি ? এই সম্পৰ্কে চৰকাৰৰ বিবেচনা হৈ আছে. মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কৈছিলো যে নতুন ভূমি নীতিৰ কাৰণে ব্যৱস্থা লোৱাই আছে। এই বছৰত এই ভূমি নীতি ঘোষণা কৰা হব। সেই সয়মত তেখেতৰ সমস্যাটো বিবেচনা কৰা হব।

বিষয় ঃ চাহ বাগিছাৰ চিলিঙৰ মাটি।

শ্ৰীকুম্বুম্বৰ টাইৰাই ( গগৈ ), সুধিছে :

*৩৮৮. মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চাহ বাগিছা সমূহৰ চিলিং আইনৰ অধীনত চৰকাৰে অধিগ্ৰহণ কৰা অতিৰিক্ত মাটিবোৰ বাগিছাৰ কৰ্তৃপক্ষই পুনৰ দখল কৰাটো সঁচানে ?

(খ) উক্ত আইনৰ অধিনত অধিগ্ৰহণ কৰা মাটি ভূমিহীন লোকক আৱণ্টন দিয়াৰ আৰু মাটিৰ পট্টন দিয়াৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) উপায়ুক্ত। মহকুমাধিপতি সকলৰ পৰা আৱশ্যকীয় তথ্য বিচৰা

হৈছে আৰু তথ্যসমূহ পোৱা হোৱা নাই।

Re : Hailakandi Sub-Division.

Sri Digendra Purkayastha asked :

*389. Will the Chief Minister be pleased to state :

(a) Whether there is any proposal for converting the Hailakandi Sub-division into a District ?

(b) If so, whether any area of Silchar Civil Sub-Division will be tagged with the proposed Hailakandi District.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আছে।

(খ) চৰকাৰে তেনে কোনো সিদ্ধান্ত এতিয়ালৈকে লোৱা নাই।

Shri Digendra Purkayastha : Will the Hon'ble Chief Minister give an assurance that no areas from Dholai Constituency be tagged with the Hailakandi District ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এতিয়াই এইটো কব পৰা নেযাব।

বিষয় : অসম বিত্তীয় নিগমৰ ঋণ মঞ্জুৰী

শ্ৰীফণী ভূষণ চৌধুৰী য়ে সুধিছে :

*৩৯০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম বিত্তীয় নিগমৰ ৰঙাইগাওঁ শাখাই যোৱা ডিচেম্বৰ মাহত ২০ জন ব্যক্তিক ঋণ মঞ্জুৰ কৰা কথাটো সঁচানে ?

(খ) যদি সঁচা হয় কোন ঠাইৰ কিমানজন আৰু তেওঁলোকৰ নাম কি কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) সঁচা।

(খ) ঋণ মঞ্জুৰ কৰা ব্যক্তি সকলৰ নাম ও ঠিকনা সদনত দাখিল কৰা হ'ল।

শ্ৰীফণী ভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মাহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহো-

দয়ে৽ ক'ৰ প্ৰশ্নৰ উত্তৰত সঁচা বুলি কৈছে। কিন্তু আচলতে যিসকল ব্যক্তিয়ে ঋণ পাইছে সেই সকলৰ সৰহ সংখ্যকেই সন্দেহযুক্ত বিদেশী নাগৰিক নেকি? এই সম্পৰ্কে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, ভালকৈ তদন্ত কৰিবনে? আৰু যদি সঁচা হয় তেনেহলে সেইসকলৰ ওপৰত বিহিত ব্যৱস্থা লবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কোনোবা যদি বিদেশী নাগৰিক আছে তেনেহলে তাৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হব।

ঋণ মঞ্জুৰ কৰা ব্যক্তি সকলৰ নামৰ তালিকা

| ক্ৰমিক নং | নাম | ঠিকনা | জিলা |
|---|---|---|---|
| (১) | শ্ৰীকৃষ্ণ নন্দ ব্ৰহ্ম | কাজিগাওঁ | ধুবুৰী |
| (২) | শ্ৰীজামালউদ্দিন | মানকাছাৰ | ধুবুৰী |
| (৩) | শ্ৰীকমল প্ৰসাদ | মানকাছাৰ | ধুবুৰী |
| (৪) | শ্ৰীহাছিমুৰ ৰহমান | মানকাছাৰ | ধুবুৰী |
| (৫) | শ্ৰীবিজয় কুমাৰ সিংহি | বিলাসীপাৰা | ধুবুৰী |
| (৬) | শ্ৰীতপস কুমাৰ কৰ্মকাৰ | মানকাছাৰ | ধুবুৰী |
| (৭) | শ্ৰীআব্দুল হান্নান | দিয়াৰা বজাৰ | ধুবুৰী |
| (৮) | শ্ৰীফৰহাহুল হক | মানকাছাৰ | ধুবুৰী |
| (৯) | শ্ৰীঠুকাই চন্দ্ৰ মজুমদাৰ | মানকাছাৰ | ধুবুৰী |
| (১০) | শ্ৰীমতিলাল পাউল | ধুবুৰী | ধুবুৰী |
| (১১) | শ্ৰীআছৰাফ আলি | মানকাছাৰ | ধুবুৰী |
| (১২) | শ্ৰীচঞ্চল পাউল | মানকাছাৰ | ধুবুৰী |
| (১৩) | শ্ৰীঅশোক কুমাৰ জটীয়া | মানকাছাৰ | ধুবুৰী |
| (১৪) | শ্ৰীমনোৰঞ্জন পাউল | মানকাছাৰ | ধুবুৰী |
| (১৫) | শ্ৰীস্বপন কুমাৰ পাউল | মানকাছাৰ | ধুবুৰী |
| (১৬) | শ্ৰীস্বপন কুমাৰ কানু | গৌৰীপুৰ | ধুবুৰী |
| (১৭) | শ্ৰীৰামসেৱক শৰ্মা | উত্তৰ বঙাইগাওঁ | গোৱালপাৰা |
| (১৮) | শ্ৰীউৎপল কুমাৰ ৰয় | গোৱালপাৰা | গোৱালপাৰা |
| (১৯) | শ্ৰীমণ্টু কুমাৰ চৌধুৰী | মুলাগাওঁ | গোৱালপাৰা |
| (২০) | শ্ৰীলালমোহন চৰকাৰ | অভয়াপুৰী | গোৱালপাৰা |

| | | | |
|---|---|---|---|
| (২১) | শ্ৰীমতী মিনা দাস | অভয়াপুৰী | গোৱালপাৰা |
| (২২) | শ্ৰীইন্দ্ৰচান্দ জৈন | গোসাইগাওঁ | কোকৰাঝাৰ |
| (২৩) | শ্ৰীঅশোক কুমাৰ দাস | কোকৰাঝাৰ | কোকৰাঝাৰ |
| (২৪) | শ্ৰীমতী প্ৰভাৱতী দাস | বিজনী | কোকৰাঝাৰ |
| (২৫) | শ্ৰীউৎপল ভৌমিক | কোকৰাঝাৰ | কোকৰাঝাৰ |
| (২৬) | শ্ৰীমতী চেন্নু বসুমতাৰী | গেৰুকাবাৰী | কোকৰাঝাৰ |
| (২৭) | শ্ৰীমংগল সিংহ বসুমতাৰী | ধালিগাওঁ | কোকৰাঝাৰ |

Starred question **391** was not called for. However, written replies deemed to have been laid on the Table as follows :

বিষয় ঃ ধুমুহাত ক্ষতিৰ পৰিমাণ

কুমাৰ দীপক দাসে সুধিছে ঃ

*৩৯১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৫ চনত ধুমুহাত বৰপেটা জিলাত ক্ষয় ক্ষতিৰ পৰিমাণ কিমান ?

(খ) বৰপেটা সমষ্টিত ইয়াৰ ক্ষতিৰ পৰিমাণ কিমান ?

(গ) ধুমুহাত হোৱা ক্ষতিগ্ৰস্ত অঞ্চল সমূহত কিবা ক্ষতি পূৰণ দিয়া হৈছে নেকি ?

(ঙ) যদি হৈছে, ইয়াৰ পৰিমাণ আৰু ক'ত ক'ত দিয়া হৈছে জনাবনে ?

(ঙ) ইয়াৰ বিতৰণ কেতিয়া হৈছে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ, সাহাৰ্য্য আৰু পুনৰ সংস্থাপন মন্ত্ৰী ) য়ে উত্তৰ দিছে

(ক), (খ), (গ), (ঘ) আৰু (ঙ) ঃ এই সম্পৰ্কে তথ্য পাতি বিচৰা হৈছে যদিও এতিয়ালৈকে পোৱা হোৱা নাই ।

বিষয় ঃ তিনিচুকীয়া বজাৰ

শ্ৰীভবেন বৰুৱাই সুধিছে ঃ

*৩৯২। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২৫।২।৮৮ তাৰিখে তিনিচুকীয়া ডেইলি বজাৰত ভয়ানক ভাবে জুই জ্বলি কিমান দোকান ভস্মিভূত হ'ল ?

(খ) ক্ষতিৰ পৰিমাণ কিমান টকাৰ হব ?

(গ) চৰকাৰৰ তৰফৰ পৰা কিবা সাহাৰ্য্য দিয়া হলনে ?

(ঘ) জুই জ্বলা কাৰণ পোৱা হৈছে নেকি ?

শ্ৰীচহিদুল আলম চৌধুৰী ( পৌৰ-প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) ১১৭ খন দোকান ।

(খ) অনুমানিক ২ কোটি টকা ।

(গ) ৪ ( চাৰি ) লাখ টকাৰ মঞ্জুৰী অলপতে দিয়া হৈছে ।

(ঘ) আকস্মিক বুলি ভবা হৈছে ।

**Re : Sub-Registrar Office**

Shri A. F. Golam Osmani asked :

*393. Will the Minister, Registration be pleased to state :

(a) The number of Sub-Registrar offices taken over by the Government in 1986-87 and 1987-88.

(b) What happened to III & IV Grade employees serving on commission basis prior to take over the Government and after taking over ?

(c) The number of III & IV Grade employees were attached with commission-run Sub-Registrar office which were taken over by the Government in the period under reference ?

(d) The number of employees whose services have been regularised alongwith the taking over of commission-run offices ?

Shri Thaneswar Boro, (Minister, Registration) replied :

(a) 15 Nos. in 1986-87. No. Sub-Registry office was taken over during 1987-88.

(b) The Grade III & IV employees working under commission basis Sub-Registrars were not Government servants prior to taken over by Government. Steps have

been taken to consider the services of Grade III and IV employees working under commission basis Sub-Registrars for appointment to a time scale against sanctioned strength in each Sub-Registry office subject to the eligibility of the persons.

(c) 32 Grade III and 24 Grade IV employees were working with the commission basis Sub-Registrars as per report available.

(d) 10 Sub-Registrars, 18 Nos: Grade III and 18 Nos Grade IV

Shri A. Golam Osmani : Now Sir, the main purpose of the question was that the persons who were earlier serving as Grade III & IV on commission basis in the commission-run Sub-Registry Offices. The Minister has said that they will be taken in the provincialised Sub-Registry Offices. Now, what is the standard and how it will be applied in the cases of such employees ? In the meantime, how many Grade III and IV employees have been absorbed, reuglarised and attached with the provincialised Sub Registry offices ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত আগতেই কোৱা হৈছে. ক্লাচ থ্ৰিত ৩২ জন, ক্লাচ ফ'ৰ গ্ৰেডত ২৪ জন ৰেজিষ্ট্ৰাৰ কৰা হৈছে। বিশেষকৈ তেওঁলোকক এবজ'ৰব কৰাৰ ক্ষেত্ৰত কেইজনমানৰ এডোকেচন কুৱালিফিকেচনলৈ চাই তেওঁলোকৰ 'এইজৰ' কথা আছে। এই বিলাক কথা বিবেচনা কৰি অকল গ্ৰেড থ্ৰি আৰু গ্ৰেড ফ'ৰত যিবিলাক চাব ৰেজিষ্টাৰ আছে তেওঁলোকক লোৱা হৈছে কমিচন বেচিচ্‌ত।

Shri A. Golam Osmani : Whether the Grade III & IV employees of Kalgachia Sub Registry office have been regularised or not ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়. কলগেচিয়াৰ চাব-ৰেজিষ্ট্ৰাৰ অফিচত লোৱা হৈছে। এতিয়া ব্ৰেক আপ'টো মোৰ হাতত নাই, পিচত জনাব পৰা হব।

মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয় লব লাগে নহলে অফিচ কেনেকৈ চলিব।

Shri Altaf Hussain Mazumder : Mr. Speaker Sir, will the Hon'ble Minister say that the Revenue Department has given specific direction to the district authorities of Cachar for appointing 2 third grade and one fourth grade employees serving from befere from Barjatrapur. It has been reported that the district authorities have flouted it. Will the Minister look into it ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে নিশ্চয় তদন্ত কৰিম।

শ্ৰীআব্দুল জব্বৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিষ্ট্ৰিক ৰেজিষ্টাৰে আইন কানুন অমান্য কৰি নিয়োগ দি আছে। এইটো তদন্ত কৰি মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰি চাম। অৱশ্যে এই ক্ষেত্ৰত স্পেচিফিক কমপ্লেইন আনিলে ভাল হয়।

বিষয় ঃ অসমত বোলছবি ঘৰৰ সংখ্যা

শ্ৰীখহীতুল ইছলামে সুধিছে ঃ

*৩৯৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমানে কিমান সংখ্যক বোলছবি ঘৰ আছে ?

(খ) উক্ত বোলছবি ঘৰত প্ৰদৰ্শন কৰা কথাছবিৰ পৰা চৰকাৰে যোৱা বছৰত কিমান টকা ৰাজহ পাইছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) মহোদয়ে উত্তৰ দিছে ঃ

(ক) ১৪৯ টা বোলছবি ঘৰ আছে।

(খ) যোৱা বছৰটোত সংগ্ৰহ হোৱা ৰাজহৰ হিচাব এতিয়ালৈকে চূড়ান্ত হোৱা নাই। শেহতীয়া ( সংশোধিত ) হিচাব মতে যোৱা ১৯৮৭-৮৮ চনত

আমোদ কৰ শিতানত বোলছবি প্ৰদৰ্শন কৰা বোলছবিৰ পৰা সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ প্ৰায় ৮৪৬ লাখ টকা হব।

শ্ৰীশ্বহীতুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া কথাছবিয়ে সৰ্ব-ভাৰতীয় খ্যাতি লাভ কৰাৰ পৰিপ্ৰেক্ষিতত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আৰু ৫০ টামান নতুন বোলছবি ঘৰ নিৰ্মাণ কৰাৰ কাৰণে ব্যৱস্থা লবনে ? দ্বিতীয়তে, যি সকল বোলছবিৰ শিল্পীয়ে সৰ্বভাৰতীয় খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে সেই সকলৰ জীৱৰ যাপনৰ মান উন্নত কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো বিবেচনা কৰিব পৰা হব।

শ্ৰীপদ্মনাথ কয়ৰী : মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক অসমীয়া কথাছবিৰ আমোদ কৰ ঘূৰাই দিবলৈ বাকী আছে সেই বিলাক ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া বোলছবিৰ আমোদ কৰ ঘূৰাই দিয়াটো এটা বেলেগ প্ৰশ্ন। হলেও আমি এইটো পৰ্য্যায়ক্ৰমে ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিছো।

শ্ৰীপদ্মনাথ কয়ৰী : মাননীয় অধ্যক্ষ মহোদয়, বোলছবি ঘৰ বিলাকত অসমীয়া ছবি নচলাৰ পৰিপ্ৰেক্ষিতত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে, ছবিঘৰ বিলাকত অসমীয়া ছবি সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিবনে ? দ্বিতীয়তে, গুৱাহাটীত প্ৰতিদান বুলি এখন ছবি চলিছিল। ছবিখনৰ আমোদ কৰ কাটি লোৱাৰ পিছত ৬২ হেজাৰ টকাৰ ভিতৰত বোল ছবিৰ ঘৰেই ৫০ হেজাৰ টকা কাটি ললে। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে, অসমীয়া ছবি সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ভাল অসমীয়া কথাছবিৰ কথাটো বিবেচনা কৰিব পৰা হব। অসমীয়া ছবি হলেই যে, লব পাৰি সেইটো নহয়। তদুপৰি ডুপৰীয়া প্ৰদৰ্শনৰ কাৰণে ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত ছবিৰ কাৰণে মুকলি কৰি দিয়া হৈছে। কিন্তু দুখৰ কথা হৈছে, অন্য ছবি চলিলেও অসমীয়া ছবি চলিছে বুলি লিখি দিয়া হয়।

এই বিলাক পৰিস্থিতি নাইকীয়া কৰিবৰ কাৰণে আমাৰ মানুহবো সহযোগৰ প্ৰয়োজন হব। সকলো আগুৱাই আহিব লাগিব।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, ২০০ জনমান মানুহে চাব পৰাকৈ সমবায় ভিত্তিত কিছুমান ছবিঘৰ নিবনুৱা সমস্যা সমাধানৰ পৰিপ্ৰেক্ষিতত খোলাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ২০০ জনৰ কাৰণে বিবেচনা কৰিব পৰা নেযায়। বেছি মানুহে চাবৰ কাৰণে সমবায় ভিত্তিত আবেদন কৰিলে বিবেচনা কৰিব পৰা যাব।

**Re: Pending Land Acquisition cases:**

Shri Abul Muqtadir Choudhury asked :

*395. Will the Minister, Revenue be pleased to state :—

(a) How many land Acquisition cases for acquisition of land for construction of embankment under Flood Control Department and for construction of P. W. D. road are pending within Karimganj District for disposal for payment of compensation ?

(b) Is it a fact that since 1953 such Land Acquisition cases are pending in Karimganj District ?

(c) If so, whether Government be pleased to pay the compensation at the rate of present value of land ?

Shri Thaneswar Boro ( Minister of Revenue ) replied :

(a) 153 ( one hundred fifty three ) numbers of Land Acquisition cases for construction of embankment under Flood Control Deptt. and 18 ( eighteen ) numbers of L. A. Cases for construction of P. W. D. Road are pending for final payment of compensation.

(b) No Land Acquisition case pending in Karimganj District since 1953.

(c) No, Government cannot pay the present market

value of the land acquired earlier.

As provided by law the value of land is to be assessed on the day of acquisition or on the day of Notification of the intended acquisition. However, in case of delay in completing the acquisition proceedings interest on the compensation with effect from the date of taking over possession or notification to the date of payment of compensation is to be paid ( as per L. A. Acts inforce ).

Shri Abdul Muqtadir Choudhury : Sir, it is a fact that some L. A. cases are pending for finalisation for more than 20 years and 50% of the cases sent to the Revenue Deptt. by the D. C. Karimganj for according approval are lying in the Department for years together without any action. Whether the Government will take immediate necessary action for early disposal of these cases so that the poor landowners do not suffer any more ?

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, তদন্ত কৰি চাম আৰু বিহিত ব্যৱস্থা লম ।

**Re : Regarding Orange Farms.**

Shri Dileswar Tanti, MLA. asked :

*396. Will the Minister, Revenue be please to state :

(a) Whether it is a fact that a large number of orange farms have been grown by private persons on the Government lands under the Doom Dooma S. D. C. Circle area in the Tinsukia Sub-Division ?

(b) If so, the policies taken by the Government regarding these Government lands of these farms ?

Shri Thaneswar Boro ( Minister, Revenue ) replied :

(a) Yes, A large number of Orange farms had been

started by private persons on Government lands in some areas in Doom Dooma Revenue Circle under Tinsukia Sub-Division.

(b) The lands under such orange cultivation may also be settled with the deserving persons as per Government Land Policy. LD. Cs and S. D. Os have been instructed to take steps for regularisation of the Old occupations of Government lands by granting settlement in the deserving cases by the Government.

শ্ৰীদিলেশ্বৰ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰত ডুমডুমা চাৰ্কোলৰ হিচাবটো পালো। কিন্তু তিনিচুকীয়া মহকুমাৰ আজি গোটেই কেইটা চাৰ্কোলৰ বহুতো চৰকাৰী মাটি আজি বহুতো লোকে বেদখল কৰি কমলাৰ খেতি কৰিছে। মন্ত্ৰী মহোদয়ে ডুমডুমা চাৰ্কোলত কিমান মাটি কিমান মানুহে বেদখল কৰি কমলাৰ খেতি কৰিছে তাৰ হিচাব মন্ত্ৰী মহোদয়ে জনাব নেকি ? দ্বিতীয়তে যোগ্য জনক উক্ত মাটি পট্টন দিয়া হব বুলি জনাইছে। মন্ত্ৰী মহোদয়ে জনাবনে যে কেনেধৰণৰ মানুহক আৰু কিমানকৈ মাটি পট্টন দিব ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ডুমডুমা ৰেভিনিউ চাৰ্কোলৰ অধীনত কমলা খেতি কৰা মুঠ মাটিৰ পৰিমাণ হৈছে ৪১৯৩ বিঘা ৪ কঠা ৩ লেচা। মুঠ কমলাৰ খেতি কৰা লোকৰ সংখ্যা হ'ল ৪৫৫ জন। ইয়াৰে হাপজানত ৩০৮ জনে খেতি কৰিছে। ডুমডুমাত ১২১৯ বিঘা মাটিত ৪২ জনে খেতি কৰিছে আৰু ছৈখোৱাত ১৪৮ বিঘা মাটিত ১০৫ জন লোকে কমলাৰ বাগান কৰিছে। মুঠতে ৪১৯৩ বিঘা মাটিত ৪৫৫ জন লোকে কমলাৰ খেতি কৰিছে। উক্ত লোক সকলে তৌজি বাহি খাজনা দি আছে মাটিৰ বাবদ। কমলাৰ খেতি কৰা লোক সকল স্থানীয় মৰাণ সম্প্ৰদায়ৰ লোক হয়। মাটি আবণ্টন দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ নীতি নিয়ম মতে দিয়া হব। চিলিং আইনৰ কথাও আছে ইয়াত। ব্যক্তিগত লোকক ৫০ বিঘাৰ ওপৰ মাটি দিব পৰা নহব। কিন্তু পঞ্জীভুক্ত সমবায় প্ৰতিষ্ঠান হলে বেছি মাটি আবণ্টন দিব পৰা হব।

Shri Altaf Hossain Mazumdar : Mr. Speaker, Sir,

the Hon'ble Minister has stated that it will be regularised and settlement will be given. May I know from the Hon'ble Minister, after taking the land in the name of orchard, if it is discontinued, then whether there is any clause to take back the land?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেনে কোনো অভিযোগ সদ্যহতে মোৰ দৃষ্টি গোচৰ হোৱা নাই। কিন্তু যি উদ্দেশ্যত মাটি দিয়া হয় সেই উদ্দেশ্যত যদি পাওতা জনে ব্যৱহাৰ নকৰে তেন্তে তাক ঘূৰাই লোৱাৰ ব্যৱস্থা আছে। এই বিষয়টো মই চাম বাৰু।

বিষয় : মাটি দিয়াৰ ব্যৱস্থা

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

* ৩৯৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চাহ শ্ৰমিক সকলৰ বাবে চৰকাৰী আঁচনি অনুযায়ী মাটি ভেটি দিয়াৰ কিবা ব্যৱস্থা আছে নেকি?

(খ) যদি আছে, কেনে ধৰণে দিয়া হয়।

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ ১৯৭২ চনৰ ভূমি নীতি মতে আৰু তাৰ পাচত চৰকাৰৰ ১৯৭৮, ১৯৮২ আৰু ১৯৮৬ চনৰ পৰিপত্ৰমতে কৃষক আৰু কৃষি বনুৱাক খেতিবাতিৰ বাবে ৮ (আঠ) বিঘা পৰ্যন্ত আৰু ঘৰৰ ভেটি মাটিৰ বাবে ১ (এক) বিঘা পৰ্যন্ত মুঠ ৯ (ন) বিঘালৈকে (আগৰ পট্টাৰ মাটি ধৰি) গ্ৰাম্য অঞ্চলত মাটি বন্দবস্তী দিয়াৰ ব্যৱস্থা আছে।

নিম্নতম চাহিদা আঁচনি মতেও গ্ৰাম্য অঞ্চলত ঘৰৰ ভেটি মাটি নথকা কৃষক আৰু কৃষি বনুৱাক আধা বিঘাৰ পৰা ১ (এক) বিঘালৈকে ঘৰৰ ভেটি মাটি আবণ্টন দিয়াৰ ব্যৱস্থা পৰ্য্যায়ক্ৰমে কৰা হৈ আছে।

(খ) চাহ বাগানৰ শ্ৰমিক সকল চাকৰি কালত বাগান কৰ্তৃপক্ষই নিৰ্মান কৰি দিয়া ঘৰতে থাকে আৰু তেনে অৱস্থাত থকা চাহ শ্ৰমিক সকলক বেলেগ ঘৰৰ ভেটি মাটি দিয়াৰ বাবে চৰকাৰৰ কোনো পৃথক আঁচনি নাই। কিন্তু প্ৰাক্তন চাহ শ্ৰমিক সকলক আৰু কৰ্মৰত চাহ শ্ৰমিক সকলক তেওঁ-

লোকৰ দখলত থকা বাগানৰ অধিগৃহীত চিলিং চৰকাৰী মাটি চিলিং আইনৰ ১৬ আৰু ১৭ নং ধাৰামতে বন্দবস্তী দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীপদ্মনাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে চাহ বাগানৰ শ্ৰমিক সকল বাগিচাৰ চাকৰিৰ পৰা ওলাই গলে তেওঁলোকক ঘৰৰ মাটি দিয়াৰ ব্যৱস্থা চৰকাৰৰ নাই বুলি কৈছে আৰু চিলিং আইনৰ অধীনত উদ্‌বৃত্ত মাটি তেওঁলোকক দিয়া হয়। তেনেকৈ দিয়া মাটিবোৰ এতিয়া শ্ৰমিক সকলৰ হাতত আছেনে নাই? উত্তৰটো ময়েই দি দিছো। প্ৰমাণ হিচাবে আমি দেখিবলৈ পাও যে বাগানৰ চিলিঙৰ মাটি যিবোৰ শ্ৰমিকৰ পট্টন দিয়া হয় সেইবোৰ বাগানৰ মালিকে তেওঁলোকৰ পৰা লৈ যায়। ইয়াৰ প্ৰধান কাৰণ হ'ল তেওঁলোকক মাটিবোৰ চমজাই দিয়া হোৱা নাই। মাটিবোৰ তেওঁলোকক চমজাই দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত যিবোৰ মাটি আবণ্টন দিয়া হৈছিল সেইবোৰ মাটি শ্ৰমিক সকলক দখল চমজাই নিদিয়া কাৰণে যথেষ্ট খেলিমেলিৰ সৃষ্টি হৈছিল। এইটো অকল বাগানৰ মাটিৰ ক্ষেত্ৰতে হোৱা নাই ভৈয়ামৰ মাটিৰ ক্ষেত্ৰতো হৈছে। এইবোৰ অনুসন্ধান কৰি থকা হৈছে। আনহাতে এনে অভিযোগো পোৱা হৈছে যে যিসকল বাগানৰ শ্ৰমিকক মাটি দিয়া হৈছিল তেওঁলোকে আনক দাম লৈ সেই মাটি বিক্ৰী কৰিছে। ইয়াৰ কাৰণেও খেলিমেলিৰ সৃষ্টি হৈছে।

শ্ৰীপদ্মনাথ কৈৰী : অধ্যক্ষ মহোদয়, প্ৰতাপগড় বাগানৰ ৩০ জন বনুৱাক মাটি দিবলৈ মই যোৱা দুবছৰে কৈ আহিছো, এওঁলোকক দিয়া মাটিও বিক্ৰী কৰা হৈছে নেকি?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী): এই সম্পৰ্কত তথ্য মোৰ হাতত নাই, অনুসন্ধান কৰি চাম।

**Re: Amount sanctioned for Municipal Board:**

Shri Ramendra De asked:

*398. Will the Minister, Municipal Administration be pleased to state:

(a) Total amount sanctioned for the Municipal Board of Karimganj, Silchar, Hailakandi and Town Committee of

Badarpur during the year 1983 to 1988 ? (Furnish the amount yearwise and boardwise ).

(b) Total amount spent during the years ?

( Furnish headwise and yearwise ).

Shri Sahidul Alam Choudhury ( Minister, Municipal Administration replied :

(a)
(b) } Statement laid in the table of the House. ( See Annexure I )

Shri Abdul Muqtadir Choudhury : Mr. Speaker, Sir, the Municipal Board of Karimganj had spent Rs. 2,32,923/- during 1986-87, for different purposes. May I know from the Hon'ble Minister, whether the Government have received the utilisation certificate from the Municipal Board, Karimganj, for the same ?

Shri Sahidul Alam Choudhury ( Minister ) : I think it is not yet received.

বিষয় ঃ মৰিয়নীত খোৱা পানীৰ ব্যৱস্থা ।

শ্ৰীনৰেণ তাঁতীয়ে সুধিছে :

*৩৯৯। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৰহাট মহকুমাৰ মৰিয়নী নগৰৰ খোৱা পানী যোগান ব্যৱস্থা আজি পৰিমিত কিয় হোৱা নাই ?

শ্ৰীচহিদুল আলম চৌধুৰী ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) উত্তৰ দিছে :

(ক) পৰিকল্পনাৰ ধন আৱশ্যক মতে নোপোৱাৰ কাৰণে ।

শ্ৰীনৰেণ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে মৰিয়নী নগৰত যোৱা ৪০ বছৰে পানী যোগানৰ ব্যৱস্থা কিয় কৰা হোৱা নাই ? মৰিয়নীত অদূৰ ভৱিষ্যতে পানী যোগানৰ ব্যৱস্থা চৰকাৰে কৰিবনে ? বা কৰাৰ সম্ভাৱনা আছেনে ?

শ্ৰীচহিদুল আলম চৌধুৰী, (পৌৰ মন্ত্ৰী): অধ্যক্ষ মহোদয়, মৰিয়নী নগৰত খোৱা পানী যোগানৰ আঁচনি চৰকাৰৰ হাতত আছে। এইক্ষেত্ৰত ইতিমধ্যে কামো আৰম্ভ কৰা হৈছে।

বিষয়: নামডাং ৰিজাৰ্ভ।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে:

* ৪০০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৫০ চনতে বান বিধ্বস্ত হোৱা কিমান পৰিয়ালক ডিব্ৰুগড় জিলাৰ নামডাং ৰিজাৰ্ভত মাটি বিতৰণ কৰা হৈছিল?

(খ) প্ৰত্যেক পৰিয়ালৰ বাবে কিমান বিঘাকৈ মাটি বিতৰণ কৰা হৈছিল?

(গ) বিভাগীয় কৰ্তৃপক্ষই মাটি বিতৰণ কৰা পৰিয়াল কেইটা বাদেও অন্য বাহিৰা অনা অসমীয়া লোকেও ৰিজাৰ্ভত বেদখল কৰা কথাটো সত্যনে?

(ঘ) যদি সত্য, বেদখলীক উচ্ছেদ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) সৰ্বমুঠ ১০০ টা পৰিয়ালক ১৫ বিঘাকৈ মাটি আৱণ্টন দিয়া হৈছিল?

(গ) সত্য নহয়।

(ঘ) প্ৰশ্ন নুঠে।

শ্ৰীকিৰণ গগৈ: মাননীয় অধ্যক্ষ, (গ) আৰু (ঘ) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰশ্ন নুঠে। কিন্তু বিষয়টো সত্য নহয় এই বিষয়ে তদন্ত কৰি চাব নেকি?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে এটা সন্দেহ প্ৰকাশ কৰিছে অনা অসমীয়া লোক সকল বেদখলকাৰী বুলি। তেওঁলোকক বেদখলকাৰী বুলি কব পৰা নাযায়। নামডাং বনাঞ্চলত অনা অসমীয়ালোকে মাটি বেদখল কৰাটো সত্য নহয়। ২২টা নেপালী পৰিয়ালক মেদেলা বণগাওঁৰ পৰা ১৯৬৮ চনত দিহিং সংৰক্ষিত বনাঞ্চলত পুনৰ সংস্থাপন কৰা হৈছিল আৰু তেওঁলোকক নামডাং বনাঞ্চলৰ ঠিঙ্গিয়াদাৰ হিচাবে বসবাস কৰিবলৈ দিয়া হৈছিল। সেই কাৰণে এই সকলক বেদখলী বুলি গণ্য কৰা নহয়।

## Unstarred Questions and Answers

**Re: celing cases of Chandna T. E.**

Shri Silvius Condpan asked :

755. Will the Minister, Revenue be pleased to State :

Whether the Government has reviewed the ceiling cases of Chandana T. E. under Udalguri Sub-Division and returned the surplus land to the Management of Chandana T. E. ?

Shri Thaneswar Boro ( Minster, Revenue ) replied :

Government has not yet reviewed the Land Ceiling Case of Chandana T. E. but the petitions have been received by Government from Sri Nakul Daimari and others and Sri Saima Basumatari and others in 1986 and 1987, and these two petitions are in the stage of examination.

**বিষয় ঃ F. D. R. ত মঞ্জুৰী**

শ্ৰীবত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

৭৫৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৭ চনত গোৱালপাৰা জিলাত F.D.R. ত কিমান টকা মঞ্জুৰী দিয়া হৈছে ?

(খ) উক্ত F. D. R. ৰ মঞ্জুৰীৰ পৰা উত্তৰ শালমাৰা মহকুমাত কিমান টকা দিয়া হৈছে ?

(গ) উক্ত F. D. R. ৰ মজুৰীৰ পৰা অভয়াপুৰী দক্ষিণ ( অনুঃ ) সমষ্টিত কোন কোন বিভাগত কিমান টকা দিয়া হৈছে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭ চনত জিলা ভিত্তিত F. D. R. মঞ্জুৰী দিয়া হোৱা নাই। চৰকাৰৰ বিভিন্ন উন্নয়ন বিভাগবোৰক F. D. R. মঞ্জুৰী দিয়া হৈছে।

(খ) আৰু (গ), F. D. R. মঞ্জুৰী দিয়া বিভিন্ন বিভাগ বোৰৰ পৰা তথ্য বিচৰা হৈছে।

**Re : Creation of P. G. R.**

Shri Phani Ram Tayeng, M. L. A. asked :

757. Will the Minister, Revenue be pleased to state:

(a) When the Chengajan, Burisuti and Tasgan P. G. R. were created in Dhemaji Sub-Division ?

(b) Whether the Government is aware of the fact there are large number of illegal encroachers in the P. G. R. ?

(c) If so, the total number of such encroachers ?

(d) When these encroachers are going to be evicted ?

Sri Thaneswar Boro ( Minister, Revenue ) replied :

(a) As per record available there is no sanctioned P. G. R. namely Chengajan/Burisuti P. G. R. in Dhemaji Sub-Division. But there is proposal for creating a P. G.R. In respect of Tasgan P. G. R. no records also available.

(b) Yes, there is encroachment in the Chengajan/ Burisuti proposed P. G. R.

(c) The total number of encroachers in the proposed P. G. R. are about 12 thousand at present, as reported by S. L. O., Dhemaji,

(d) 26 numbers of encroachment cases have been registered so far to clear the encroachments as per Rules 7 Nos. of such cases have been disposed of involving 950 families and the area cleared so far in 1200 bighas approximately.

**Re : Water Supply Scheme.**

Shri Shio Shambhu Ojha asked :

758. Will the Minister, Municipal Administration be pleased to State.

(a) Whether the Government has taken up water

supply schemes in Tinsukia Town ?

(b) If so, when it was taken up and when it is expected to be completed ?

Shri Sahidul Alam Choudhury (Minister, Municipal Administration) replied ;

(a) & (b) No.

**Re : Imformation Centre.**

Shri Karnendu Bhattachrjee asked :

759. Will the Chief Minister be pleased to state.

(a) It is a fact that Government of Assam has proposed to set up two information centre at Shillong and Madras during the current year plan allocation ?

(b) If so, whether the Government cleared the proposal ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) অনুমোদন আদি বিষয় বিবেচনাধীন হৈ আছে ।

**বিষয় ঃ খৈলশামাৰী ছৰা বিল ।**

শ্ৰীডালিম ৰায়ে, সুধিছে

৭৬০। মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুবুৰী জিলাৰ গোলোকগঞ্জ সমষ্টিৰ অন্তৰ্গত আগমনি চাৰ্কোলৰ অধীনস্থ লোহাজনী খৈলশামাৰী গাওঁৰ অন্তৰ্গত খৈলশালাৰী ছৰা বিলটো কাৰ দখলত আছে ?

(খ) খৈলশালাৰী ছৰা বিলটো চৰকাৰী কৰাৰ বাবে চৰকাৰে কোনো ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীথানেশ্বৰ বড়োৱে ( ৰাজহ মন্ত্ৰীয়ে) উত্তৰ দিছে :

(ক) ধুবুৰী জিলাৰ আগমনি চাৰ্কোলৰ অন্তৰ্গত খৈলশামাৰী ছৰা বিলটো শ্ৰীসন্তোষ কুমাৰ বৰুৱা আৰু শ্ৰীসনৎ কুমাৰ বৰুৱাৰ দখলত আছে ।

(খ) উক্ত বিলটো ১৯৫১ চনৰ অসম জমিদাৰী অধিগ্ৰহণ আইনমতে

গৌৰীপুৰ বজাৰ আন আন মাটিসহ ১৪।৪।৫৮ তাৰিখৰ ৰাজপত্ৰৰ অধিসূচনামতে অধিগ্ৰহণ কৰা হয়। তাৰ পাচত শ্ৰীসন্তোষ কুমাৰ বৰুৱাই ধুবুৰীৰ অতিৰিক্ত জিলা ন্যায়াধীশৰ আদালতৰ ৪৮।৩৬ নং স্বত্ব গোচৰত উক্ত বিলৰ দখলত থকাৰ বাবে হুকুম পায়। ইয়াৰ পাচত উক্ত বিল চৰকাৰী কৰাৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা লৈ থকা হৈছে।

## Re : Land Advisory Board

Sri Santi Ranjan Dasgupta asked :

762. Will the Minister, Revenue be pleased to state :

(a) The function of the Land Advisory Board ?

(b) Whether there is any guide line for conducting of the meeting ?

(c) If so, kindly State the guidelines ?

(d) Whether to decide any question the S.D.O. (Civil) can put the matter for vote ?

(e) If it is in affirmative who are entitled to vote ?

(f) The names of the members of Hojai Sub-Divisional (Civil) of the Land Advisory Board and the Notification constituting the Board ?

Shri Thaneswar Boro (Minister Revenue) replied :

(a) The functions of the Land Advisory Committee are to advise the Deputy Commissioner or the Sub-Divisional Officer (Civil) as the case may be on the following matters.

(1) (a) Constitution of Reserves,

(b) Dereservation of Reserve Land.

(2) (i) Settlement of Government Land in Towns Except Settlement of lands with indivieuals in Greater Guwahati.

(ii) Settlement of Government lands with public

institutions and Government Departmental Offices etc in Greater Guwahati.

(3) Settlement of dereserved or Wasteland to landless agriculturists in villages.

(4) Planned Settlement in general as may be directed by the Government from time to time.

(5) Rehabilitation of Landless, Flood affected, and erosion affected people:

(6) Implementation of agricultural Land Ceiling Act, distribution of acquired ceiling surplus land and completion of Land records under new 20 Point programme.

(7) Allotment of lands to persons by requisition and acquisition of surplus patta land and Tea Garden Lands.

(8) Assessment of working of Land Reforms measures:

(9) Allotment of House-Sites to Rural Families under new 20-Point Programme.

(10) Any other matters that may be specifically referred to the Committee by the Government.

(b) There is no specific guide line. The meeting of the Committee is held as and when necessary from time to time under the Chairmanship of Deputy Commissioner or the Sub-Divisional Officer (Civil) as the case may be.

(c) Does not arise.

(d) There is no voting system in the meeting of the Land Advisory Committee. But the general concensus of the majority members is taken into account by the Chairman:

(e) Does not arise.

(f) The names of the members of Hojai Sub-Division Land Advisory Committee are (1) Shri Abdul Jalil Ragibi, M.L.A., (2) Shri Santi Ranjan Dasgupta, M.L.A., (3) Shri Ardhendu Kumar Dey, M.L.A., (4) Shri Nazimuddin Ahmed, Smti Saraswati Singha, (6) Shri Som Nath Dutta, (7) Shri Mukunda Boro, (8) Shri Jamiruddin Ahmed, (9) Shri Nanda Kishore Sarma, (10) Shri Someswar Bora, (11) Shri Tralukua Singh, (12) Shri Pulin Barkataki, (13) Shri Mohiram Hanse, (14) The Sub-Division Officer (Civil), Hojai as Chairman and (15) The Senior E.A.C., Hojai as Secretary. The extract of the Notification constituting the Sub-Divisional Land Advisory Committee for Hojai Sub-Division vide No. RRT. 207/85/81, dated 5th June/1986 is enclosed.

**Government of Assam**

**Revenue (Reforms) Department : Tenancy Branch**

Orders by the Governor

Notification

Dated Dispur the 5th June, 1986

No. RRT. 207/85/81:— The Governor of Assam is pleased to constitute the Sub-Divisional Land Advisory Committee in the undermentioned Sub-Division of the plains District of Assam with the members shown against each Sub-Division until further orders. One representative nominated by each of the Local Minister/Minister of State is also a member of the respective Sub-Divisional Land Advisory Committee. However the concerned Minister/Minister of

State may choose to attend the meeting of the Committee by himself/herself instead of sending his/her nominated representative to the meeting.

Hojai Sub Division

1. Sub-Divisional Officer (Civil) Hojai — Chairman
2. Sr. E. A. C. Hojai — Secretary
3. Shri Abdul Jalil Ragibi M.L.A. (Jamunamukh) Member
4. Shri Santi Ranjan Das Gupta, M.L.A. (Lumding) „
5. Shri Ardhendu Kr. Dey, M.L.A. (Lumding) „
6. Shri Nazimuddin Ahmed, Jamunamukh — „
7. Smti Saraswati Singha, Lanka — „
8. Shri Som Nath Dutta, Lanka — „
9. Shri Mukunda Boro, Kaki (Hojai) — „
10. Shri Jamiruddin Ahmed, Hojai — „
11. Shri Nanda Kishore Sarma, Udaypur, Hojai „
12. Shri Someswar Bora, Hojai — „
13. Shri Tralukua Singh, Lanka — „
14. Shri Pulin Barkataki, Nagaon — „
15. Shri Mohiram Hanse, Barbaha, Hojai Sub-Divn. „

The Committee may advise the Deputy Commissioners and Sub-divisional Officers on the following grounds—

(1) (a) Constitution of Reserves.

(b) De-reservation of Reserve Land.

(2) (i) Settlement of Government Lands in Towns except settlement of lands with individuals in greater Guwahati.

(ii) Settlement of Government lands with public institutions and Government Department Offices etc. in greater Guwahati.

(3) Settlement of dereserved or Wasteland to landless agriculturists in villages.

(4) Planned settlement in general as may be directed by the Government from time to time.

(5) Re-habilitation of landless, Flood affected and erosion effected people.

(6) Implementation of agricultural land ceiling Act, distribution of acquired ceiling surplus land and completion of land records under new 20 Point Programme.

(7) Allotment to persons by requisition and acquisition of surplus patta land and tea garden lands:

(8) Assessment of working of land reforms measures.

(9) Allotment of House-Sites to Rural families under new 20-Point Programme.

(10) Any other matter that may be specifically referred to the committee by the Government.

Sd/-Joint Secretary
to the Govt. of Assam, Revenue (Reform)
Department............... Dispur.

Memo No, RRT, 207/85/81 Dated Dispur the 5th June/1986.

Copy to :—1. The Supdt. Assam Government Press, Bamunimaidan, Guwahati-21. He is requested to publish this notification in the next issue of Assam Gazette and supply 500 printed copies to this Department for supply to the member concerned.

2. The Deputy Commissioner/Sub-Divisional Officer ( Civil) for information and taking necessary action.

By Order etc.
Sd/- Joint Secretary
to the Govt. of Assam, Revenue (R) Deptt.

### Re : Land used for Brick Industries

Shri Ardhendu Kumar Dey, M. L. A. asked :

763: Will the Minister, Revenue be pleased to state.

(a) Whether it is within the knowledge of the Government that many agricultural land and Government lands have been used for Brick Industry at Lumding ?

(b) Whether owners of these Brick Industry have taken any permission from Government for using these lands ?

Shri Thaneswer Boro ( Minister, Revenue ) replied :

(a) Yes, 57 bighas of anual lease land & 145B-3K-2L of Sarkari Waste land have been used for Brick Industry by 5 persons in Lumding Town.

(b) No, not from Revenue Department. It is not known whether the persons have taken any licence from the concerned Departments.

### Re : Permanent resident certificate

Shri Maziruddin Ahmed asked :

764. Will the Chief Minister be pleased to state :

(a) Whether the Government is aware that the young job seekers are asked to furnish the permanent resident certificate for their appointment in Government jobs?

(b) Whether the Government is considering to start issuing permanent Resident Certificate to the unemployed youths for the purpose of their appointment in various jobs ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a) Some instances have been brought to the notice

of Government.

(b) The issue of P. R. C. is now under active consideration of Government.

বিষয় ঃ জনজাতি আৰু অজনজাতীয় লোকৰ মাটি পট্টন

শ্ৰীকেশৰাম বৰাই, সুধিছে ঃ

৭৬৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ জিলাৰ লোহিত সোৱনশিৰি আৰু অৰুণাচল সীমান্তবৰ্তী অঞ্চলত স্থানীয় জনজাতীয় লোক আৰু অজনজাতীয় লোকৰ মাটি পট্টন নোহোৱা কথা চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত লোক সকলক মাটিৰ পট্টন দিয়াৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) লক্ষীমপুৰ জিলাৰ লোহিত. সোৱনশিৰি আৰু অৰুণাচলৰ সীমান্তৱৰ্তী অঞ্চলত স্থানীয় জনজাতীয় আৰু অজনজাতীয় লোকক বিধি মতে মাটি পট্টন দি থকা হৈছে।

(খ) উপযুক্ত লোকক মাটি পট্টন দিয়াৰ ক্ষেত্ৰত বিধিমতে ব্যৱস্থা লবলৈ সকলো উপায়ুক্ত আৰু মহকুমাধিপতিলৈ সময়ে সময়ে নিৰ্দেশ দি থকা হৈছে।

**Re : South Salmara Mankachar Civil Sub-divisional Headquarter.**

Shri Aminul Islam asked :

766. Will the Minister, Revenue be pleased to state :

(a) Whether the Government have made arrangement for acquiring necessary lands for the establishment of South Salmara Mankachar Civil Subdivisional Headquarters at Hatsingimari ?

Shri Thaneswar Boro (Minister of Revenue) replied :

(a) No.

However, Government have decided to construct

South Salmara Mankachar Civil Sub-divisional Headquarter at Hatsingimari and accordingly the State P. W. Department has been requested by General Administration Department to prepare and submit a Master Plan including the requirment of land for acquisition. The matter actually relates to General Administration Department.

বিষয় ঃ ছয়গাওঁ ৰাজহ চক্ৰৰ খহনীয়া মাটিৰ পৰিমাণ

ডাঃকমলা কলিতাই সুধিছে ঃ

৭৬৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছয়গাওঁ সমষ্টিৰ ছয়গাওঁ ৰাজহ চক্ৰৰ কিমান পৰিমাণৰ মাটি ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ফলত ১৯৮০ চনৰ পৰা ১৯৮৭ চনলৈ ব্ৰহ্মপুত্ৰৰ বুকুত লীন যায় ?

(খ) ছয়গাওঁ ৰাজহ চক্ৰৰ কিমান পৰিমানৰ মাটি বান নিয়ন্ত্ৰন বিভাগে ১৯৮০ চনৰ পৰা ১৯৮৭ চনলৈ মথাউৰি নিৰ্মান কৰিবলৈ অধিগ্ৰহণ কৰিছে ?

(গ) অধিগ্ৰহণ কৰা মাটিৰ দাম মাটিৰ মালিকক দিয়া হৈছে নে আৰু যদি দিয়া হৈছে কিমান টকা দিয়া হৈছে আৰু কিমান টকা দিবলৈ বাকী আছে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮০ চনৰ পৰা ১৯৮৭ চনলৈ ছয়গাওঁ চক্ৰৰ ভিতৰত মুঠ ২৪,০৮২ বিঘা ১ কঠা ১৩ লেচা ম্যাদি পট্টাৰ মাটি ব্ৰহ্মপুত্ৰ নদীৰ গড়া খহনীয়াত পৰিছে।

(খ) ১৯৮০-৮৭ চনলৈ বান নিয়ন্ত্ৰণ বিভাগে মুঠ ৮৯০ বিঘা ৪ কঠা ১৭ লেছা জমি মথাউৰি নিৰ্মানৰ বাবে অধিগ্ৰহণ কৰিছে।

(গ) অধিগ্ৰহণ কৰা মাটিৰ মালিকক মুঠ ৩,৮২,০১৩.১৫ টকা দিয়া হৈছে আৰু মুঠ ২০,৯৭,৬৪৩.১৪ টকা দিবলৈ বাকী আছে।

বিষয় ঃ দক্ষিণ নামবৰ বনাঞ্চল

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

৭৬৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসম নগালেণ্ডৰ সীমান্তৱৰ্তী দক্ষিণ নামবৰ বনাঞ্চলৰ ( ১৫ নং বনাঞ্চল )

চালুক পথাৰ আৰু ৩ নং ৰজাপুখুৰী দুখন গাৱঁত দুয়োখন ৰাজ্যৰ সীমান্ত দণ্ডাধীশে খেতি কৰিবলৈ নিদি বন্ধ কৰি থৈছে, তাৰ কাৰণ কি জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে :

কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে নগালেণ্ডৰ সীমান্ত দণ্ডাধীশৰ নিৰ্দেশক্ৰমে চালুক পথাৰ আৰু ৩ নং ৰজাপুখুৰী গাওঁ দুখনৰ ১৩ জন নগা খেতিয়কৰ প্ৰায় ৫০ বিঘা মাটিৰ খেতি বন্ধ কৰি ৰাখিছে। কিয়নো উক্ত গাওঁ দুখনৰ নগা আৰু অনগাৰ মাজত মাটি সংক্ৰান্তীয় বিবাদৰ সূত্ৰ লৈ অশান্তিৰ সৃষ্টি হোৱালৈ আশঙ্কা কৰিছিল ।

### বিষয় ঃ অসমত নগালেণ্ডৰ বেদখল ।

শ্ৰীদেবেশ্বৰ বৰাই, সুধিছে ঃ

৭৬৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ এলেকাৰ ভিতৰত মেৰাপানীৰ ওচৰৰ জেলোগুৰিত নগালেণ্ডে ছিড ফাৰ্ম ( ছিড ফাৰ্ম ) খুলি অসমৰ মাটি বেদখল কৰাটো সঁচানে ?

(খ) যদি সঁচা, এই ছিদ ফাৰ্মখন কোন চনত প্ৰতিষ্ঠা কৰিছিল ?

(গ) বৰ্ত্তমান এই ছিড ফাৰ্মে কিমান অসমৰ মাটি বেদখল কৰি আছে ?

(ঘ) এই ছিড ফাৰ্ম উঠাবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা ।

(খ) ১৯৭১ চনত ।

(গ) প্ৰায় ১০০০ একৰ ।

(ঘ) অসমৰ সাংবিধানিক সীমাৰ ভিতৰত অসমৰ কৰ্ত্তৃত্ব অক্ষুন্ন ৰাখিবৰ কাৰণে চৰকাৰে জোৰ দি আহিছে। কিন্তু অসম নগালেণ্ডৰ মাজত আগৰ আলোচনাৰ সিদ্ধান্ত অনুসৰি দৈয়াং বনাঞ্চলত স্থিতা অৱস্থা বাহাল ৰখাৰ পৰিপ্ৰেক্ষিতত এই ছিড ফাৰ্ম উঠাবলৈ অসম চৰকাৰে অন্য ব্যৱস্থা লোৱা নাই ।

### বিষয় ঃ নগাওঁ জিলাত চৰকাৰী মাটি ।

শ্ৰীহৰেন্দ্ৰ বৰাই, সুধিছে ঃ

৭৭০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ঃ

(ক) নগাওঁ জিলাৰ মৰিগাওঁ মহকুমাত কিমান চৰকাৰী মাটি আছে ?

(খ) ইয়াৰ কিমান মাটি বেদখলকাৰীয়ে দখল কৰি আছে ?

(গ) এই মাটি সমূহ বেদখল মুক্ত কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী )য়ে উত্তৰ দিছে।

(ক), (খ) আৰু (গ) আৱশ্যকীয় তথ্যপাতি মৰিগাওঁ মহকুমাধিপতিৰ পৰা বিচৰা হৈছে। কিন্তু এতিয়ালৈ পোৱা হোৱা নাই। তথ্যপাতি খিনি পালেই উত্তৰ দিব পৰা হব।

বিষয় ঃ ভূমি উপদেষ্টা কমিটিৰ প্ৰস্তাৱ।

শ্ৰীগোপীনাথ দাস, এ সুধিছে ঃ

৭৭১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০।১১।৮৩ ইং তাৰিখৰ গুৱাহাটী মহকুমাৰ ভূমি উপদেষ্টা কমিটিত সৰ্বসন্মতিক্ৰমে গৃহীত হোৱা ৩৭ নং প্ৰস্তাৱটোত চৰকাৰে অনুমোদন দিছে নে ?

(খ) যদি অনুমোদন দিছে তেন্তে কেতিয়া অনুমোদন দিছে ?

(গ) যদি অনুমোদন দিয়া নাই তেন্তে তাৰ কাৰণটো কি আৰু অতি সোনকালে উক্ত প্ৰস্তাৱটো অনুমোদন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) ভূমি উপদেষ্টা সমিতিৰ প্ৰস্তাৱসহ মাটি পট্টনৰ প্ৰস্তাৱ চৰকাৰে এতিয়ালৈ পোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) ভূমি উপদেষ্টা সমিতিৰ প্ৰস্তাৱসহ মাটি পট্টনৰ প্ৰস্তাৱ উপায়ুক্তৰ পৰা পালে পৰীক্ষা কৰি বিহিত ব্যৱস্থা লব পৰা হব।

**Re : Amendment of Illegal Migrants act, 1983:**

Shri Amritlal Basumatary, asked :

772. Will the Chief Minister be pleased to state :

(a) Whether Government of Assam have agreed to the amendments to the Illegal Migrants (Determination by

Tribunal ) Act, 1983 as introduced in the Parliament ?

(b) Whether there is agreement in the matter of amendments as introduced in the Parliament ?

(c) If not, what are the differences thereof ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) (খ) (গ) সংশোধিত আইনৰ প্ৰতিলিপি চৰকাৰে এতিয়াও পোৱা নাই, গতিকে এই বিষয়ে উত্তৰ দিয়া সম্ভৱ নহয় ।

বিষয় ঃ বিজনীত নতুন মহকুমা ।

শ্ৰীমকবুল হুছেইনয়ে সুধিছে ঃ

৭৭৩ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ জিলাৰ বিজনীত এখন নতুন মহকুমা কৰা হবনে ?

(খ) যদি কৰা হয় তেন্তে উক্ত বিষয়টো বৰ্ত্তমান কি অৱস্থাত আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) মহোদয়ে উত্তৰ দিছে ঃ

(ক) (খ) বিষয়টো বৰ্ত্তমান পৰীক্ষাধীন হৈ আছে ।

**Re : Treasury at Patharkandi**

Shri Manilal Gowala asked :

774. Will the Chief Minister be pleased to state :

(a) Whether the Government considers the necessity of opening a Sub-Treasury at Patharkandi under Karimganj Districts ?

(b) If so, when the said Sub-Treasury will be established in public interest ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

(a) Yes.

(b) The matter will be considered on receipt of consent of the Nationalised Bank for conducting Government Business and approval from the Reserve Bank of India.

বিষয় ঃ তথ্য আৰু জনসংযোগ বিভাগৰ জইণ্ট ডাইৰেক্টৰ।

শ্ৰীজয় নাথ শৰ্মাই সুধিছে ঃ

৭৭৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তথ্য আৰু জনসংযোগ বিভাগত B. H. Ahmed নামৰ এজন Joint Director আছে নেকি আৰু যদি আছে তেখেতৰ Place of posting ক'ত ?

(খ) তেখেতৰ নিৰ্দ্ধাৰিত কিবা কাম আছে নে আৰু যদি আছে তেন্তে কি কি কাম কৰে জনাৱনে ?

(গ) কলিকতাৰ পৰা গুৱাহাটীলৈ অহা যোৱা কৰাৰ বাবে তেখেতৰ ( চাকৰি কালত ) সৰ্বমুঠ কিমান টকাৰ ভ্ৰমন বানচ লৈছে ?

(ঘ) উক্ত বিষয়া জনে দিশপুৰ ট্ৰেজাৰীৰ পৰা কিমান বাৰ দৰ্মহা লৈছে আৰু দৰমহা লবলৈ অহাৰ সময়ছোৱাত ভ্ৰমন বানচ লৈছে ?

(গ) উক্ত বিষয়া গৰাকী চাকৰী কালত কেইবাৰ নিলম্বিত বা বৰ্খাস্ত হৈছে আৰু তেনে নিলম্বিত বা বৰ্খাস্ত কৰণৰ অভিযোগ কি কি আছিল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, আছে। তেখেতৰ বৰ্ত্তমান কৰ্মস্থল কলিকতা।

(খ) হয়, আছে। কলিকতাত থকা অসম তথ্যকেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাবে কলিকতাত তথ্য সেৱা আৰু জনসংযোগ ৰক্ষাৰ যাৱতীয় সকলো কাম কাজৰ দায়িত্ব তেওঁৰ ওপৰত ন্যস্ত কৰা আছে।

(গ) ১৯৮৬ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৮৮ চনৰ মাৰ্চ মাহলৈ কলিকতাৰ পৰা গুৱাহাটীলৈ অহাৰ বাবে মুঠ ১৩,৩২৮·০০ টকা ভ্ৰমন বানচ লৈছে।

(ঘ) দিশপুৰ কোষাগাৰৰ পৰা জানিব পৰামতে তেওঁ বেতন আদি দিশপুৰ কোষাগাৰৰ পৰাই লৈ আহিছে, কিন্তু নিৰ্দিষ্টভাবে সেই উদ্দেশ্যেৰে আহি ভ্ৰমণ বানচ লোৱাৰ তথ্য পোৱা হোৱা নাই।

(ঙ) অনুশাসন ভঙ্গ, চৰকাৰী গাড়িৰ অপব্যৱহাৰ, জ্যেষ্ঠ বিষয়াৰ প্ৰতি অশুভ আচৰন আৰু মিছা ভ্ৰমন বানচ লোৱা আদি অভিযোগৰ বাবে ১৯৬২ চনত, চৰকাৰী আদেশ অৱমাননা কৰাৰ অভিযোগত ১৯৬৭ চনত, চৰকাৰী ধনৰ অপচয়, চৰকাৰী আদেশ আদিৰ উলংঘন অভিযোগত ১৯৬৮ চনত আৰু চৰকাৰী কৰ্ত্তব্যৰ অৱহেলাৰ অভিযোগত ১৯৮৩ চনত মুঠ ৪ ( চাৰি ) বাৰ নিলম্বিত

হয়, আৰু তাৰে ভিতৰত ১৯৬৯ চনত আৰু ১৯৭৬ চনত তেওঁ মুঠ ২ (দুই) বাৰ চাকৰীৰ পৰা বৰ্খাস্তও হৈছিল।

### Re : Judicial Court Building at Dhemaji.

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

৭৭৬। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধেমাজী Judicial Court Building টোৰ আধাৰশিলা কেতিয়া স্থাপন কৰা হব ?

(খ) ধেমাজী মহকুমাৰ ন্যায়িক দণ্ডাধীশ সকলৰ কাৰ্য্যালয় আৰু অন্যান্য আদালত সমূহ মহকুমা অধিপতিৰ কাৰ্য্যালয়তে ৰখা হৈছে নে কি ?

(গ) ন্যায়িক দণ্ডাধীশ সকলৰ আদালত ও কাৰ্য্যালয় ধেমাজীত কেতিয়া সাজিব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( আইন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) চৰকাৰে এই সম্বন্ধে কোনো পৰিকল্পনা এতিয়াও হাতত লোৱা নাই।

(খ) ধেমাজী মহকুমাৰ ন্যায়িক দণ্ডাধীশৰ আৰু মুন্সিফৰ আদালত মহকুমাধিপতিৰ কাৰ্য্যালয়ত ৰখা হৈছে, কিন্তু উক্ত আদালত দুটাৰ কাৰ্য্যালয়ত যোৱা ১৯ এপ্ৰিলৰ পৰা মহকুমাধিপতিৰ সন্মেলন গৃহত ৰখা হৈছে। ন্যায়িক দণ্ডাধীশৰ এটা আদালত ন্যায়িক বিভাগৰ ঘৰ এটাত ৰখা হৈছে।

(গ) কোনো পৰিকল্পনা এতিয়াও লোৱা নাই। অৰ্থ সাপেক্ষে চৰকাৰে সোনকালে ব্যৱস্থা লোৱাৰ চিন্তা কৰিছে।

### বিষয় ঃ কলগাছিয়া উপ-পঞ্জীয়ন কাৰ্য্যালয়।

শ্ৰীআব্দুল জব্বৰয়ে সুধিছে ঃ

৭৭৭। মাননীয় পঞ্জীয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কলগাছিয়া উপ-পঞ্জীয়ণ কাৰ্য্যালয়টো ২-২-৮৭ ইং তাৰিখত চৰকাৰীকৰণ কৰা সঁচা নে ?

(খ) যদি সঁচা হয়, তেন্তে সেই কাৰ্য্যালয়ৰ ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক আজিলৈকে নিয়ুক্তি দিয়া হোৱা নাই কিয় ?

(গ) উক্ত কাৰ্য্যালয়ত অস্থায়ী ভাবে কাম কৰি থকা কৰ্মচাৰী সকলক নিয়ুক্তি দিয়া হব নে আৰু যদি হয়, কেতিয়া দিয়া হব ?

শ্ৰীথানেশ্বৰ বড়ো ( পঞ্জীয়ন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) ২-২-৮৭ তাৰিখৰ পৰা নহয়। ৩০ জানুৱাৰী ১৯৮৭ চনৰ চৰকাৰী জাননী নং আৰু ই জি এন ৪৪/৮৬/৭৪ যোগেহে চৰকাৰীকৰণ কৰা হৈছে।

(খ) চৰকাৰৰ চিঠি নং আৰু ই জি এন ৪৪/৮৬/৭৭ তাং ৯।২।৮৭ তাৰিখৰ চিঠি যোগে বৰপেটা জিলা পঞ্জীয়কক উক্ত কাৰ্য্যালয়ৰ ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক যোগ্যতা অনুসৰি নিযুক্তি দিবলৈ নিৰ্দেশ দিয়া হৈছিল। উপায়ুক্ত বৰপেটাই জানোৱামতে সেই কৰ্মচাৰী সকল নিযুক্তি পাবৰ যোগ্য নহয়।

(গ) (খ)ৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

বিষয় ঃ মহকুমা গঠনৰ দাবী।

শ্ৰীকুল বাহাদুৰ ছেত্ৰীয়ে সুধিছে :

৭৭৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মাৰ্ঘেমিটাক কেন্দ্ৰ কৰি মহকুমা এটা গঠন কৰিবৰ বাবে ৰাইজে বহুদিনৰ পৰা দাবী আবেদন কৰি থকা চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে কেতিয়া এইখন মহকুমা কৰা হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী মহোদ ) য়ে উত্তৰ দিছে :

(ক) জানে।

(খ) বিষয়টো পৰীক্ষাধীন হৈ আছে।

**Re : Pancharatna Service Centre**

Sri Sheikh Saman Ali, asked :

779. Will the Chief Minister be pleased to state :

(a) Is it a fact that the post of Project Officer of the Pancharatna Service Centre is lying vacant for years ?

(b) If so, the reason thereof ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) এই সেৱা কেন্দ্ৰটোৰ কাৰণে এগৰাকী প্ৰকল্প বিষয়াক যোৱা ২৮/৭/৮৬ তাৰিখে নিযুক্তি দিয়া হৈছিল যদিও তেখেতে অসুস্থতাৰ কাৰণে যোগদান নকৰাত আন এজন বিষয়াক নিযুক্তি দিয়াৰ কাৰণে কৃষি বিভাগৰ জগত

যোগাযোগ কৰা হৈছে ।

বিষয়ঃ তৰাণি গাওঁ

শ্ৰীৰামেশ্বৰ ধনোৱাৰ বিধায়কে, সুধিছে :

৭৮০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তিনিচুকীয়া মহকুমাৰ অন্তৰ্গত তৰাণি গাওঁখন কেতিয়া ফৰেষ্টক দিয়া হৈছিল ?

(খ) যদি দিয়া হোৱা নাই তেন্তে ফৰেষ্ট বিভাগে নিজৰ মাটি বুলি দাবী কৰাটো সত্য নে ?

(গ) এতিয়া উক্ত বিষয়টো কি পৰ্য্যায়ত আছে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) তিনিচুকীয়া মহকুমাৰ অন্তৰ্গত তৰাণি গাওঁখন ফৰেষ্ট বিভাগক দিয়া হোৱা নাই ।

(খ) এই সম্পৰ্কে ৰাজহ বিভাগ অৱগত নহয় ।

(গ) তৰাণি গাওঁখন এতিয়াওঁ ৰাজহ গাওঁ হিচাবেই আছে ।

বিষয়ঃ চিলিঙৰ মাটি আবণ্টন

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে :

৭৮১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তেজপুৰ মহকুমাৰ ১৯৭৫-৭৬ চনতে চিলিং আইনত অধিগ্ৰহণ কৰা চাহ বাগিছাৰ মাটিৰ আবণ্টন পট্টা পোৱা প্ৰাক্তন চাহ শ্ৰমিক বিলাকে এতিয়ালৈকে মাটিৰ দখল নোপোৱাৰ কথা চৰকাৰে জানেনে ?

(খ) বাগিছাৰ মালিকে ৰাজহ বিভাগৰ বিষয়াৰ সহায়ত ২০/৩০ বছৰ ধৰি স্থায়ী ভাৱে বাস কৰি থকা প্ৰাক্তন শ্ৰমিক সকলক বৰ্তমান উচ্ছেদ কৰাৰ চেষ্টা চলোৱাৰ কথা চৰকাৰে জানেনে ?

(গ) চৰকাৰে এই বিষয়ত এটি স্বকীয়া উচ্চ ক্ষমতা সম্পন্ন তদন্ত আয়োগ গঠন কৰি দি 'চিলিং চাৰপ্লাচ' মাটিৰ পুনৰ জৰীপৰ ব্যৱস্থাৰে প্ৰকৃত দখলকাৰী ভূমিহীন প্ৰাক্তন চাহ বনুৱা সকলক পট্টা দিয়াৰ ব্যৱস্থা লবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চিলিং আইনত অধিগ্ৰহণ কৰা যি মাটি আবণ্টন দিয়া হৈছিল,

১৯৭৫-৭৬ চনৰ ভিতৰত প্ৰাক্তন চাহ শ্ৰমিক সকলক সেই মাটিৰ দখল চমজাই দিয়া হৈছিল।

(খ) প্ৰাক্তন চাহশ্ৰমিকক আৱণ্টন পোৱা মাটিৰ পৰা বাগিছাৰ মালিকে ৰাজহ বিভাগৰ বিষয়াৰ সহায়ত উচ্ছেদ কৰাৰ কোনো চেষ্টা চলোৱা কথা চৰকাৰে নাজানে। মাটিৰ মালিকে কোনো প্ৰাক্তন চাহ শ্ৰমিকক উচ্ছেদ কৰাৰ কাৰণে চেষ্টা চলোৱা বুলিও কোনোৱে উপায়ুক্ত আৰু চৰকাৰক জনোৱা নাই।

(গ) চিলিং অধিগৃহীত মাটিৰ পুনৰ জৰীপৰ বাবে আৰু ভূমিহীন প্ৰাক্তন চাহ বনুৱা সকলক মাটিৰ পট্টা দিয়াৰ সম্পৰ্কে উচ্চ ক্ষমতা সম্পন্ন তদন্ত আয়োগ গঠন কৰাৰ আৱশ্যকতা দেখা নাযায়। জিলাৰ উপায়ুক্তই মাটি আৱণ্টন আৰু পট্টন ব্যৱস্থা বিধিমতে কৰি আছে।

## বিষয়ঃ বিলাশীপাৰাৰ গোহাট

শ্ৰীইউছুফ আলি আহমেদে সুধিছেঃ

৭৮২। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) বিলাশীপাৰা পৌৰ সভাৰ অন্তৰ্গত গোহাটটো ১৯৮৮-৮৯ চনৰ বাবে কিমান টকাত পট্টন দিয়া হৈছে ?

খ) পট্টন দিয়া আৰু জাননীত উল্লেখ কৰা সকলো স্বৰ্ত সাপেক্ষে গোহাট পট্টন দিয়া হৈছে নে ?

গ) এইটো কথা সঁচানে যে স্বৰ্তত উল্লেখ কৰা মতে পট্টন পোৱা মানুহজনৰ নামত সম মূল্যৰ স্থাৱী সম্পত্তি পৌৰ সভাত থাকিব লাগিব অথবা তেনে এজন জামিদাৰ দিব লাগিব ?

ঘ) উক্ত গোহাট Possession পোৱাৰ আগতে জমা দিব লগা দুটা কিস্তিৰ টকা জমা দিছেনে ?

ঙ) যদি দিছে, কোন কোন সময়ত কিমান টকা জমা দিলে ?

শ্ৰীচহিদুল আলম চৌধুৰী ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ

ক) ১,৫০,০০০.০০ ( এক লাখ পঞ্চাছ হাজাৰ ) টকাত।

খ) হৈছে।

গ) সঁচা।

ঘ) প্ৰতিভূতি জমাৰ বাবদ সম্পূৰ্ণ টকা আৰু প্ৰথম কিস্তিৰ বাবদ কিছু টকা জমা দিছিল।

ঙ) ২ মার্চ, ১৯৮৮ ৩৭,৫০০৲০০ টকা।
২৬ মার্চ, ১৯৮৮ ১০,০০০৲০০ টকা।

বিষয়ঃ বীৰ লাচিতৰ প্ৰতিমূৰ্ত্তি।

শ্ৰীকুমুদৰ গগৈয়ে সুধিছেঃ

৭৮৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ১৯৭৭ চনতে আহোমৰ বীৰ লাচিতৰ এটা প্ৰতিমূৰ্ত্তি বোম্বাইত নিৰ্মাণ কৰিবলৈ দিয়া কথাটো সঁচা নে?

(খ) যদি সঁচা, মূৰ্ত্তিটো নিৰ্মাণৰ সম্পূৰ্ণ খৰছ কিমান পৰিছিল আৰু উক্ত মুঠ খৰছৰ পৰা ১,৪০,০০০৲০০ (একলাখ চল্লিচ) হাজাৰ টকা দিয়াটো সঁচানে?

(গ) যদি সঁচা, তেন্তে নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পিচটো চৰকাৰে আজিলৈকে কিয় অনা নাই?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) সঁচা কিন্তু ১৯৭৬ চনতহে মূৰ্ত্তিটো সাজিবলৈ চুক্তি স্বাক্ষৰিত কৰা হয়।

(খ) ১৯৭৬ চনৰ চুক্তিমতে মূৰ্ত্তিটো নিৰ্মাণৰ খৰছ আছিল ৩,২৫,০০০৲০০ (তিনিলাখ পচিশ) হাজাৰ টকা। বৰ্ত্তমানে খৰছ হব ৮,০০,০০০৲০০ (আঠ লাখ) টকা। এতিয়ালৈকে ৬,৪০,০০০৲০০ (ছয় লাখ চল্লিচ) হাজাৰ টকা আগধন হিচাবে পৰিশোধ কৰা হৈছে।

(গ) নিৰ্মাণ এতিয়াও সম্পূৰ্ণ হোৱা নাই।

বিষয়ঃ বানপানীত ক্ষতিগ্ৰস্ত নগৰ

কুমাৰ দীপক দাসে সুধিছেঃ

৭৮৪। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) যোৱা বানপানীত কোন কোন নগৰ ক্ষতিগ্ৰস্ত হৈছিল?

খ) হাউলী আৰু বৰপেটা চহৰ এই বানপানীত ক্ষতিগ্ৰস্ত হোৱা কথাটো চৰকাৰৰ অৱগতনে?

(গ) বানপানীত ক্ষতি হোৱা নগৰ অঞ্চল সমূহত মেৰামতি কৰাৰ বাবে কিমান ধন আবণ্টন কৰা হৈছিল?

শ্ৰীচহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) যোৱা বানপানীত প্ৰায়বোৰ পৌৰ সভা/নগৰ সমিতি ক্ষতিগ্ৰস্ত হৈছিল।

ক্ষতিগ্ৰস্ত হোৱা বোৰৰ লিষ্ট এখন সদনৰ মজিয়াত ৰখা হ'ল।

খ) হয়।

গ) যোৱা বানপানীত ক্ষতিগ্ৰস্ত হোৱা পৌৰ সভা/নগৰ সমিতি সমূহ মেৰামতি কৰাৰ বাবে পৌৰ প্ৰশাসন বিভাগৰ পৰা কোনো ধন আবণ্টন কৰা হোৱা নাই।

বিষয়ঃ তিনিচুকীয়া মহকুমা।

শ্ৰীভবেন বৰুৱাই সুধিছেঃ

৭৮৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) তিনিচুকীয়া মহকুমাক তিনিচুকীয়া জিলালৈ উন্নিত কৰাৰ প্ৰস্তাৱটো বৰ্ত্তমান কেনে অৱস্থাত আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) মহোদয়ে উত্তৰ দিছেঃ

(ক) প্ৰস্তাৱটো বৰ্ত্তমানে পৰীক্ষাধীন হৈ আছে।

**Re : Persons alloted Khas Land**

Shri A. F. Golam Osmani, asked :

786. Will the Minister, Revenue be pleased to state :

(a) Number of landless persons alloted Khas land in Barpeta District in last (5) years ?

(b) Who are the persons alloted land in and around (within 3 K. M.) of Barpeta Town in this period ?

(c) Who are the landless persons alloted lands in Ruposi Block under Barpeta District in 1985-86, 1986-87 and 1987-88 ?

(d) Who are the landless persons alloted land in Mandia Block ?

Shri Thaneswar Boro (Minister, Revenue) replied :

Informations in this connection have been called for from Deputy Commissioner, Barpeta but not yet received. Reply may be given on receipt of Informations from the D. C., Barpeta.

**Re : Wards under Karimganj Municipality**

Shri Muqtadir Choudhury asked :

787. Will the Chief Minister be pleased to state :

(a) The number of Wards under Karimganj Municipality, are yet to be covered by F.L.S. system ?

(b) Is it a fact that Ward No. 13, Ward No. 14, Ward No. 1, Ward No. 2 and several other wards under Karimganj Municipal area have not yet been covered by F.L.S. system ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কৰিমগঞ্জ পৌৰ সভাৰ অন্তৰ্ভূক্ত মুঠ ৯ টা ৱাৰ্ড এৰিয়াৰৈকে এফ, এল, এচৰ দ্বাৰা সামৰি লবলৈ বাকী আছে।

(খ) হয়, এইটো সত্য।

RE : HAILAKANDI SUB-DIVISION

Shri Remendra De asked :

788. Will the Chief Minister be pleased to state :

Whether it is a fact that the Hailakandi Sub-Division will be upgraded to a District ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) মহোদয়ে উত্তৰ দিছে :

হাইলাকান্দি মহকুমাক জিলালৈ ৰূপান্তৰ কৰণৰ বিষয়টো পৰীক্ষাধীন হৈ আছে।

বিষয় : বানপানীৰ সাহায্য

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

৭৮৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ১৯৮৭ চনত অসমৰ বানপানীৰ সাহায্যৰ বাবে মহকুমা ভিত্তিত কিমান টকা ব্যয় কৰা হৈছিল ?

(খ) ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিত মুঠ কিমান টকা ব্যয় কৰা হৈছিল ?

(গ) ১৯৮৭ চনত অসমৰ কেইটামান মহকুমাক বান প্ৰপীড়িত মহকুমা হিচাবে স্বীকৃতি দি চৰকাৰে উক্ত মহকুমা কেইটালৈ কিছুমান বিশেষ সুবিধা দিয়াছেনে সত্যনে ?

(ঘ) যদি সত্য, কোন কোন মহকুমাক দিয়া হৈছে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ ও পুনঃ সংস্থাপন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সৰ্বমুঠ ৫,৫৭,৩৭,৩৬২ টকা ব্যয় কৰা হৈছে।

(খ) মুঠ ১,১৪,৫০০ টকা মৰাণ সমষ্টিত ব্যয় কৰা হৈছে।

(গ) নহয়।

(ঘ) প্ৰশ্ন নুঠে।

RE : KALAIGAON SEVA ASHRAM

Shri Silvius Condpan, asked :

790. Will the Minister, Revenue be pleased to state :

(a) How much land has been alloted to Kalaigaon Seva Ashram ?

(b) Whether this Seva Ashram is functioning with its definits purpose for which the Government had alloted land ?

(c) What are the schemes this Seva Ashram is implementing ?

Shri Thaneswar Boro (Minister, Revenue) replied :

It is regreted that the replies could not be made for non-receipt of material information form the D. C., Darrang inspite of the reminder issued. However, it is assured that the reply will be made available to the honourable member on receipt of the informations from the D.C.

বিষয় ঃ কৰ্মচাৰীৰ দৰমহা

শ্ৰীবক্লেশ্বৰ সৰকাৰে সুধিছে ঃ

৭৯১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ কৰ্মচাৰী সকলক কেন্দ্ৰীয় চৰকাৰ বা অইন অইন প্ৰাদেশিক চৰকাৰৰ কৰ্মচাৰীতকৈ কিয় কম দৰমহা দিয়া হয় ?

(খ) চৰকাৰে অতি সোনকালে উক্ত কৰ্মচাৰী সকলক কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ দৰমহা অনুযায়ী দৰমহা দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ দৰমহা গাঠনি ৰাজ্যখনৰ ৰাজহৰ অৱস্থা, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যসূচী, পদবীৰ বাবে নিৰ্ধাৰিত শিক্ষাগত অৰ্হতা, কৰ্তব্য আৰু দায়িত্ব, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ সমূহৰ তুলনামূলক পদসমূহৰ দৰমহা গাঠনি ইত্যাদি বিষয় বিবেচনা কৰি প্ৰস্তুত কৰা হয়। এই তথ্যসমূহ বিভিন্ন ৰাজ্যৰ ক্ষেত্ৰত একে নোহোৱা বাবে কৰ্মচাৰী সকলৰ দৰমহাৰ গাঠনিতো তাৰতম্য থাকে।

(খ) চৰকাৰী কৰ্মচাৰী সকলৰ দৰমহা সংশোধন আৰু অন্যান্য সা-সুবিধাবোৰ পৰীক্ষা কৰিবৰ বাবে এখন নতুন দৰমহা আয়োগ গঠন কৰাৰ সিদ্ধান্ত ইতিমধ্যে লোৱা হৈছে। উক্ত দৰমহা আয়োগে এই বিষয়টো বিবেচনা কৰি চাব।

## Re : Creation of Sub-Division.

Shri Karnendu Bhattacharjee, asked :

792. Will the Chief Minister be pleased to state :

(a) Is it a fact that the Government of Assam has decided to set up 12 new Subdivisions in the State and Ramkrishna Nagar was one of them ?

(b) If so, whether the Government of India has released a sum of Rs. 4.7 Crores for the creation of new Subdivision during the 7th Finance Commission ?

(c) Whether Government will set up the new Subdivision at Ramkrishna-nagar with Headquarter at Ramkrishnanagar ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) মহোদয়ে উত্তৰ দিছে :

(ক) হয়।

(খ) নাই।

(গ) বিবেচনাধীন হৈ আছে।

## Re : G. P. F. Accounts.

Shri Altaf Hossain Mazumdar, asked :

793 Will the Chief Minister be pleased to state :

(a) Whether it is a fact that the G. P. F. Accounts of the State Government employees are in doldrums ?

(b) Is it a fact that the Accountant General, Assam is not furnishing the G. P. F. statements since 1985-86 ?

(c) If so, the steps taken by the Government to furnish the up-to-date and correct statements of G. P. F. Accounts to the Government employees ?

(d) Whether Government is aware that the statements of G. P. F. Accounts are prepared through Computorised system for which huge anomalies in G. P. F. Accounts are taking place ?

(e) Whether this Computorised system is used only for the State Government employees or for employes of Central Government including offices of I. A. S. cadre ?

Shri Prafulla Kumar Mahanta ( Chief Minister, ) replied :

(a) The G. P. F Accounts of the State Government employees are maintained by the Accountant General. It is a fact that the finalisation of Accounts relating to the year 1985-86 and onwards has been delayed due to computerisation.

(b) Most of the G. P. F. Statement of Accounts relating to the year 1985-86 have since been despatched by the

Accountant General, Assam.

(c) The Government have been vigorously following up the matter with the Accountant General and the Accounts for the year 1986-87 and 1987-88 are expected to be finalised speedily.

(d) The transition from manual accounting to computerisation has created initial problems. These are expected to be overcome in the coming years.

(e) The computerisation has been adopted for all the State Government employees except All India Service Officers whose number is small. Accounts of Central Government employees are not mantained by the Accountant General, Assam.

**Re : Mini Cement Plant**

Shri Ardhendu Kr. Dey asked :

794. Will the Minister, Environment be pleased to state :

(a) Whether it is within the knowledge of the Government that a mini Cement plant named Udayan Cement Pvt. is going to be constructed in the Bamongaon under Lanka Block ?

(b) Whether it is also within the knowledge of the Government that the proposed Cement plant is surrounded by the villages who are cultivator and there is a vast area of agriculture land surrounding it ?

(c) If so, whether the plant will Pollute the surrounding villages and the agricultural land ?

শ্ৰীবৃন্দাবন গোস্বামী (বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(a) হয়।

(b) এই চিমেণ্ট কাৰখানাটোৰ উত্তৰ, উত্তৰ-পূব, উত্তৰ-পশ্চিম আৰু দক্ষিণ দিশত গাওঁৰ অৱস্থিতিৰ কথা আৰু উত্তৰ দিশত খেতি মাটি থকাৰ কথা অসম প্ৰদুষণ নিয়ন্ত্ৰণ পৰিষদৰ দৃষ্টি গোচৰ হৈছে ।

(c) অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তৰফৰ পৰা কাৰখানাটোক অনুমতি পত্ৰ প্ৰদান কৰা হোৱা নাই আৰু অনুমতি পত্ৰ প্ৰদান কৰোতে কাৰখানাৰ পৰা উৎপন্ন হোৱা SMP ( Suspended Particulate Matter ) কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে বান্ধি দিয়া সহন সীমাৰ ভিতৰত ৰাখিহে নিৰ্গত কৰিবৰ বাবে নিৰ্দ্দেশ দিয়া হব আৰু SPM সহন সীমাৰ ভিতৰত ৰাখিলে ওচৰৰ খেতি পথাৰ আৰু গাওঁত প্ৰদূষণ হোৱাৰ সম্ভাৱনা নাই ।

**Re : Definition of "থলুৱা"**

Shri Maziruddin Ahmed asked :

795. Will the Chief Minister be pleased to state :

(a) The proper defination of the word "থলুৱা" as occured in 14 point programme of the A. G. P. Government ?

(b) Whether Indian Citizens permanently settled in Assam will be called "থলুৱা" ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

(a) অসম গণপৰিষদ চৰকাৰৰ ১৪ দফীয়া কাৰ্য্যসূচীত 'থলুৱা' শব্দটোৰ সংজ্ঞা দিয়া হোৱা নাই । কিন্তু 'থলুৱা কৃষক' শব্দটোৰ সংজ্ঞা ইতিমধ্যে The Assam ( Prohibition of Transfer of Agricultural land to Non-Agriculturist ) Bill, 1987 ( passed by the Assam Assembly now waiting for President's assent to become an Act ).

অনুচ্ছেদ ২ (d) তলত দিয়া ধৰণেৰে দিয়া হৈছে ।

২ (d) থলুৱা কৃষক মানে :—

(১) যিজন খেতিয়ক ভাৰতীয় নাগৰিক আৰু অসমত অন্ততঃ কমেও ২০ বছৰ একে লেঠাৰীয়ে বসবাস কৰি আছে, আৰু

(২) যিজন কৃষকৰ অসমৰ চাৰি সীমাৰ বাহিৰত কোনো ঘৰ-বাৰী থাকিব নালাগিব বা তেওঁৰ পৰিয়ালবৰ্গৰ সম্পূৰ্ণ বা আংশিক হলেও থাকিব নালাগিব, আৰু

(৩) যিজনে অসমৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক উন্নয়নৰ কাৰণে বৰঙণি যোগাইছে।

( b ) 'a' ত উল্লেখ কৰা ধৰণেৰে।

**Re : Construction of Sub-Division.**

Shri Masiruddin Shaik, asked :

796. Will the Chief Minister be pleased to State :

(a) That though South Salmara-Mankachar Sub-Division had created in 1983, why the construction works of the office building were not started yet at its Sadar place Hatsingimari ?

(b) At what time, the Government will complete the construction work of those office buildings ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) দক্ষিণ শালমাৰা-মানকাচাৰ মহকুমাৰ সদৰ স্থানৰ বাবে সৃষ্টি হোৱা বিবাদৰ কাৰণে মহকুমাৰ সদৰ হাটশিঙ্গিমাৰিত স্থায়ী প্ৰশাসনীয় আৰু বাস-ভৱন নিৰ্মাণৰ ক্ষেত্ৰত পলম হয়।

(খ) সদৰ স্থানৰ বিবাদ নিষ্পত্তিৰ পিচত গড়কাপ্তানী বিভাগৰ মুখ্য অভিযন্তাক মহকুমাধিপতিৰ প্ৰশাসনীয় আৰু বাসভৱন নিৰ্মাণৰ পৰিকল্পনা আৰু আনুমানিক হিচাব হাটশিঙ্গিমাৰিৰ মাষ্টাৰ প্লেন সহ দাখিল কৰিবলৈ কোৱা হৈছে। উক্ত তথ্যপাতি পোৱাৰ পিচত মহকুমাধিপতিৰ কাৰ্য্যালয় ও বাস ভৱন নিৰ্মাণৰ ব্যৱস্থা হাতত লোৱা হব।

**বিষয় : নিৰ্বাচনী বিভাগৰ বিষয়া।**

শ্ৰীকেশৰাম বৰাই সুধিছে :

৭৯৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) লক্ষীমপুৰ জিলাৰ নিৰ্বাচনী বিষয়াৰ দায়িত্বত থকা বিষয়াজন কিমান বছৰ লক্ষীমপুৰ জিলাতে কৰ্মৰত অৱস্থাত আছে ?

(খ) উক্ত বিষয়াজনৰ বদলিৰ নিৰ্দেশ হোৱাৰ পাছতো যাবলৈ ইচ্ছা নকৰা কথাটোৰ বিষয়ে চৰকাৰ অৱগত নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে মহোদয়ে উত্তৰ দিছে :

(ক) ১৯৭৮ চনৰ নৱেম্বৰ মাহৰ পৰা ।

(খ) অৱগত নহয় ।

বিষয় : শ্বহীদ কুশল কোঁৱৰৰ পৰিয়ালৰ সাহায্য

শ্ৰীবিনোদ গোৱালাই, সুধিছে :

৭৯৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শ্বহীদ কুশল কোঁৱৰৰ পৰিয়ালবৰ্গক চৰকাৰে কি সুবিধা দিছে আৰু কি কি দিয়াৰ আঁচনি লৈছে ?

(খ) যদি লোৱা নাই, কুশল কোঁৱৰৰ পৰিয়ালবৰ্গৰ লোকক বিশেষ সুবিধা দিয়াৰ ব্যৱস্থা লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) শ্বহীদ কুশল কোঁৱৰৰ জেষ্ঠ পুত্ৰ শ্ৰীখগেন কোঁৱৰে মাহে ৫০০.০০ ( পাঁচ শ ) টকা হিচাপে ৰাজ্যিক মুক্তি যুঁজাৰুৰ পেন্সন পায় আছে । শ্বহীদ কুশল কোঁৱৰৰ দ্বিতীয় পুত্ৰ স্বৰ্গীয় নগেন কোঁৱৰৰ পৰিয়ালৰ বাবে গৃহ নিৰ্মাণৰ বাবদ চৰকাৰে ১৮,০০০.০০ ( ওঠৰ হাজাৰ ) টকাৰ এককালীন ( ex-gratia ) অনুদান মঞ্জুৰ কৰিছে। অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদে উক্ত টকাৰে শ্বহীদ কুশল কোঁৱৰৰ মাটিত ঘৰ সাজিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে ।

(খ) বিষয়টো বিবেচনা কৰা হ'ব ।

বিষয় : মেৰাপানীৰ সংঘৰ্ষ

শ্ৰীদেবেশ্বৰ বৰাই, সুধিছে :

৭৯৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৫ চনৰ ৪ জুন তাৰিখে অসম নগাৰাজ্য সীমান্তবৰ্ত্তী এলেকা মেৰাপানীত সংঘটিত হোৱা নগা অসম পুলিচৰ সংঘৰ্ষৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে যি শাস্ত্ৰী আয়োগ গঠন কৰিছিল তাৰ প্ৰতিবেদন অসম চৰকাৰে পাইছেনে ?

(খ) যদি পাইছে, ইয়াৰ ওপৰত অসম চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(গ) শাস্ত্ৰী আয়োগৰ প্ৰতিবেদনৰ পৰামৰ্শ অসম চৰকাৰে কিমান দূৰ কাৰ্য্যকৰী কৰিছে ?

(ঘ) সদনত এই বিষয়ে চৰকাৰে জ্ঞাত কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, পাইছে।

(খ) প্ৰতিবেদনখন পৰীক্ষা কৰি যথা বিহীত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ব্যৱস্থা কৰি থকা হৈছে। ইতিমধ্যে ৰাজ্য চৰকাৰে এই সম্পৰ্কে কিছুমান স্পষ্টীকৰণ বিচাৰি কেন্দ্ৰীয় চৰকাৰলৈ লিখিছে।

(গ) 'খ' অংশৰ উত্তৰত উল্লেখ কৰা পৰীক্ষাৰ ওপৰত পৰামৰ্শৱলী কাৰ্য্যকৰী কৰা প্ৰশ্ন নিৰ্ভৰ কৰিছে।

(ঘ) যথা সময়ত চৰকাৰে শাস্ত্ৰী আয়োগৰ পৰামৰ্শৱলী আৰু ৰাজ্য চৰকাৰৰ সিদ্ধান্ত সমূহ সদনক অৱগত কৰিব।

বিষয় ঃ মহকুমা জিলালৈ ৰূপান্তৰ

শ্ৰীহৰেন্দ্ৰ বৰাই সুধিছে ঃ

৮০০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন মহকুমাক জিলালৈ উন্নিত কৰিবলৈ আঁচনি লৈছে জনাবনে ?

(খ) এই আঁচনিত মৰিগাওঁ মহকুমাটো আছেনে ?

(গ) যদিহে নাই, ৰাইজৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি উক্ত মহকুমাক জিলালৈ উন্নিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী মহোদয়ে) উত্তৰ দিছে ঃ

(ক) আৰ্থিক অৱস্থা আৰু লাগতিয়াল কৰ্মচাৰী আদি পোৱাৰ সাপেক্ষে চৰকাৰে ২২/১২/৮৭ তাৰিখৰ মন্ত্ৰী মণ্ডলীৰ সভাত সকলোবোৰ মহকুমাকে পৰ্য্যায়ক্ৰমে জিলালৈ উন্নীতকৰণ কৰাৰ সিদ্ধান্ত লয়।

(খ) হয় আছে।

(গ) ওপৰৰ (খ) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

**Re : Integration Council.**

Shri Amrit Lal Basumatari asked :

801. Will the Chief Minister be pleased to state :

(a) Whether the Integration Council is still functioning ?

(b) If so, the activities and achievement so far of the

Integration Council ?

(c) Whether Government proposes to reconstitute it with the representatives of the various section of the people ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক), (খ) আৰু (গ) অসম ৰাজ্যিক সংহতি পৰিষদৰ পুনৰ গঠনৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে। সদ্যহতে সেই কাৰণে পৰিষদৰ কাম স্থগিত আছে।

বিষয় ঃ কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰী

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

৮০২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৭-৮৮ চনত হোৱা বানপানীৰ বাবে ক্ষতি পূৰণৰ হেতু কেন্দ্ৰীয় চৰকাৰে সৰ্ব্বমুঠ কিমান টকা মঞ্জুৰী দিলে ?

(খ) উক্ত সমুদায় টকা কি দৰে ব্যৱহৃত হ'ল ?

(গ) দৰং জিলাত উক্ত বছৰটোত সৰ্ব্বমুঠ কেইটা বানপানী হৈছিল আৰু বিভিন্ন বিভাগত ইয়াৰ ক্ষতি। পৰিমাণ দেখুৱাবনে ?

(ঘ) বানপানীত হোৱা ক্ষতিৰ বাবে ক্ষতিপূৰণ কৰিবলৈ দৰং জিলাত বিভিন্ন বিভাগত কিমান টকা দিয়া হ'ল ?

(ঙ) ছিপাঝাৰ সমষ্টিত Flood Damage Repair ৰ বাবে সৰ্বমুঠ কিমান টকা সংশ্লিষ্ট বিভাগ সমূহে বিচাৰিছিল আৰু কিমান টকা মঞ্জুৰী দিয়া হব ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭-৮৮ চনৰ বাবে কেন্দ্ৰীয় চৰকাৰে বানপানী আদিৰ ক্ষতিৰ সাহায্য পুনৰ সংস্থাপন ইত্যাদিৰ শিতানত ব্যয়ৰ সৰ্ব্বোচ্চ সীমা ৬২·৫০ কোটি টকা ধাৰ্য্য কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ অংশৰ ৪৫·০৫৫ কোটি টকাৰ এভিয়া-লৈকে ৩১·১২৫ কোটি টকা পোৱা হৈছে বাকী ১৩·৯৩ কোটি টকা পাবলৈ বাকী আছে।

(খ) উক্ত সমুদায় টকা নিম্ন উল্লেখিত খতিয়ন মতে ব্যয় কৰা হৈছে।

জিলা প্ৰশাসনৰ জৰিয়তে—

| | | |
|---|---|---|
| ১। | তৎকালীন সাহাৰ্য্যত | ১,৬৬,০১,৩৬২.২২ |
| ২। | পুনৰ সংস্থাপনত | ৩,৮৬,০০,০০০.০০ |
| ৩। | এককালীন সাহাৰ্য্যত | ৫,৩৬,০০০.০০ |
| ৪। | বীজ মঞ্জুৰীত | ৭৫,০০,০০০.০০ |
| | মুঠ | ৬,৩২,৩৭,৩৬২.২২ |

বান সাহায্য শিতানত বিভিন্ন

| | |
|---|---|
| বিভাগত মুঠ | ৫৬,২৮,৯১,৭০৮.০০ |
| সৰ্ব্বমুঠ | ৬২,৬১,২৯,০৭০.২২ |

(গ) উক্ত বছৰটোত সৰ্ব্বমুঠ পাচটা বানপানী হৈছিল। বিভিন্ন বিভাগত হোৱা ক্ষতিৰ বিতং তথ্য আৰু পৰিমাণ সংগ্ৰহ কৰি থকা হৈছে।

(ঘ) আৰু (ঙ) বিতং তথ্য বিভিন্ন বিভাগৰ পৰা বিচৰা হৈছে।

## বিষয় ঃ ধেমাজী মহকুমাৰ মাটি

শ্ৰীদিলীপ কুমাৰ শইকীয়া মহোদয়ে সুধিছে ঃ

৮০৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধেমাজী মহকুমাৰ জৰীপ হোৱা গাওঁ সমূহত কিমান তৌজি বাহিৰা মাটি আছে?

(খ) এই কথা সঁচা নে যে, উক্ত মাটি সমূহ যুগ যুগ ধৰি খিলঞ্জীয়া অসমীয়া মানুহৰ দখলত থকা স্বত্তেও বন্দবস্তি দিয়া হোৱা নাই?

(গ) যদি সঁচা, তেন্তে সেইবোৰ মাটি বন্দবস্তি দিয়াৰ বাবে চৰকাৰে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থাৰে এই খিলঞ্জীয়া মানুহ খিনিক পট্টা দিবনে?

(ঘ) ধেমাজী নগৰত কিমান মাটি একচনা, তৌজি, বাহিৰা পট্টাৰ অন্তৰ্গত? (প্ৰত্যেক শ্ৰেণীৰ বেলেগে দেখুৱাব)

(ঙ) উক্ত একচনা আৰু তৌজি বাহিৰা মাটিখিনি বিশেষ ব্যৱস্থা লৈ ম্যাদি কৰাৰ ব্যৱস্থা চৰকাৰে লব নে?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধেমাজী মহকুমাৰ জৰীপ হোৱা গাওঁ সমূহত মুঠ ৩,০২,৮৫০ বিঘা ২ কথা ৭ লেচা তৌজী বাহিৰা মাটি আছে।

(খ) নহয়। ১৬১ বিঘা তৌজি বাহিৰা মাটি ২৭ জন খিলঞ্জীয়া অসমীয়া মানুহক দখল মতে আৰু মাটি পট্টনৰ নীতি মতে ১৯৮৭ ইং চনৰ পৰা বৰ্ত্তমানলৈকে বন্দবস্তী দিয়া হৈছে।

(গ) যিসকল ভূমিহীন খিলঞ্জীয়া অসমীয়া লোক বহুদিনৰ পৰা সাধাৰণ চৰকাৰী মাটি দখল কৰি আছে সেই সকলৰ ক্ষেত্ৰত অনুসন্ধান ক্ৰমে ভূমি নীতিমতে চৰকাৰী মাটি বন্দবস্তী দিয়াৰ বাবে উপায়ুক্তই ব্যৱস্থা লৈ আছে।

(ঘ) ধেমাজী নগৰত (১) ম্যাদী পট্টাৰ মাটি ১০৯৩ বিঘা ২ কঠা ৪ লেচা,

(২) একচনা পট্টাৰ মাটি ৪৩০ বিঘা ৪ কঠা ১০ লেচা আৰু

(৩) তৌজি বাহিৰা মাটি ৪৬ বিঘা ২ কঠা ১৭ লেচা আছে।

(ঙ) একচনা পট্টাৰ পট্টাদাৰৰ পৰা আবেদন পত্ৰ পোৱাৰ পাচত তদন্ত ক্ৰমে চহৰৰ মাটি ম্যাদী কৰাৰ বাবে বিধিমতে ব্যৱস্থা লৈ থকা হৈছে।

**Re : Office Building of Char Areas Development**

Shri Abdul Jabbar asked :

**804.** Will the Chief Minister be pleased to state :

(a) When the construction of office Buildings of Char Areas Development at Shyamper is going to be started?

(b) Why the construction work could not be started so long?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) বিষয়টো চৰকাৰৰ সক্ৰিয় বিবেচনাধীন হৈ আছে।

(খ) সকলো কেইটা চৰ উন্নয়ন সেৱা কেন্দ্ৰৰ কাৰ্য্যালয় গৃহ ও গুদাম আদি নিৰ্ম্মানৰ সংক্ৰান্তত আঁচনি আৰু প্ৰাককলন প্ৰস্তুত সম্পৰ্কত গড়কাপ্তানী (গৃহ) বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। এই কাম সম্পূৰ্ণ হলে পৰ্য্যায় ক্ৰমে পুঁজি সাপেক্ষে নিৰ্ম্মানৰ কাম হাতত লোৱা হব।

**Re : 15 Points Directions.**

Shri Ardhendu Kumar Dey asked :

**805.** Will the Chief Minister be pleased to state :

(a) Whether it is within the knowledge of the Government about the 15 Points Directions from the then Prime Minister of India late Mrs. Indira Gandhi for the Wel-

fare of the Minorities ?

(b) Whether it is within the Knowledge of the Government about a point of direction that special consideration to minorities in recruitment to state police to be done ?

(c) Whether policy has been followed by the present Government while recruiting minorities in police Department ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) হয়।

(গ) এই নীতি মানিবলৈ যথাসম্ভৱ চেষ্টা কৰা হয়।

## Voting On Demands For Grants

মাননীয় অধ্যক্ষ : এতিয়া ২ নং কাৰ্য্যসূচী। কৃষি মঞ্জুৰীৰ ওপৰত আলোচনা হব। বিতৰ্কৰ উত্তৰ মন্ত্ৰী মহোদয়ে ১ বজাত দিব লাগিব। এতিয়া শ্ৰীআমিনুল ইচলাম।

শ্ৰীআমিনুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি কব বিচাৰিছো অসম এখন কৃষি প্ৰধান দেশ। অসমৰ অৰ্থনীতি কৃষি ভিত্তিক। শতকৰা ৮৫ জন অসমীয়া মানুহে কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰি আছে। অথচ কৃষি উন্নয়নৰ ক্ষেত্ৰত কৃষি বিভাগক চৰকাৰৰ তৰফৰ পৰা সুদীৰ্ঘ ৩৬ বছৰে যি ধৰণৰ গুৰুত্ব পাব লাগিছিল সেই ধৰণে গুৰুত্ব পোৱা নাই। আজিও অসমত পুৰণা প্ৰথাই চলি আছে। অধ্যক্ষ মহোদয়, মোৰ আজিৰ বক্তব্যত কেইটামান প্ৰশ্ন কৃষি মন্ত্ৰী, অসম চৰকাৰ আৰু কৃষি বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মোৰ প্ৰশ্ন কেইটা হ'ল (১) অসমৰ কৃষি বিভাগটোৰ লগত কৃষক ৰাইজৰ সম্পৰ্ক কি ? (২) আজিও অসমত মধ্যযুগীয়া কৃষি প্ৰথা চলি থকাৰ বাবে

*Speech not corrected.

দায়ী কোন ? (৩) কৃষি বিভাগটোৰ জলসিঞ্চন বিভাগৰ সৈতে সম্পৰ্ক কি ? (৪) উৎপাদিত কৃষি সামগ্ৰী উচিত মূল্যত বিক্ৰীৰ ক্ষেত্ৰত কৃষক সৈতে সমাজ আজি বিপদগ্ৰস্ত কিয় ? (৫) কৃষক সকলক কম হাড় সুদত কৃষি ঋণ দিয়াৰ বাবে যথোপযুক্ত কৃষি বেংকৰ ব্যৱস্থা নাই কিয় ?

মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন কেইটাৰ সন্দৰ্ভত কব খুজিছো অসমত কৃষি বিভাগ বুলি যে এটা বিভাগ আছে এই বিভাগ সম্পৰ্কে সচাকৈ আমাৰ কৃষক ৰাইজ সচেতন নহয়। মই মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা কব খুজিছো আমাৰ সৰ্ব্বসাধাৰণ কৃষক ৰাইজ সামগ্ৰিকভাৱে এই বিভাগৰ প্ৰতি সচেতন নহয়। মই ভাবো ইয়াৰ মূল কাৰণ হৈছে কৃষি বিভাগৰ যিবিলাক কৰ্মচাৰী আছে যি সকলে কৃষি বিভাগত কাম কৰে তেওঁলোকে কৃষক ৰাইজক যি ধৰণে আকৰ্ষণ কৰিব লাগিছিল সেই ধৰণে কৰিব পৰা নাই। এই বিভাগৰ যিবিলাক কৃষি সম্প্ৰসাৰণ বিষয়া বা মহকুমা কৃষি বিষয়া বা জিলা কৃষি বিষয়া বা বৰমূৰীয়া বিষয়া আছে তেওঁলোকে কৃষক ৰাইজৰ লগত কোনো সম্পৰ্ক ৰখা নাই। কৃষি বিভাগৰ যিবিলাক কৰ্মচাৰী আৰু যিসকলে কৃষি কাৰ্য্য কৰে তেওঁলোকৰ মাজত সামঞ্জস্য নাই। অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ যিবিলাক জিলা কৃষি বিষয়া বা মহকুমা কৃষি বিষয়াৰ কাৰ্য্যালয় এই কাৰ্য্যালয় সমূহ কৃষক সমাজৰ পৰা বহুত আতৰত থাকে, কৃষক সমাজৰ লগত তেওঁলোকৰ যোগাযোগ নাই। এই কাৰ্য্যালয় সমূহৰ যোগাযোগ থাকে ঠিকাদাৰ সকলৰ, ঠিকাদাৰ সকলহে এই কাৰ্য্যালয়লৈ অহা যোৱা কৰে বীজ, ৰেহাই মূল্যৰ সাৰৰ দোকান ইত্যাদি কাৰণতে ঠিকাদাৰ সকল বহী থাকে। গতিকে দেখা যায় জিলা বিষয়া বা মহকুমা বিষয়া সকল ৰাইজৰ উপকাৰৰ অৰ্থে হোৱা নাই। অধ্যক্ষ মহোদয়, আজি কৃষি উৎপাদনত এটা স্থবিৰ অৱস্থাৰ সৃষ্টি হৈছে। কৃষি উৎপাদনৰ কাৰণে কৃষি বিভাগে কৃষকক যি ধৰণে প্ৰেৰণা যোগাব লাগিছিল তেনে প্ৰেৰণা যোগোৱা নাই। কৃষকৰ স্বাৰ্থত কৃষি বিভাগে বা চৰকাৰৰ যি দৃষ্টিভঙ্গীৰ প্ৰয়োজন তেনে দৃষ্টিভঙ্গী বা নীতি নিয়মৰ অভাৱ হৈছে। অধ্যক্ষ মহোদয়, অধিক উৎপাদনক্ষম বৰ্তমান যুগত পৃথিৱীৰ বহু দেশ বা ভাৰতবৰ্ষৰ বহুত ৰাজ্যত প্ৰযোজ্য কৰা হৈছে। যিবিলাক হাইইল্ডিং ভেৰাইটিজৰ বীজ আছে সেইবিলাক কাগজে পত্ৰে মাত্ৰ আছে, প্ৰকৃত কামত অহা নাই। ৰেহাই মূল্যও সাৰৰ কথা আমাৰ খেতিয়ক ৰাইজে শুনিবলৈহে পাইছে, ৰেহাই মূল্যত

কিন্তু কৃষকে পোৱা নাই। যিবিলাক বীজ বা সাৰ সেই বিলাক ৰাইজৰ পৰা গোপন কৰি ৰখা হয় যাতে সেই বিলাকৰ পৰা কলা বেপাৰীয়ে দূর্নীতি কৰিব পাৰে আৰু মাত্ৰ তেওঁলোকহে লাভবান হব পাৰে। আজি সচাকৈ কৃষক ৰাইজৰ অৰ্থনীতি টনকিয়াল কৰিব পৰা নাই তাৰ কাৰণে বিভাগ আগ্ৰহী হোৱাও দেখা নাই আৰু কৃষিৰ উন্নতিৰ কাৰণে যথোপযুক্ত ব্যৱস্থাও লোৱা নাই। গতিকে মই অনুৰোধ কৰিব বিচাৰিছো যাতে চৰকাৰে কৃষকৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ চেষ্টা কৰে। অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় প্ৰশ্নটোৰ সন্দৰ্ভত কব বিচাৰিছো অধিক উৎপাদনক্ষম খেতিৰ ওপৰত ভাৰতবৰ্ষৰ বহুত ৰাজ্যই ইতিমধ্যে বহুত আগবাঢ়ি গৈছে। পঞ্জাব, হাৰিয়ানা উত্তৰ প্ৰদেশৰ ঠাই বিশেষে আনকি ৰাজস্থানৰ নিচিনা ঠাইত খেতিয়কে সেউজ বিপ্লবৰ কথা চিন্তা কৰিছে কিন্তু অসমখনত ইমান ভাল জলবায়ু থকা স্বত্বেও কৃষিৰ কোনো পৰিবৰ্তন আনিব পৰা নাই।

অধ্যক্ষ মহোদয়, সেই কাৰণেই মই ভাবিছো অন্যান্য ৰাজ্যৰ কৃষি বিভাগবোৰে যি ধৰণে দায়িত্ব পালন কৰি আহিছে আমাৰ অসমৰ কৃষি বিভাগে সেই ধৰণে পালন কৰা নাই। সেই ক্ষেত্ৰত চৰকাৰে বাস্তৱিক কোনো নীতিৰ দ্বাৰা কৃষি বিভাগক কাম কৰিবলৈ বাধ্য কৰাব পৰাও নাই। অসমত সেউজ বিপ্লৱ আনিবৰ কাৰণে কি কি কৰিব লাগিব সেই বিষয়ে কোনো বাস্তৱিক ধাৰণা এই বিভাগৰ নাই যেন আমাৰ অনুমান হৈছে। মই এই খিনিতে এটা কথা কব বিচাৰো যে যেতিয়ালৈকে চৰকাৰে এটা বাস্তৱ নীতিৰ দ্বাৰা পৰিচালিত নহয় তেতিয়ালৈকে কৃষক ৰাইজৰ উন্নতিৰ ক্ষেত্ৰত বা উৎপাদনৰ ক্ষেত্ৰত সামগ্ৰীকভাৱে একো কৰিব নোৱাৰে। আজি সকলো স্তৰতে কৃষি বিভাগৰ কৰ্মচাৰী সকলৰ গাফিলতি পৰিলক্ষিত হৈছে আৰু সেয়ে আমাৰ বিশ্বাস হৈছে যেন কৃষি বিভাগৰ এই কৰ্মচাৰী সকলৰ এই বিভাগটোৰ প্ৰতি কোনো দায়িত্ব নাই। অসমত কৃষি বিভাগৰ আৰ্থিক উন্নতিৰ উন্নয়নৰ কাৰণে কোনো নীতি নিৰ্ধাৰণ কৰা আমি দেখা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিতে এটা কথা কব খোজো যে কৃষক সকলে কোন সময়ত কি খেতি কৰিব, কি ধৰণে বীজ সিচিব লাগিব আৰু পোক পৰুৱাৰ কাৰণে কি ধৰণে ঔষধ আদি প্ৰয়োগ কৰিলে খেতিৰ উৎপাদন বৃদ্ধি হব, সেই উপদেশ বিলাক সময়মতে আমাৰ কৃষি বিভাগৰ কৰ্মচাৰী সকলে দিলে কৃষক

ৰাইজৰ উপকাৰ হব। আমাৰ গাওঁৰ ভিতৰুৱা অঞ্চলৰ ৰাইজে একো সুবিধা পোৱা নাই। গতিকে এইটো নিশ্চিত কৰিব লাগে যে চৰকাৰে এই বিভাগৰ কৰ্মচাৰী সকলক যি সকলে অকল ফাইলৰ কাম কৰে সেই সকলক কৃষক ৰাইজৰ ঘৰে ঘৰে গৈ কৃষক সকলক মটিভেটেড কৰিব লাগিব। কৃষিৰ প্ৰতি আগ্ৰহান্বিত কৰিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, আজি কৃষক ৰাইজ যি সমস্যাৰ সন্মুখীন হৈছে বিশেষকৈ সেইটো হৈছে জলসিঞ্চনৰ সমস্যা। জলসিঞ্চনৰ লগত কৃষি বিভাগৰ সম্বন্ধ আছে। কৃষি বিভাগ আৰু জলসিঞ্চন একে উদ্দেশ্য লৈয়ে গঠিত হৈছে। আজি কৃষি জগতত এটা নতুন দিগন্তৰ সৃষ্টি কৰিবলৈ আমি বিপ্লৱ আনিবলৈ হলে গতানুগতিক পদ্ধতিৰ পৰা আতৰি আহি বিজ্ঞান সন্মতভাৱে ব্যৱস্থা লবলৈ আমি আগবাঢ়ি আহিব লাগিব। কিন্তু অধ্যক্ষ মহোদয়, আমি দেখিছো এই বিভাগ দুটাৰ কাৰ্য্যকলাপ দুই মেৰুৰ পিনেহে গতি কৰিছে। আমি শুনিছো যে বিশেষ কিবা এটা খেতি কৰাৰ আগতে এটা অঞ্চলত জলসিঞ্চন বিভাগ আৰু কৃষি বিভাগে যৌথ জৰীপ কৰে। এইটো কৰি কৃষি বিভাগক জনাই দিয়া হয় যে বিশেষ এটা অঞ্চলত কি ধৰণৰ খেতি কৰিব পৰা যায়। তেতিয়া কৃষি বিভাগে সাৰ আৰু অধিক উৎপাদনক্ষম বীজ আদিৰ যোগান ধৰিব পাৰিব আৰু জলসিঞ্চন বিভাগে সেই মতে পানী যোগান ধৰিব। কিন্তু আচলতে কৃষক ৰাইজে বিশেষ খেতি কৰিবলৈ লৈ মাজ বাটতে দেখিবলৈ পাই যে সাৰ সময়মতে পোৱা নাযায়, উপযুক্ত বীজ পোৱা নাযায় আৰু পানীও সময় মতে যোগান ধৰিব পৰা নাযায়। এইবিলাক কাৰ্য্য আজি চলি আছে। গতিকে অধ্যক্ষ মহোদয়, মই কব খুজিছো যে প্ৰকৃতাৰ্থত এই বিভাগটোৱে যদি সঁচাকৈ ৰাইজক সহায় কৰিবলৈ ওলাইছে বা কৃষকৰ অৰ্থনীতিত সহায় কৰিবলৈ লৈছে তেনেহলে এই বিভাগৰ কৰ্মচাৰী সকল গাৱঁলৈ যাওক, আৰু কৃষক ৰাইজক বুজাৱকগৈ, তেওঁলোকক আন্তৰিকতাৰে সহায় কৰিবলৈ আগবাঢ়ি আহক। এইখিনিতে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, honourable Member Shri Binai Khungur Basumatary.

Shri Binai Khungur Basumatari : Hon'ble Mr. Speaker

Sir, in the Governor's address it was told that this is to be the year for agriculture but that statement of the Governor is not reflected in this budget speech at page 3. Sir, I failed to notice anything regarding "Year of Agriculture" in this budget speech at page-3. It is only a pessimistic reflection of the affairs in the agriculture of the State. Then Sir; when we go to the details of this budget even if this Government has declared this year as an year of Agriculture, if you compare the revised estimates of 1987-88 and the budget estimates of this year we will not find a noticeable increase in the allocations for this year. For instance, in the revised estimates of last year in the plan sector it was 30,50,02,000 and this year it is 31,41,15,00. Similarly, in non-plan it was 9,49,67,000. Now, it is only 10 crores 49 lakhs in the Sixth Schedule Area—it was 3 crores 60 lakhs and now it is 3 crores 90 lakhs this year. Similarly if we verify all the heads under 2401, 2402 etc, in all these heads we will find that the commitment to agriculture this year as a year of agriculture is not reflected. Sir, I want to refer in particular to allocation under Sub-head 108 which is earmarked for Commercial Crops. This year under Plan Sector in the General Plan areas 1 crore 87 lakhs is proposed to be allotted whereas it was 1 crore 83 lakhs this year. So, an increase of only 4 lakhs will be missed because of the increase in expenses of general maintenance of establishments from last year to this year. Therefore, it does not reflect that there is additional allocation for commercial crops this year which is going to be the year of Agriculture. Sir,

commercial crops of this state should have been given more impetus but as per this budget allocation we do not see anything. Similarly Sir, I wish to refer to Sub-head 195 Assistance to Farming Cooperatives:

This year in the general budget under Plan (General) only 28 lakhs has been provided whereas last year it was 20 lakhs. In the non-plan areas the allocation in this year is 18 lakhs as against 16 lakhs last year: In the Sixth Scheduled areas the allocation is 28 lakhs whereas it was 37 lakhs last year. Therefore, in the Sixth Scheduled areas there is a decrease to the tune of 9 lakhs in regard to the farming cooperatives. These are the main sectors for increasing the agricultural production of the State. We have also seen that in regard to the commercial crops the allocations do not reflect the policy of the Government. Similarly in regard to the farming cooperatives the total allocations this year comes to 17.7 lakhs whereas it was about 70 lakhs last year. Then again there is another problem about the farming cooperatives. We do not know the background of the farming cooperatives. In our area there is one farming cooperative whose members are farmers and they are not agriculturist. Only those rich farmers are getting money from the Farming Cooperatives and these people hardly remain there for one or two years and thereafter they change the ownership of the land. Therfore, I want to say that it is only the rich people who are getting the benefit from the Farming Cooperatives. When Government is providing so much money to the Farming Cooperatives

they must scrutinise the working of the cooperatives and to ensure that this investment by the Government brings in some benefit to the State exchequer. Lastly, I would like to deal with the Head 796-Tribal Areas Sub-Plan. Last year the total allocation under Revised Estimate was 4 crores 15 lakhs. But this year it has been increased to 4 crores 83 lakhs, that is as increase of about 68 lakhs. Sir, we do not know how this amount is going to be spent under Tribal Sub-Plan (At this stage Hon'ble Speaker left the Chamber and the Chairman occupied it) Mr. Chairman, Sir, In the agriculture Department most of the money is spent on a project called 'mini kit' and in this 'mini kit, there are provision for supplying agricultural implements to the cultivators, free of cost. The most important implements for the cultivators are the plough and the bullock. And, then comes the spade. Sir, if you purchase a Tata Spade which is considered to be the best from the open market it will cost you between Rs. 15/- to Rs. 25/- But when it is given under Tribal Sub Plan the price accelerates to Rs. 30/-. Not only that tribal people will have to go to the office to collect the spade twice or thrice paying conveyance charges from their village to the office. They will never get the spade from the office in one visit. They will have to go there 2 or 3 times. Even though he is not required to pay any money for the spade he is paying almost Rs. 20 or 30/- as conveyance charges for visiting the offices. This is the state of affairs. A tribal who is to get the spade free of cost is paying almost the amount equivalent to the

cost of the spade on account of conveyance charges. Therefore, Sir, I would suggest that if the implements are sought to be given free of cost it should be supplied at the door step of the tribal people. Now, Sir, this allocation under Tribal Sub Plan is benefitting certain people who do not need aid from the Government. Take for instance the case of Power tiller. 50 p. c. subsidy is given for the purchase of a power tiller to a person who can arrange the balance 50 p. c. Now, unless the cultivator is a monied man or he is a well-to-do man he cannot arrange to pay the balance 50 p. c. So, it is only a able competent and reasonably rich tribal agriculturist who can get this power tiller. Therefore, Sir, purchase of power tiller by the tribals is an utopian hope for them. I would ask the Government as to why an able and reasonable rich tribal agriculturist should be given Rs. 20,000/- as subsidy for the purchase of a power tiller while there are hundreds and thousands of tribal people who are without any shelter, without any land to cultivate? I would suggest that the Government should stop forthwith the supply of power tiller under subsidy to the rich and advanced tribal cultivators because this has given an impetus to certain vested interest among the rich tribal farmers although I do not deny that there are certain number of tribal people who are the self-sufficient and who can manage their own power tiller without any subsidy from the Government. Apart from this, lots of people have mis-used this provision. For instance, I can tell you Sir, in the previous Government an important Congress I)

functionary was alloted a power tiller, He used it only for three months. Thereafter he had sold it out. So, this means a Bakshish' to the smart, intelligent tribal farmer. Does it serve the purpose for which it was given? Then, Sir, there are some ITDP areas in most of the subdivisions and Government allotted some money for the purchase of tractor. In my area one tractor was supposed to be allotted. I have tried several times to get a tractor for several cooperatives in my area. But the tractor was not available. What is the use of spending money in ITDP areas when people do not get the service of a tractor. This is nothing but a betrayal by the Department. In Udalguri Subdivision there are many cooperative societies formed by the tribal. There is also an office of the Sub-divisional officer, Agricultural Department at Udalguri. I personally visited the office more than five times and each time I could not find the Officer in charge present in the office. I had is visit the SDO (Agri)s' office to get a report of sugar-cane production necessary for preparing a report by the National federation of cooperative Sugar Mills at Delhi in order to establish a Sugar-Mill at Udalguri.

He was not there in the office and he had not been able to provide a report on sugar production of Udalguri Sub-division for the last more than 2 years. So Sir, how can the tribal people take up schemes when the Governmental machinery is not responsive to the needs of the tribal people—the deserving tribal people. Not only

that, when the Government Officers even have not been able to execute the responsibility entrusted with them how agricultural production can be augmented by our tribals? Therefore Sir, instead of this allocation for T.S.P. areas, I would like to suggest that this money should be given to the tribal societies who always are working there for the welfare of the tribals. Sir, the Irrigation Department has already failed in tribal areas and the only source of Irrigation in tribal areas is the tribal people themselves who train the small rivers and rivulets and bring water to their fields. They construct small dams in rivers and rivulets, and cut small canals to bring water to their fields for raising crops during dry seasons, but those dams and canals get washed away when floods occur in the rivers and rivulets. As a result those small dams and canals in rivers and rivulets are to be constructed and re-constructed atleast 7 & 8 or 10 times in the tribal areas in a year. This involves not only loss in productivity but also in their working hours in the field, but then by doing this, our people have achieved greater success in tribal areas in the matter of irrigation and agricultural production than what the Irrigation Department could achieve. So I strongly suggest that instead of placing those subsidised amounts to contractors this money should be given to these tribal societies as a compensation for their losing so much working hours in the fields for irrigation. With these words, Sir, I support my Cut Motion.

Mr. Chairman : Now the Hon'ble Member, Shri

Golam Osmani.

Shri A. F. Golam Osmani : Mr. Chairman, Sir, in support of the Cut Motion I would like to imphasize on some basic aspects of this Department. Unless those are taken care of, we will always be giving this type of superficial manifestation. Fortunately, there is a new Government and it is expected that they would take a pragmatic view of things.

Sir, it is unfortunate for the Indian democracy that some Party continues to remian in power for successive terms and develop a sort of pattern which hinders new creative thinking. When the new ruling party came to power, it is expected that this Government in the State takes some pragmatic view of agricultural development. We should not always go with the same type of plea that the Centre's attitude is not favourable towards this State and without Central Government's assistance, the State is unable to do anything. The Flood Control Department which essentially helps agriculture, the Minister In-charge of that Department has expressed his helplessness that he can't do anything without Central assistance. This sort of thinking won't do any good. New type of genuine leadership in Assam should come up who can say that we should build up our own resources and carry on the projects for agriculture and other development even if money is not forthcoming from the Centre to the extent required. The people of Assam will see whether they have been able to face the basic issues involved.

Sir, the State of Assam is predominantly an agricultural State. Many of our social problems arise because of its advantageous position in agriculture. Assam was abundant in agricultural production and the people from beyond the frontiers of Assam flocked here becnuse of its agricultural prosperity ; but what has happened to the State now ? From prosperous state it has now become a deficit State I like to quote some figures to bring home some realities. It is very unfortunate, Sir, that in this House a budget is presented where more than 50 percent is given to pampers needs of our middle-class and lower middle-class people ; where agriculture is the basic need, it is most neglected ; to my mind, it indicates the absence of the feeling of urgency. I quote from the Reply to an Unstarred Question, given by the Hon'ble Minister of Supply about the retail price of essential commodities in Assam which also have projected the quanta of production within the State and the quanta imported from outside the State :

| | Production within the State | Imported |
|---|---|---|
| Rice .... | 24,38,000 MT | 10,62,000 MT |
| Wheat .... | 1,55,000 MT | 6,89,000 MT |
| Sugar .... | 5,700 MT | 2,00,300 MT |
| Edible oil | 35,000 MT | 1,33,400 MT |
| Pulses .... | 59,000 MT | 1,45,000 MT |
| Potato .... | 1,90,000 MT | 5,08,000 MT |
| Onion .... | 30,000 MT | 3,30,000 MT |

That is the position Sir, of our agricultural production within the State and that is the posit'on of cur import

of essential commodities to meet the deficit within the State. And this shows the type of agricultural products which we can easily produce within the State, given more attention and assisting our agriculturists, this House has witnessed a scandal about potato deal and a report thereon already submitted to the House by an Assembly Committee, and another about onion supply within the State. There was a question put in the House and the Hon'ble Supply Minister was vehemently criticised when he was asked whether he was aware that onion was selling at Rs. 20 per Kg in the market. You are telling now-adays that 'tholua manuh' are not getting chances. What is the defination of the term 'tholua'? You want to look to the interest of the 'tholua' alone, but what about 'tholua' producing in the State? Can you make 'tholua' production of rice and other essential? Can you make 'tholua' production pulses, 'tholua' onion', 'tholua' edible oil or 'tholua' potato to meet the total requirement in the State? If you can do it, that this Government's achievement will go down on record and the posterity will look at them with all gratitude.

Sir, I appreciate the sentiment given out in a letter published in a daily of Guwahati. It has come out in the letter in that daily, wherein he has said that whatever has happened in the past years is past and we have to realise what brought about now. Let us not go on making the plea of foreigners grabbing the land and so on for years we have got to choose the second best. What is the second best? He has been very pragmatic and he has raised this question. The second best—can you give us a good

Government ; Can you effect good agricultural production in Assam without the hard labour of the immigrant agriculturists ? Our Minister of Agriculture should think about it. It is a challenge for the Hon'ble Agriculture Minister. You have thought about land tenure and agricultural production ? These are some basic questions which we need to take note of and think. Char areas are inhabited by immigrant agriculturists ; so you don't want to provide for agricultural inputs there. Onion is produced in char areas in large quantities, but have you got any type of programme for development of agricultural production there to produce more onion which becomes a scarce commodity in the State frequently ? I would request the Hon'ble Minister of Agriculture to look into it.

What is the position of production of wheat, pulses and paddy. Sir, punjab paddy is more economical in Assam than Assam Paddy. We could buy Punjab rice at a rate cheaper than Assam rice here. What is about edible oil that is mustard oil ? The mustard seeds can be sufficiently grown in Assam. Have you got any programme to be implemented for the greater production of oil seeds in the State. People of Assam will be convinced about your capability and they will appreciate that the Government is doing much for greater prodaction. But how can you do that if you are worried much about foreigners question and like issues ? This is a mandate which concerns not the Agriculture Minister but the Revenue Minister. He is to see definitely whether the producers are getting all assistance for greater production or not; Whether the Rural Development Ministry should not be

kept for making money for bureacracy only. The dishonest officers are taking away the huge chunk of development money. They sometime side with the Government as if they are also a political party. They are also a political party. So, I will appeal to the Agriculture Min'ster to take a challange and declare in his reply that he will make Assam self-sufficient in three things i.e. wheat, mustard oil, pulses and if possible onions so that his name will go down in the history as successful Agriculture Ministeɹ.

চেয়াৰমেন: এতিয়া মাননীয় সদস্য হেমেন দাসে কব।

শ্রীহেমেন দাস: মাননীয় সভাপতি মহোদয় বিভাগটোৰ বিষয়ে মন্তব্য দিবলৈ যোৱাৰ আগতে মই দুটামান সৰু-সুৰা কথা কবলৈ বিচাৰিছো। আমাৰ অসমৰ কৃষি সমস্যা সম্পৰ্কে আৰু মাননীয় সদস্য ওচমানি ডাঙৰীয়াই কৃষি সম্পৰ্কত আমি পিচ পৰি থকাৰ যিটো কথা কৈছে সেই বিষয়ে অনুসন্ধান কৰিব লাগে। এই সম্পৰ্কত মই গুৱাহাটী অনাতাৰ কেন্দ্ৰৰ জৰিয়তে প্ৰচাৰ কৰা এখন নাটকৰ কথা কব বিচাৰিছো। এই নাটকখন মই কোনোবা এটা দেওবাৰৰ দিনা দুপৰীয়া ৰেডিঅ'ত শুনিছিলো। নাটকখনৰ নাম আছিল 'ঘৃণাই শাতোলাৰ ইতিবৃত্ত'। এখন অভূতপূৰ্ব নাটক। 'হালধীয়া চৰায়ে বাওধান খায়' কথাছবিখনে যেনেকৈ ভাৰতবৰ্ষত পুৰস্কাৰ লাভ কৰিছে ঠিক তেনেকৈ অসমত কৃষক বা কৃষিৰ ক্ষেত্ৰত 'ঘৃণাই শাতোলাৰ ইতিবৃত্ত' এই নাটকখনেও পুৰস্কাৰ পোৱাটো উচিত আছিল কিয়নো আমাৰ কৃষিৰ অনগ্ৰসৰতাৰ অন্যতম লোক হৈছে এই ঘৃণাই শাতোলাৰ নিচিনা মানুহবোৰ, যিসকলৰ মাজত সামন্তবাদী ধ্যান-ধাৰণা আজিও আছে। ইয়াৰ বিৰুদ্ধে সংগ্ৰাম এটা অপৰিহাৰ্য্য অংগ বুলি কব লাগিব। মই নাট্যকাৰজনক ধন্যবাদ জ্ঞাপন কৰিছো। অসমতো এনেকুৱা সুন্দৰ নাট্যকাৰ আছে। এই নাটকখনৰ জৰিয়তে কৃষি আৰু কৃষকৰ বিশেষকৈ অসমৰ কৃষকৰ জীৱনৰ মানদণ্ডৰ এখন সুন্দৰ ছবি ডাঙি ধৰা হৈছে। সামন্তবাদী ধ্যান-ধাৰণা আমাৰ এইখন চৰকাৰৰ মাজতো আছে। এই চৰকাৰখনেও সামন্তবাদী ধ্যান-ধাৰণাৰ পৰা মুক্ত হোৱা নাই।

এই সামন্তবাদী ট্যান-ধাৰণাৰ পৰা মুক্ত হব নোৱাৰিলে আমি কৃষিৰ ক্ষেত্ৰত হাজাৰ চেষ্টা কৰিও বিপ্লৱ আনিব নোৱাৰো। ১৯৮৬ চনত আপোনালোকে কি কৰিলে? যিখিনি ভূমি আছিল সেইখিনি জমিদাৰক ফিৰাই দিয়াৰ আইন কৰিলে যি সময়ত পৃথিবীৰ চাৰিওফালে কৃষকক মাটি এৰি দিয়া হৈছে। সামন্তবাদী ভূমি নীতিক লৈ আপোনালোকে আজি কৃষিৰ ক্ষেত্ৰত আমোদ পৰিৱৰ্ত্তন আৰু বিপ্লৱ আনিব কেনেকৈ? কৃষিৰ ক্ষেত্ৰত পৰিৱৰ্ত্তন আনিব লাগিলে চাৰিটা বিভাগৰ মাজত সমন্বয় গঢ়ি তুলিব লাগিব। এই বিভাগ কেইটা হৈছে ৰাজহ বিভাগ, কৃষি বিভাগ, জলসিঞ্চন বিভাগ, আৰু বিদ্যুৎ বিভাগ। এই চাৰিটা বিভাগৰ মাজত যদি সহযোগ আৰু সমন্বয় সাধন কৰিব নোৱাৰো তেতিয়াহলে কৃষিৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিব নোৱাৰিব। এই চাৰিটা বিভাগৰ মাজত সহযোগ আৰু সমন্বয় নোহোৱাতো পৰিলক্ষিত হৈছে। কিয় নাই হোৱা তাৰ মই এটা সৰু উদাহৰণ দিব বিচাৰিছো। অলপ আগতে প্ৰশ্নোত্তৰ কালত ৰাজহ মন্ত্ৰীয়ে কৈছে যে ডুমডুমাত যি সকলে সুমথিৰাৰ বাগান খুলিছে তেওঁলোকক বেংকে কোনো সাহায্য দিব নিবিচাৰে কিয়নো চৰকাৰী মাটিত সাহায্য দিবলৈ আগবাঢ়ি নাহে। গতিকে ডুমডুমাত সুমথিৰা খেতিৰ উৎকৰ্ষ সাধন কৰাৰ কাৰণে তাৰ খেতিয়কে নিজৰ ধনৰে এই খেতি কৰাত আগবাঢ়িব নোৱাৰে। এনেকৈয়ে অসমত লাখ লাখ বিঘা মাটি পৰি আছে যিবিলাক মাটিত আজি ইচ্ছা কৰিলেও চেলো টিউব ওৱেল বহুৱাব নোৱাৰে। অথচ টিউব ওৱেল বহুৱাইয়ো কৃষকে খেতি কৰাত বহুখিনি সুবিধা পাব পাৰে।

গতিকে খেতিয়কসকলে যাতে এই সুবিধাবিলাক পাব পাৰে তাৰ বাবে বিশেষ নজৰ দিব লাগে। আন এটা কথা কৃষি আৰু জলসিঞ্চন আৰু বিদ্যুৎ বিভাগ এই তিনিটা সমান্তৰাল বিভাগৰ কথা মই কব বিচাৰিছো। এই তিনিটা বিভাগৰ মাজত সহযোগ আৰু সমন্বয় নহলে ভাল ফচল পাব নোৱাৰো। মই সাধাৰণ এটা উদাহৰণ দিওঁ—আমাৰ সৰভোগ অঞ্চলত কৃষি বিভাগে অভিযোগ কৰে যে জলসিঞ্চন বিভাগে নিয়মীয়াকৈ পানী যোগান নধৰাৰ কাৰণে খেতি কৰাত অসুবিধা হৈছে, সেইদৰে জলসিঞ্চন বিভাগক পানী যোগান ধৰাত কি অসুবিধা হৈছে বুলি সোধাত কলে যে বিদ্যুৎ বিভাগে নিয়মীয়াকৈ বিজুলী যোগান ধৰিব পৰা নাই ফলত জলসিঞ্চন বিভাগে যদিও নিজৰ

ফালৰ পৰা দীঘল দীঘল নলা আৰু কেনেল খান্দি দিছে কিন্তু বিজুলী শক্তি নোপোৱাৰ কাৰণে সেই ফালেদি পানী যোগান ধৰিব পৰা নাই। এইদৰে ইটো বিভাগে সিটো বিভাগক জগৰীয়া কৰি বহি থাকে আৰু ইয়াৰ কাৰণে খেতিয়কে ভাল ধৰণে খেতি কৰাত অসুবিধা ভোগ কৰি আহিছে। গতিকে চৰকাৰৰ এতিয়া কৰ্ত্তব্য হৈছে এই আটাইকিটা বিভাগক লগ লগাই মাটিৰ ওপৰত নিশ্চয়তা আনি দিয়া। কোনোবা কোনোবা খেতিয়কে চিলিং উদ্বৃত্ত মাটি ৮ বিঘা ১০ বিঘাকৈ দখল কৰি আছে। সেই মাটি বিলাকতো কৃষকৰ কোনো স্বৰ্ত্ত নাই। ফলত খেতিয়কে তাত চেলো টিউব ওৱেল দি হলেও ভাল ধৰণে খেতি কৰিব পাৰিলেহেতেন কিন্তু সেই মাটিত তেওঁ- লোকে চেলো টিউব ওৱেলো বহুৱাব নোৱাৰে কিয়নো সেই মাটিৰ ওপৰত তেওঁলোকৰ স্বত্ব নাই। এই চেলো টিউব ওৱেলৰ জৰিয়তেই ২।১টা সৰু সৰু কৃষক পৰিয়ালে পৰিয়ালৰ অৱস্থাৰ ৰূপান্তৰ অনাৰ লগে লগে কৃষিৰ ক্ষেত্ৰতো ৰূপান্তৰ আনিব পাৰিছে। কিন্তু মাটিৰ ওপৰত স্বত্ব নথকা খেতিয়ক সকলে এই সুবিধাৰ পৰা বঞ্চিত হৈছে। এতিয়া কৃষি বিভাগৰ পৰা কেইটা- মান কথা জানিব বিচাৰিছো। এইবাৰৰ এইখন ৰাজ্যপালৰ ভাষণ, ইয়াত উল্লেখ কৰিছে—"Government has decided to declare 1988-89 an agricultural year to intensify agricultural activities of the State" ভাল কথা—মই মন্ত্ৰী মহোদয়ক সুধিছো যোৱা দুবছৰে অসমত কিমান কুইণ্টল চীনা বাদামৰ বীজ দিছে, যিমান কুইণ্টল বাদামৰ বীজ খেতিয়কৰ মাজত বিতৰণ কৰিছে সিমান বাদাম উৎপন্ন হৈছে নে? এক কুইণ্টল বাদামত এক গ্ৰাম কৰি বাদাম উৎপন্ন হৈছে নে? গতিকে এই বিষয়ে তদন্ত কৰিব। কিছুমান মাটিৰ লগত এই বাদাম খেতিৰ সম্পৰ্ক নাই অৰ্থাৎ সেই মাটিত বাদাম খেতি হব নোৱাৰে। আমাৰ মাননীয় সদস্য ওচমানী ডাঙৰীয়াই পিয়াজৰ খেতি কৰাৰ সম্পৰ্কত কৈছে, কিন্তু আমাৰ ইয়াত আগতীয়া বৰষুণ হোৱা কাৰণে ইয়াত যি পিয়াজৰ খেতি কৰা হয় তাৰ বাকলিটো ডাঠ নহয়। ফলত তাক প্ৰিজাৰ্ভ কৰাতো যথেষ্ট অসুবিধা হয়, সেয়ে ইয়াৰ খেতিয়কে পিয়াজৰ খেতি কৰাতো বাদ দিছে। অসমত আলুৰ খেতি বেচিকৈ কৰিব নোৱাৰি। কৃষি বিভাগক মই সুধিব বিচাৰিছো যিবিলাক ঠাইত আলুৰ খেতি হয় সেইবিলাক ঠাইত খেতিয়কৰ লাভৰ কাৰণে আৰু আলু নষ্ট নোহোৱাকৈ

ৰখাৰ কাৰণে 'হীমঘৰ' কেইটা বনাইছে ? দদৰীয়া পচৰীয়া আদি অঞ্চলত আলুৰ খেতি বেচিকৈ হয় কিন্তু তাত আলু ৰখাৰ কাৰণে হীমঘৰ নাই সেই-দৰে খাৰুপেটীয়া অঞ্চলতো আলু যথেষ্ট কিন্তু তাত কেইটা হীমঘৰ আছে ? আমাৰ তাত মই কোনোমতে এটা খুজি খুজি নিছো। খেতিয়কে লোকচান ভৰি আলু বিক্ৰী কৰিছে। এক কেজি আলুৰ বীজ চৰকাৰে কিনিছে ৮ টকাত আৰু খেতিয়কে কিনিছে আঢ়ৈ টকাত। আঢ়ৈ টকাত কিনি ডেৰ টকাত বেচিব লাগিলে খেতিয়কৰ লোকচান হয়। গতিকে হীমঘৰ বনালে খেতিয়কে আলু সেই হীমঘৰত ৰাখি দাম বৃদ্ধি হোৱাৰ সময়ত বিক্ৰী কৰিব পাৰে। গতিকে হীমঘৰ বন্ধাৰ কাৰণে অনতিপলমে ব্যৱস্থা লব লাগে।

চেয়াৰমেন মহোদয়, অসমত কেইটা হীমঘৰ আছে ? হীমঘৰ ব্যৱহাৰ নকৰি বেপাৰীক দিয়া হৈছে। বৰপেটা, সৰভোগ, বিজনী, পাতিলাদহা, মৈৰা-বাৰী আদি ঠাইত হীমঘৰ কিয় নহয় ?

এই কৃষি বৰ্ষতে আমাৰ কমাৰগাওঁত সৰ্বশ্ৰী তুলেন দাস, কমল দাস, অক্ষয় দাস, হৰি বৰ্মণ, কন্দৰ্প দাস আদি কৰি ১০ জন খেতিয়কক হাতে সিচি খেতি কৰিবলৈ মৰাপাটৰ গুটি দিয়া হৈছে। মৰাপাট সিচা মেছিন দিছে। সেই মেছিনেৰে গুটি সিচিলে এবাৰতে এক কেজি ওলাই যায়। মেছিনৰ পৰিবৰ্ত্তে হাতে সিচা হ'ল। কিন্তু এটা গুটিও নগজিল। দহজন কৃষকক প্ৰতাৰাণা কৰা হ'ল। নামত বহুতো দিয়া হৈছে। তেওঁ পাচজন খেতিয়কক দিব লাগিছিল, তাৰ ঠাইত ১০ জনক দিছে। সেইজন খুউব ভাল অফিচাৰ। ফণ্ডেচন ছিডচ কাৰণে প্ৰমাণ পত্ৰ দিছে। যিজনে প্ৰমাণ পত্ৰ দিছে তেওঁ কোনোবা জি, এচ বৰদলৈ, মঙ্গলদৈ। এই মঙ্গলদৈৰ অফিচাৰৰ প্ৰমাণ পত্ৰ সৰভোগ কেনেকৈ পালে কব নোৱাৰো। সেই গুটিৰ শুতকৰা ৯৭·৬৪ ভাগ নগজিল। এইটো কিয় হবলৈ পাইছে।

চেয়াৰমেন মহোদয়, মই আৰু এটা পুৰণা কথা কবলৈ বিচাৰিছো। আমাৰ কৃষক ভাইসকল ধৈৰ্য্যশীল। ১৯৮৬ চনতে বৰধান দি আহিছিল। ১৫ মোন ধান ১৫।১৬ জন খেতিয়কক দিছে। কিন্তু নগজিল। পিচত তেওঁ-লোকক কোৱা হ'ল যে সেই ধান চিৰা কৰি খাওঁক। আনফালে মইনাগিৰি কোলা ধান ১৯৮৬ চনৰ জুলাই মাহতেই কান্দুৰা, মদন আদি ১৬ জন খেতিয়কক দিয়া হৈছিল। এই কথাটো মই এই মাহৰ ৭ তাৰিখে মন্ত্ৰী মহোদয়ক কৈছো।

সৰভোগৰ পৰা ৬ কিলোমিটাৰ দূৰত ১০৩ জন খেতিয়কক চৰকাৰৰ চাৰটিফাইদ ফাৰ্মৰ পৰা গম কিনিছিল। কিন্তু সেই গম নগজিল। ১৬ তাৰিখে মই নিজে গৈ এই কেইটা গমৰ গছ লৈ আহিছো। (গমৰ গছ সদনত দেখুৱায়)। ইয়াৰ ভিতৰত গম নাই। এইবিলাক কাৰবাৰ কৰা হৈছে। এই কৃষি বিভাগৰ পৰা ৮ টকাকৈ আলু কিনা হৈছিল। এইবিলাক কৃষি বিভাগৰ দোষ নহয় কাৰ দোষ? এইখন চাৰটিফাইদ মোনা। (মোনা দেখুৱাই দিয়ে)। এইখন চাৰটিফাইদ কিয় কৰিছে? এইটো দোষ হব নে নহয়?

চেয়াৰমেন মহোদয়, এইখিনিতে মই এটা অন্য প্ৰসঙ্গ কব বিচাৰিছো। এইবাৰ চৰকাৰে কৃষি বৰ্ষ ঘোষণা কৰিছে। যোৱা বছৰ ৪ কোটি ৮০ লাখ টকাৰ বাজেট এষ্টিমেত আছিল আৰু ৰিভাইচ এষ্টিমেটো সেই একে আছিল। অলপো ইফাল সিফাল নহয়। এইবাৰ ৩ কোটি ৪ লাখ টকালৈ নামিল। ছীদৰ খৰছ এইবাৰ ১.৭৯ লাখলৈ নামিল। ৰাজ্যপাল মহোদয়ৰ ভাষণত চাৰি হেজাৰ ন শ ষাঠি জনক শিক্ষিত কৰিব বুলি আছে। কিন্তু তেওঁলোকে বাজেটত শিক্ষা শিতানত যি টকা ধৰা হৈছে শিক্ষা আৰু গৱেষণাত সেই টকা কম পাইছে। নতুনকৈ দিয়া হোৱা নাই।

চেয়াৰমেন মহোদয়, মই আকৌ আলুৰ বিধানলৈ আহো। যিখন চৰকাৰে ৮ টকাকৈ আলুৰ দাম ধাৰ্য্য কৰা বুলি ঘোষণা কৰিব পাৰে সেইখন চৰকাৰে নিৰম্নে সহ্য কৰি থাকে। আজি ডেৰ বছৰে এইখন চৰকাৰক কি আশা কৰিব। যদি ডাইৰেক্টৰে আলুৰ বিধানৰ দাম ৮ টকা কৰিব পাৰে, তেন্তে চেক্ৰেটাৰী, কমিশ্বনাৰ আদি বিষয়া সকলক কিয় ৰাখিছে। ডাইৰেক্টৰে ৮ টকাকৈ দাম ধৰি দিছে, চৰকাৰেও দিছে। এই বিলাকত দোষ আছে নে নাই? যদি অসমত কৃষি কৰিব বিচাৰিছে, তেনেহলে কৃষি বিভাগটো পুনৰ গঠন কৰাৰ চেষ্টা কৰক। মই সকলোকে দোষ দিব বিচৰা নাই। যিসকলে অসমৰ স্বাৰ্থৰ বিৰুদ্ধে গৈ কাম কৰিব বিচাৰিছে, তেওঁলোকক বিশ্বাস নকৰি, অসমৰ জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ আগবাঢ়ি আহি মই সকল স্বাৰ্থপৰ মানুহক চৰকাৰে শাস্তি দিব লাগে। মৰাপাট, গম, এই সকলো বিজৰ বিতৰণত বিষয়া সকলে ৰাজনৈতিক ষড়যন্ত্ৰ থকা বুলি কৈ কাম কৰিব নিদিয়া বুলি অভিযোগ কৰি কয়। মই ভাবো এইটো মুঠেই নহয়। যেনেকৈ ৰাজনীতিত বেয়া মানুহ আছে, ভাল মানুহো আছে। ঠিক তেনেকৈ কৰ্মচাৰী

সকলৰেও ভাগ আৰু লৈয়া আছে। যি সকলে বেছি দাম ধাৰ্য্য কৰিব দি ৰাজহুৱা ধনৰ শ্ৰাদ্ধ কৰিছে, সেই সকলক কেতিয়াও ক্ষমা কৰিব নেলাগে। ৰেজৰ নাকত খৰ ধৰিছে। আমেৰিকাতো কৃষি সংকটে দেখা দিছে। ২২০০০ খন কৃষি পাম নীলামত গ'ল। গতিকে সেই পথ ত্যাগ কৰি ভূমি সংস্কাৰত হাত দিয়ক। নহলে এই সমস্যা সমস্যা হয়েই ৰব।

শ্বেখ আব্দুল হামিদ : মাননীয় চেয়াৰমেন মহোদয়, কৃষি মন্ত্ৰীয়ে কৃষিৰ শিতানত ৭৬ কোটি ২ লাখ ৩০ হাজাৰ টকাৰ যি দাবী মঞ্জুৰী বিচাৰিছে আৰু তাৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ উত্থাপন অনা হৈছে এই কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো।

মাননীয় চেয়াৰমেন মহোদয়, যোৱা বছৰ কৃষি শিতানত যি দাবী মঞ্জুৰী আছিল ৭১,৫৪,৪৪,০০০ টকা আৰু এই বছৰ যি দাবী মঞ্জুৰী বিচৰা হৈছে। সেইটোৰ লগত ৰিজাই চালে দেখা যায় যে এই বছৰ যোৱা বছৰতকৈ ৪ কোটি ৪৮ লাখ ৪৪ হাজাৰ টকা বেছি বিচৰা হৈছে। যোৱা বছৰতকৈ এই বছৰ কৃষিৰ শিতানত টকা বেছি ধৰাৰ কাৰণ কৈছে যে এই বছৰ কৃষিৰ বছৰ হিচাবে ঘোষণা কৰা হৈছে। এই বছৰটো কৃষিবছৰ হিচাবে পালন কৰা হব। ইয়াৰ আগতেই মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৃষিবৰ্ষ হিচাবে যি কাম কাজ কৰিবলৈ ওলাইছে সেই কৈ গৈছে। মই কৃষি মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি কৰ বিচাৰিছো যে এই বছৰটো কৃষি বছৰ হিচাবে পালন কৰিবলৈ লৈ ৰাজ্য চৰকাৰে কৃষিৰ ব্যয়ৰ শিতানত এটা বৰ ডাঙৰ কথা উল্লেখ কৰিছে। সেইটো হৈছে যে ৰাজ্য চৰকাৰে কোনো স্থিৰ লক্ষ্য নোলোৱাকৈ কেনেকৈ কৃষি বৰ্ষ পালন কৰিবলৈ ওলাইছে ? ইয়াৰ কাৰণে টকা ধৰা হৈছে চাহ-মেল, ভোজ আদিৰ বাবে এক লাখ টকা ধৰা হৈছে। অসম চৰকাৰে অসমৰ কৃষকক যি বিলাক সা-সজুলি দিয়াৰ প্ৰয়োজন সেই বিলাক বস্তু দিব পৰা নাই। যি মুহূৰ্ত্তত কৃষকক যি বিলাক বস্তু চৰকাৰে দিব লাগে সেই বিলাক বস্তু দিব পৰা নাই আৰু সেই সময়তেই কৃষিবৰ্ষ ঘোষণা কৰিছে আৰু তাৰ কাৰণে যি টকা ধৰিছে তাৰ পৰা প্ৰমাণ হয় যে এইটো এটা একেবাৰেই অকৰ্মন্য বিভাগ আমাৰ কৃষকক এই বিভাগটোৱে নিৰাশাবাদী কৰি তুলিছে, এই বিভাগে কোনো কাম কৰিব পৰা নাই। আমাৰ অসমত যি কৃষি উৎপাদন হয় সেই খিনিৰে

নোজোৰে। আমি প্ৰত্যেক বছৰেই চাউল গম তেল আদি বস্তু বিলাক বাহিৰৰ পৰা আনিবলগীয়া হয়। আমাৰ ইয়াত যি বস্তু হয় তাৰে মাত্ৰ আমাক ৩ মাহহে জুৰে। বাকী ৯ মাহৰ কাৰণে বাহিৰৰ পৰা বস্তু আনিবলগীয়া হয়। অসমৰ মাটি প্ৰকৃততে সাৰুৱা মাটি। যদি ভাল ধৰণৰে এই বিভাগটোৱে কাম কৰে তেনেহলে আমাৰ ইয়াত উৎপাদন হোৱা বস্তুৰেই আমাক জুৰিব। কিন্তু এই বিভাগটো অৰ্কমন্য হোৱাৰ কাৰণে এইটো কৰিব পৰা নাই। কৃষকে যি খিনি বস্তু উৎপাদন কৰে সেইখিনি বজাৰলৈ গলে দাম নাপায়। কিন্তু যেতিয়াই কৃষকৰ হাতৰ পৰা বস্তুখিনি ওলাই গৈ মিড্‌ল মেন বা বেপাৰীৰ হাতত পৰে তেতিয়াৰ পৰাই সেই বস্তুৰ দাম বাঢ়ি আছে। আমাৰ কৃষক সকলে যি কৃষিজাত বস্তু উৎপন্ন কৰে সেইখিনিৰ যাতে উচিত মূল্য পায় সেইটো নিশ্চিত কৰাটো আমাৰ চৰকাৰৰ দায়িত্ব। কিন্তু চৰকাৰে এই দায়িত্ব পালন কৰিব পৰা নাই। এইখিনিতে মোৰ এটা পৰামৰ্শ হৈছে যে অসম চৰকাৰে যি ৰেগুলেট মাৰকেটিঙ কৰিছে তাৰ দ্বাৰাও কৃষকৰ কাম হোৱা নাই। থিয়ৰিটিকেলি এইটো ভালেই কাম হৈছে যদিও প্ৰেকটিকেলি একো কাম হোৱা নাই। ৰেগুলেট মাৰ্কেটিংয়ে যিমান বস্তু কিনিব লাগে সিমান বস্তু নিকিনে বা কিনিব নোৱাৰে। সেই কাৰণে কৃষক সকল উচিত মূল্য পোৱাৰ পৰা বঞ্চিত হয়। তাৰ কাৰণেই ৰাজ্য চৰকাৰে এই বিষয়ত এনেকুৱা ব্যৱস্থা লব লাগে যাতে কৃষক সকলে তেওঁলোকৰ উৎপাদিত বস্তুৰ উচিত মূল্য পায়।

মোৰ আৰু এটা পৰামৰ্শ হৈছে চেয়াৰমেন মহোদয়, কৃষি বিভাগৰ লগত যি বিলাক ক'ৰিলেটেড বিভাগ আছে সেই বিলাকে সু-সমন্বয় ৰক্ষা কৰি কাম কৰি যাব লাগে। ইয়াৰে দুটা বিভাগ হৈছে ইৰিগেচন আৰু পাৱাৰ। তাতোকৈ কৃষিৰ লগত সম্পৰ্ক থকা আন এটা গুৰুত্বপূৰ্ণ বিভাগ হৈছে বান নিয়ন্ত্ৰণ বিভাগ। অসমত প্ৰত্যেক বছৰেই বানপানী হয়। বানপানী হলে খেতি বাতি তেনেই নষ্ট হয়। তাতোকৈ আৰু এটা ডাঙৰ অসুবিধা হৈছে যে বান পানীৰ লগত হোৱা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই খেতিয়কৰ হাজাৰ হাজাৰ বিঘা মাটি চিৰদিনৰ কাৰণেই লৈ যায়। গতিকেই ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰিবই লাগিব। নহলে অসমৰ কৃষকে কোনো দিনেই উন্নতি কৰিব নোৱাৰিব।

তাৰ পিচতে আৰু এটা কথা হৈছে যে কৃষিজাত বস্তুৰ ভিতৰতে মৰাপাটো পৰে। কিন্তু আমাৰ কৃষকে মৰাপাটৰ দাম কোনো দিনেই নাপায়। এই বছৰ মৰাপাটৰ দাম ৫০ টকাৰ পৰা ১০০ টকালৈকে হৈছে। যদি কৃষকক মৰাপাটৰ দাম দিব নোৱাৰে তেনেহলে ৰাজ্য চৰকাৰে আইন কৰি মৰাপাটৰ খেতি বন্ধ কৰি দিব লাগে। যাতে কোনেও মৰাপাটৰ উৎপাদন কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। প্ৰত্যেক বছৰেই মৰাপাট খেতিৰ পৰা খেতিয়কৰ লোকচান হৈ আছে। সেই কাৰণেই আৰু যাতে লোকচান নহয় তাৰ কাৰণে মৰাপাটৰ উৎপাদন বন্ধ কৰি দিব লাগে।

চেয়াৰমেন মহোদয়, মোৰ আৰু এটা পৰামৰ্শ হৈছে যে আমাৰ যি সকল কৃষি বিষয়া গাওঁ অঞ্চলত থাকিব লাগে বা যাব লাগে সেই সকল গাওঁ অঞ্চললৈ কোনো দিনেই নাযায়। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে এই বছৰ মোৰ সমষ্টিৰ ছয়সীমানাত কেইটামান চেল' ফিল্টাৰৰ দ্বাৰা পানী তুলি খেতি কৰাৰ ব্যৱস্থা কৰিছিল। কিন্তু মই এচ ডি অ (কৃষি) বৰপেটা কেইবা দিন কোৱাৰ পিচতো তালৈ কোনো কৃষি বিষয়া পঠোৱা নাই। অসমৰ যি সকল কৃষি বিষয়া আছে সেই সকলে টাউনৰ পৰা কাগজ পাতি চাই কাম কৰি থাকে। গাঁৱলৈ কোনো দিনেই নাযায়। মই চৰকাৰক অনুৰোধ কৰো যাতে প্ৰত্যেক গাঁৱতে একোটা কৃষি কেন্দ্ৰ পাতিব লাগে। এইটো অসম চৰকাৰে নিয়ম কৰি দিব লাগে যাতে প্ৰত্যেক গাঁৱত কৃষি চেণ্টাৰ, কৃষি বিষয়া থাকিব লাগে আৰু চোৱা চিটা কৰিব লাগে। যি বিলাক কৰ্মচাৰী সপ্তাহত নিৰ্দিষ্ট দিনতকৈ বাহিৰত থাকে তেওঁলোকক শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে মুঠিয়ে মুঠিয়ে ৰাজহৰ পৰা টকা খৰছ কৰিলেও কোনো কামত নাহিব। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদীনবন্ধু চৌধুৰী : মাননীয় সভাপতি মহোদয়, কৃষি মন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ প্ৰতি সমৰ্থন জনাইছো আৰু লগতে কৃষি বিভাগৰ উন্নয়নৰ ক্ষেত্ৰত দুটামান পৰামৰ্শৰ লগতে শেহতীয়া এটা তপত খবৰ দিব বিচাৰিছো। কৃষি হ'ল অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ। সেই হিচাপে কৃষি বিভাগৰ ভূমিকাও অতি গুৰুত্বপূৰ্ণ। কিন্তু কৃষি বিভাগক সম্প্ৰতি

কি দায়িত্ব দিয়া হৈছে সেইটো বিচাৰ্য্য বিষয়। কৃষি বিভাগৰ প্ৰধান কাম হ'ল সম্প্ৰসাৰণ শিক্ষা। বাজেটখন যদি চোৱা যায় তেন্তে দেখা যাব ৭৬ কোটিৰ ২ লাখ ৩০ হাজাৰ টকাৰ মঞ্জুৰী মূলধনী খণ্ডত আছে। বীজ উন্নয়ণ নিগমৰ আৰু কৃষি উন্নয়ণ নিগমক দিয়া হব। বাকী ৭০ কোটি ২ লাখ ৩০ হাজাৰ টকাৰ ১৫ কোটি ১৪ লাখ ৪০ হাজাৰ টকা কৃষি বিশ্ববিদ্যালয়ৰ অনুদান আৰু ৩ কোটি ১৯ হাজাৰ টকা মেজৰ মাইনৰ ৱৰ্কচত ধৰা আছে। বাকীখিনি চেলাৰী, বাৰী আৰু গাড়ী আদিত দিয়া হব। স্বাভাৱিকতে যিহেতু বিভাগ বৰ্তমান দায়িত্ব সম্প্ৰসাৰণ শিক্ষা, গতিকে চেলাৰী, বাৰী, গাড়ীত টকা যাব। কৃষি বিভাগে যে কাম কৰিব পৰা নাই, এই বিষয়ে বিৰোধী পক্ষৰ মাননীয় সদস্য কেইগৰাকীমানে কৈ গৈছে। কিন্তু আমি ইয়াৰ বেকগ্ৰাউণ্ড চাব লাগে। কৃষি বিভাগে নিজে খেতি নকৰে। খেতি কৰিব কৃষক ৰাইজে। গতিকে কৃষক ৰাইজে কেনে ভাৱে খেতি কৰে তাৰ ওপৰত উৎপাদন নিৰ্ভৰ কৰিব। গণতান্ত্রিক পৰিকল্পনা ৰাইজে প্ৰস্তুত কৰিব, ৰাইজে কাৰ্য্যকৰী কৰিব আৰু ৰাইজে ফলাফল ভোগ কৰিব। প্লেনিংকমিচনে কোৱা মতে-

According to the Planning Commission "Planning in democratic State is a social process in which, in some parts, every citizen should have the opportunity to participate. Thus, the planning have given the people a responsible position in carrying out the process of the plan, as democratic planning is a planning for the people of the people and by the people.

অকল বিভাগকে দোষ দিলে নহব। এই বিভাগৰ মূল লক্ষ্য হ'ল এক্সটেনচন চাৰ্ভিচ। গৱেষণাগাৰৰ পৰা ওলোৱা শেহতীয়া প্ৰণালীবোৰ কৃষক ৰাইজৰ মাজলৈ অনা, পথাৰলৈ নিয়া আৰু পথাৰৰ সমস্যাবিলাক আকৌ গৱেষণাগাৰলৈ অনা। লগতে কৃষিৰ কাৰণে এটা উপযুক্ত পৰিবেশ গঢ়ি তোলা। কৃষি বিভাগে কি কাম কৰিছে, কি কাম কৰিব পৰা নাই, সফলতা বিফলতা মূল্যায়ণ কৰিব লাগিব কৃষি বিভাগৰ সম্প্ৰসাৰণ শিক্ষা প্ৰসাৰৰ ভিত্তিত। কৃষিৰ ক্ষেত্ৰত কিমান দূৰ সুস্থ পৰিবেশ গঢ়ি তোলাত এই বিভাগ সমৰ্থ হৈছে তাৰ ওপৰত ভিত্তি কৰি এই বিভাগৰ কামৰ মূল্যায়ণ কৰিব লাগিব।

বিৰোধী পক্ষৰ কেৱা গৰাকী সদস্যই কৈছে যে বীজ বেয়া, সাৰ দিয়া নাই, পানী নাই, এইটো সঁচা কথা । আমাৰ সমন্বয়ৰ অভাৱ হৈছে । এই সমন্বয়ৰ অভাৱৰ ফলত খেতিয়কৰ আঁচনিবিলাক কাৰ্য্যকৰী কৰাত অসুবিধা হৈছে । যদি ধৰি লোৱা হয় যে খেতিয়কক সাৰ, বীজ, টকা সকলো দিয়া হৈছে তেতিয়া খেতিৰ উৎপাদন বঢ়াব পাৰিবনে ? কেতিয়াও নোৱাৰে যদি খেতিয়কজন সম্পূৰ্ণ বৈজ্ঞানিক ক্ষেত্ৰত প্ৰস্তুত হৈ নুঠে । এজন এক্সপাৰ্টৰ মতে "Increased production is not just a problem of technology. The level of production is generally tied to the success of farmers' efforts. The material side is highly necessary, but without the handy work of the farmer using his skill of cultivation and management, their contribution to increased production will fall short." কৃষি বিভাগৰ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাত এতিয়ালৈকে বিফল হৈছে । ১৯৫৩ চনৰ পৰা ভাৰতত এক্সটেনচন চাৰ্ভিচ প্ৰৱৰ্তন কৰা হৈছে । এই ক্ষেত্ৰত যেনে ধৰণে আগবাঢ়িব লাগিছিল তেনে ধৰণে আগবাঢ়িব পৰা নাই ।

বিষয়া সকল পথাৰলৈ যাব লাগে, কনটেক্ট ফাৰ্মাৰ গ্ৰুপ কৰি দিয়া হৈছে । সময়ে সময়ে তেওঁলোকক লগ পাব লাগে, ব্যৱস্থা বিলাক দেখুৱাব লাগে । সম্প্ৰসাৰণ বিষয়া, ভি, এল, ই, ডব্লিউ পথাৰলৈ নাযায় । ঘৰবিলাক ভাঙি যাব ধৰিছে । তেওঁলোক ঘৰত নাথাকে । যিখিনি মেটেৰিয়েল চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে বাজেট প্ৰভিজন আছে যদিও সেই কামত অহা নাই । খেতিয়কক প্ৰস্তুত কৰি লব পৰা নাই আৰু প্ৰয়োজনীয় পৰিবেশ সৃষ্টি কৰিব পৰা নাই । মোক অলপ সময় দিব লাগে, তপত খবৰ দিবলৈ এতিয়াও বাকী আছে ।

এতিয়া আমাৰ বাজেটত কৃষিৰ ওপৰত গুৰুত্ব দি টকা ধৰা হৈছে । এই টকাৰে কৃষিৰ ওপৰত যি ধৰণে গুৰুত্ব দিব লাগে বা কৃষিৰ আচল পৰিবেশ সলনি কৰিব লাগে । সেই অনুপাতে বাজেটত টকা কম ধৰা হৈছে । কিন্তু আমি শেহতীয়াকৈ দেখিবলৈ পাইছো কম হলেও যিখিনি টকা বাজেটত ধৰা হয় সেই খিনিয়েই ঠিক মতে ব্যৱহাৰ হোৱা নাই । আজি ব্ৰহ্মপুত্ৰ গড়াখহনীয়াৰ কথা শুনিবলৈ পাইছো । কিন্তু আমাৰ বাজেটত ভয়াবহ গড়াখহনীয়া

হৈছে ৩১ মাৰ্চত দিচপুৰ ট্ৰেজাৰীত শেষ ৰাতি। এনে গড়াখহনীয়া প্ৰতিৰোধ কৰিব নোৱাৰিলে অসমৰ কোনো ধৰণৰ উন্নতি নহব। আচল কথা হৈছে এইটো, ৩১ মাৰ্চৰ দিনা শেষ ৰাতি ৭ কোটি ৭১ লক্ষ টকা এ, চি বিলত ড্ৰ কৰা হৈছে। এই কথাটোত আমি আচৰিত হব লগা একো নাই। কিন্তু আচৰিত হব লগা হৈছে এই টকা খিনি কেতিয়াৰ টকা। যদি ৩১ মাৰ্চত চেংচন কৰা টকা হ'লহেতেন একো বেয়া কথা নাছিল। কিন্তু মে' ৮৭ ত ৫,৫৪,৯৪০০০'০০ টকা, জুলাই '৮৭ ত ৩৫,০০০'০০ টকা, আগষ্ট '৮৭ ত ৫,০৬,৫৫,০০০'০০ টকা, চেপ্তেম্বৰ '৮৭ ত ২,৩০,৯৯,০০০'০০ টকা, অক্টোবৰ '৮৭ ত ২৪,৬৭,০০০'০০ টকা, নবেম্বৰ '৮৭ ত ৬৫,২৭,৮০০'২০ টকা, ডিচেম্বৰ '৮৭ ত ৯০,৩০,৪০০'০০ টকা, জানুৱাৰী '৮৮ ত ১৮,৩৫,০০'০০ টকা, আৰু মাৰ্চ '৮৮ ত ৪,৪৬,৩৫,৮৭৭'০২ টকা, মুঠ ১৯,৩৬,৮০,০৭৭ টকা। ইয়াৰ ভিতৰত ৩১ ৮৮ মাৰ্চ ত মঞ্জুৰী দিয়া ১,৯১,৫৭,৪৭৯'৫৫ টকাও আছে। এই ১৯ কোটি ৩৬ লক্ষ ৮০ হাজাৰ ৭৭ টকা চেংচন হৈছিল যোৱা মে' মাহৰ পৰা মাৰ্চ মাহলৈকে। এইটো হৈছে বাজেটৰ গড়াখহনীয়া। এই গড়াখহনীয়া ৰোধ নকৰিলে বাজেটত টকা ৰখাই লাভ নাই। মে'ৰ পৰা যিখিনি হিচাব দিছে তাৰ ভিতৰত আংশিক ভাবে ড্ৰ হৈ আছে। কিন্তু বাকী খিনি ড্ৰ কৰিবলৈ শেষলৈ কিয় থাকিব লগা হ'ল? টকা খিনি ড্ৰ কৰাৰ অনুমতি বিচাৰি এগ্ৰিকালচাৰ ডিৰেক্টৰে এডিচনেল চেক্ৰেটাৰীলৈ প্ৰস্তাৱ কৰিলে সেই সময়ত চেক্ৰেটাৰীক কিয় এডভাইড কৰিব লগা হ'ল? তেওঁৰ কলৈ গৈছিল? তাৰ পাচত ফাইনান্স চেক্ৰেটাৰী লৈ দিয়া হ'ল। এইটো একেখন টেবিলতে পাঁচ মিনিটতে কৰা কাম। সেই সময়ত এগ্ৰিকালচাৰ চেক্ৰেটাৰীয়ে কিয় এডভাইড কৰিব লগা হ'ল তাৰ এটা ভাল তদন্ত হব লাগে। তদন্ত কৰি ইয়াৰ এটা ব্যৱস্থা লব লাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Debo Kumar Bora (Chairman): Now, Hon'ble Member Shri Dileswar Tanti. Hon'ble Members are requested to confine their speech within Ten Minutes time.

*শ্ৰীডিলেশ্বৰ তাঁতী: মাননীয় চেয়াৰমেন মহোদয়, বিৰোধী পক্ষৰ কালৰ

---

*Speech not corrected

পৰা যিটো আলোচনাৰ কাৰণে কৰ্ত্তন প্ৰস্তাব দাঙি ধৰিছে তাত মই সমৰ্থন জনাই কেইআষাৰ মান কথা কবলৈ ওলাইছো। আমাৰ দেশ এখন কৃষি প্ৰধান দেশ দেশৰ শতকৰা ৭০ ভাগ মানুহেই কৃষিজীৱি। এই জীৱিকাৰ জৰিয়-য়তেই আমাৰ দেশখন চলি আছে। কিন্তু অতিকৈ দুখজনক কথা এই-টোৱেই যে, আমাৰ প্ৰতিজন কৃষকেই নিৰ্ভৰ কৰে প্ৰাকৃতিক সোতৰ ওপৰত। বাৰিষাৰ ওপৰত। আমি প্ৰতি বছৰে দেখিবলৈ পাইছো শতকৰা ৪০ পৰা ৫০ লৈকে খেতিৰ উৎপাদন বানপানীত নষ্ট হৈ যায়। ইয়াৰ ওপৰিও নানা ধৰণৰ সমস্যা আছে। বিশেষকৈ দুখীয়া খেতিয়ক, যিসকলে ১০ বিঘা বা ১০ বিঘাতকৈ কম মাটি লৈ খেতি কৰি জীৱিকা হিচাবে জীৱন যাপন কৰিছে। সেই দুৰ্দশা গ্ৰস্ত মানুহ খিনিৰ কথা উল্লেখ কৰিব বিচাৰিছো। খেতি বিলাক বানপানী যোৱাৰ পাচত নানা ধৰণৰ পোক-পৰুৱা আহি নষ্ট কৰে। তাৰ ভিতৰত গান্ধীপোক নামে এবিধ পোকে যথেষ্ট সমস্যাৰ সৃষ্টি কৰে। কিন্তু এই বিলাক নিবাৰণ কৰিবলৈ সময় মতে খেতিয়ক সকলে সুবিধা নাপায়। সেইটো অতি দুখলগা। তেওঁলোকে চৰকাৰে দিয়া সুবিধা খিনি লবলৈ পঞ্চায়ত বা বোৰ্ডৰ লগত যোগা-যোগ কৰি থাকোতে যথেষ্ট সময় নষ্ট হয় আৰু কৃষি বিভাগৰ দ্বাৰা ঔষধ পাতি যোগান ধৰালৈকে যথেষ্ট খেতি নষ্ট হৈ যায়।

গতিকে কৃষি বিভাগৰ এই ক্ষেত্ৰত যাতে ব্লক লেভেলতেই হওঁক বা কৃষি বিভাগৰ ফালৰ পৰা তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ পিচত আৰু এটা দেখা যায় যে আমাৰ অঞ্চলত দেখিছো যে বান্দৰৰ উৎপাট বাঢ়ি গৈছে, গাওঁবিলাকত বান্দৰৰ উৎপাট বাঢ়ি গৈছে। গাওঁ অঞ্চলৰ ধান গছ-বিলাক যেতিয়া হয় তেতিয়া সেই বান্দৰ বিলাকৰ উৎপাত আৰু চৰে। যাৰ ফলত আজিকালি ধান খেতিৰ লোকচান হৈছে। ধান পকা সময়লৈকে এক চতুৰ্থাংশ নষ্ট কৰে।

মাননীয় চেয়াৰমেন মহোদয়, তৃতীয়তে আৰু এটা কথা। হাতীৰ উপদ্ৰৱ দিনে দিনে বাঢ়ি গৈছে। লগতে হাতীৰ জনসংখ্যা দিনক দিনে বাঢ়ি গৈছে। যাৰ ফলত আজি কৃষক সকলৰ বিপদ হৈছে। ৬ মাহ হাবক মাটি কৰি তেজক পানী কৰি মানুহে খেতি কৰে আৰু সেই খেতিৰ ধান হাতীয়ে ধ্বংশ কৰে আৰু খেতিয়কে নিৰৱে চাই থাকিবলগীয়া হয়। হাতীৰ উপদ্ৰৱত ধান খেতি নষ্ট হবলৈ এৰি দিবলগীয়া হয়। যোৱাবাৰ ডুমডুমা অঞ্চলত দেখিছিলো

হ্যাতীৰ যথেষ্ট উপদ্ৰব হৈছিল, তেতিয়া আমি ডুমডুমা ডিভিজনৰ লগত যোগাযোগ কৰা হ'ল, তাত ডুমডুমাত ডি, এফ, অ' নাই গতিকে এইটো ডিগবৈ ডিভিজনৰ পৰাহে কৰে। ডিগবৈ ডিভিজনৰ পৰা দেখা যায় তাত গৈ ডি, চি, এচ, ডি, অ' ক যোগাযোগ কৰা হ'ল তাৰ বিহিত ব্যৱস্থা এটা কৰিবৰ বাবে। তাৰ পৰা তেওঁলোকে ব্যৱস্থা লয় মানে বাইজৰ বহু ধান নষ্ট হ'ল। গতিকে কৃষি বিভাগৰ পৰা, চৰকাৰৰ ফালৰ পৰা এটা স্পষ্ট নিৰ্দেশ থাকিব লাগে।

মাননীয় চেয়াৰমেন মহোদয়, আৰু এটা সমস্যা খেতিয়ক সকলৰ হৈছে সেইটো হৈছে গৰুহাল কিনাৰ ব্যৱস্থা। গৰুহালেই হৈছে খেতিয়কৰ আটাইতকৈ প্ৰয়োজনীয় বস্তু। আজি বিজ্ঞান পদ্ধতিত খেতি কৰা কাৰণে অগ্ৰসৰ হৈছে। হলেও অসমৰ আজি ৫০/৬০ ভাগ মানুহেই গৰুহালৰ ওপৰতেই নিৰ্ভৰ কৰি খেতি কৰিবলগীয়া হৈছে। এহাল গৰু কিনিবৰ কাৰণে আজি গাঁৱলীয়া বাইজে ২ হেজাৰ টকা দি কিনিবলগীয়া হৈছে। এজন দুখীয়া খেতিয়কে বছৰটোত খেতি কৰি ৫০/৬০ মোনমান ধান পায়। সেই নিম্নতম উৎপাদনৰ পৰা এজন খেতিয়কে ২ হেজাৰ টকা দি গৰু কিনাটো সম্ভৱ নহয়। প্ৰকৃত খেতিয়কে গৰু বেচা-কিনা নকৰে, কিছু সংখ্যক দালালে গৰু ব্যৱসায় কৰে, গৰু বিলাক সস্তাতে কিনি লয় দুখীয়া হোজা খেতিয়কৰ পৰা আৰু তেওঁলোকে বজাৰত সেইবিলাক বিক্ৰী কৰি বেচি দাম লয় আৰু তাৰ পৰা লাভবান হয়। যাৰ ফলত কমেও ৮/৯ শ মান এহাল গৰুৰ দ্বাৰাই লাভবান হয়। অৰুণাচল, মেঘালয় বাহিৰৰ অঞ্চললৈ এই গৰু পঠিওৱাৰ বাবে ব্যৱস্থা কৰে। গতিকে গৰু কিনা ক্ষেত্ৰত যি দালালৰ ব্যৱস্থা চলি আছে সেই দালালৰ ব্যৱস্থা বন্ধ কৰিব লাগে।

চতুৰ্থতে আমি ডুমডুমা অঞ্চলত গোটেই ডুমডুমা চাবডিভিজনটোতে দেখিছো যে যথেষ্ট সংখ্যক কমলা বাগিছাৰ সংখ্যা বৃদ্ধি হৈছে, মানুহৰ কমলা বাৰী বাঢ়িছে। এই গছৰ যি মুনাফা কিছুমান টাউনৰ বেপাৰীয়ে লৈ আছে। কিয়নো যি সময়ত এই কমলাখিনি চিঙিব লাগে তেওঁলোকে আগতীয়াকৈ গছতে কমলাখিনি কম দামত কিনি লয়। আমি চৰকাৰৰ ফালৰ পৰা গম পাইছো যে মাকুম অঞ্চলত এটি 'অৰেঞ্জ বিচাচ চেণ্টাৰ' আছিল, কিন্তু আজিলৈকে এই অৰেঞ্জ বিচাচ চেণ্টাৰটো সংৰক্ষণৰ ব্যৱস্থা কৰা নহ'ল। এই

ব্যৱস্থা নথকাৰ কাৰণে আমাৰ দুখীয়া খেতিয়ক সকলৰ তেওঁলোকৰ বেচি মূল্য পোৱাৰ পৰা বিৰত থাকিবলগীয়া হৈছে। গতিকে চৰকাৰে এই ক্ষেত্ৰত এটা ব্যৱস্থা লব লাগে যাতে দুখীয়া খেতিয়কে এই কমলা খেতিৰ পৰা লাভবান হব পাৰে। এইখিনিকে কৈ মোৰ চমু বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীবলোভদ্ৰ তামুলী: চেয়াৰমেন মহোদয়, মাননীয় কৃষি মন্ত্ৰী মহোদয়ে যি ৭৫০,৭৬,০২,৩০০.০০ টকাৰ মঞ্জুৰী বিচাৰিছে, তাক সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক বিৰোধীতা কৰিছো। আমাৰ কৃষি বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটো যদি আমি ভাল ধৰণে পৰিচালিত কৰিব নোৱাৰো তেনেহলে অসমৰ অৰ্থনীতি টনকিয়াল কৰিব নোৱাৰিম। কৃষিয়েই হৈছে আমাৰ গঞা ৰাইজৰ প্ৰধান আৰু প্ৰথম আহিলা যাৰ অবিহনে গঞা ৰাইজৰ উন্নতি আশা কৰিব নোৱাৰি। আজি কৃষি বৰ্ষ পালন কৰাৰ কাৰণে যি আঁচনি হাতত লৈছে তাক মোৰ কালৰ পৰা প্ৰশংসা কৰিছো। বিশেষকৈ আমাৰ অসমত এই কৃষি বিভাগত যে কিছুমান দুৰ্নীতি আছে আৰু কিছুমান পৰিকল্পনাত যে খেলি-মেলি হৈছে সেই কথাখিনি আমাৰ মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে উত্থাপন কৰিছে। মই মাত্ৰ কেইটামান পৰামৰ্শহে আগবঢ়াব খুজিছো যাৰ দ্বাৰা আমাৰ কৃষি বিভাগটো এটা কাৰ্য্যক্ষম বিভাগ হিচাপে গঢ় লয়। ঠিক তেনেকৈয়ে আমাৰ মন্ত্ৰী মহোদয়ে, বিভাগৰ কৰ্মচাৰী সকলে যাতে দৃষ্টি ৰাখে তাৰ প্ৰতি অনুৰোধ আৰু আহ্বান জনাইছো। কৃষিৰ লগত আমাৰ কেইটামান দিশ জড়িত হৈ আছে।

মাননীয় চেয়াৰমেন মহোদয়, কৃষিৰ উৎপাদনৰ কাৰণে চৰকাৰে আধুনিক তথা বিজ্ঞান সন্মত কোনো আঁচনি গ্ৰহণ কৰিব পৰা নাই। কৃষিৰ লগত জলসিঞ্চনৰ নিবিড় সম্পৰ্ক আছে। কৃষি আৰু জলসিঞ্চন এই দুয়োটা বিভাগেই বেলেগ বেলেগ হৈ থকাৰ কাৰণে কৃষিৰ উন্নয়নত ব্যাঘাতৰ সৃষ্টি হৈছে। গতিকে কৃষি উন্নয়নৰ স্বাৰ্থৰ পৰিপ্ৰেক্ষিতেতে এই দুয়োটা বিভাগকে একেলগে ৰখাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো দুয়োটা বিভাগৰ সমন্বয় নথকাৰ কাৰণে সাৰ বীজ সময়মতে পালেও পানী নোপোৱাৰ কাৰণে খেতি-বাতি সকলো নষ্ট হৈ যায়। ফলত আধুনিক কৃষিত আমি পিছপৰি গৈছো। গতিকেই মই কৈছো যে, 'চিজনেল ইৰিগেচন'ৰ যিটো ব্যৱস্থা আছিল সেই ব্যৱস্থা পুনৰ কৃষি বিভাগৰ

*Speech not corrected

লগত জড়িত কৰিব লাগে। পাম্প চেট, স্প্ৰীংকলাৰ ইৰিগেশ্যন ইত্যাদিৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ ৰবি শস্যৰ ক্ষেত্ৰত ই অধিক ফলপ্ৰসূ হব।

মাননীয় চেয়াৰমেন মহোদয়, সময়মতে পানী দিব নোৱাৰাৰ ফলত আৰু এই দুয়োটা বিভাগ একেলগে ৰাখিব নোৱাৰাৰ ফলত চৰকাৰে বিভিন্ন সময়ত লোৱা আঁচনি সমূহ কাৰ্য্যকৰী হৈ উঠাত বাধাপ্ৰাপ্ত হৈছে। উদাহৰণ স্বৰূপে যোৱা বছৰ তেল উৎপাদনৰ কাৰণে লোৱা আঁচনিত সৰিয়হ খেতিত সময় মতে পানী যোগান দিব নোৱাৰাৰ কাৰণে যিমান উৎপাদন পাব লাগিছিল সিমান নহ'ল। সেইদৰে এছ, আৰ, পি আঁচনিটো সেই একেই অৱস্থা। গতিকে এই এচ, আৰ, পিৰ আঁচনিৰ ক্ষেত্ৰত শস্যত আগতীয়াকৈ পানী যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় চেয়াৰমেন মহোদয়, কৃষি বিভাগৰ অধীনতে 'লেণ্ড ডেভেলপমেণ্ট' বুলি এটা বিভাগ আছে। সেই বিভাগেও একো কৰিব পৰা নাই। এই বিভাগটো শক্তিশালী কৰি নতুন নতুন মাটি ৰিক্লেইম কৰি কৃষিৰ উপযোগী কৰিব লাগে। ইয়াৰ বাহিৰেও কৃষি বিভাগৰে আৰু এটা শাখা যিটো ইঞ্জিনিয়াৰিং বিভাগ আছে, সেই বিভাগৰ পৰা যি বিলাক ট্ৰেক্টৰ পথাৰলৈ উলিয়াই দিয়া হয় সেই বিলাক পথাৰত একো একোটা স্তম্ভৰ দৰে থিয় হৈ পৰি থাকে। কামত একো নেলাগে। কিন্তু যি বিলাক ট্ৰেক্টৰ প্ৰাইভেটৰ পৰা অনা হয় সেই বিলাক কামত লাগে আৰু তাৰ দ্বাৰাহে খেতি কৰোৱা হয়। গতিকে এই বিভাগৰ তলত থকা ট্ৰেক্টৰ বিলাক কাৰ্য্যক্ষম কৰি তুলিব পৰা যায় তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। মাননীয় চেয়াৰমেন মহোদয়, কৃষি বিভাগ আৰু জেনেৰেল এগ্ৰিকালচাৰ বিভাগৰ মাজত সম্পৰ্ক নাই যেন অনুমান হৈছে। মাননীয় চেয়াৰমেন মহোদয়, মোৰ সমষ্টিতে যোৱা বছৰ এখন স্লুইচ গেট বনালে। কোনো বাস্তৱ 'ইউটিলিটি' নোহোৱাকৈ এইখন কোনে বনালে বুলি, কৃষি বিভাগৰ বিভিন্ন পৰ্য্যায়ৰ বিষয়া সকলক সুধিও একো সদুত্তৰ নেপালো। গতিকে এই ক্ষেত্ৰতে মই এটা পৰামৰ্শ আগবঢ়াব খুজিছো যে, কৃষি বিভাগ আৰু আভিযান্ত্ৰিক কৃষি বিভাগৰ মাজৰ সম্পৰ্কটো উন্নত কৰি তুলিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন পোক পৰুৱাৰ পৰা হাত সাৰিবৰ কাৰণে আৰু শস্য উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে 'প্লেণ্ট প্ৰটেকশ্যন'ৰ আগতীয়া

ব্যৱস্থা কৰিব লাগে। মাননীয় চেয়াৰমেন মহোদয়, বিশেষকৈ 'এগ্ৰো চার্ভিচ চেণ্টাৰ' যি বিলাক খোলাৰ প্ৰস্তাৱ কৰা হৈছে সেই বিলাক কাগজ কলমতে নেৰাখি বাস্তৱত সেই বিলাক কামত লগোৱাৰ ব্যৱস্থা কৰিব লাগে। সেইদৰে আমাৰ এগৰাকী মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই বীজৰ যোগানৰ ক্ষেত্ৰত কৃষি বিভাগ একেবাৰেই ব্যৰ্থ হৈছে বুলি সঁচা কথাই কৈছে। যোৱা বছৰ ধানৰ বীজ বিচাৰি যাওঁতে নেপালে। বছৰৰ শেষত খেতিয়কৰ হাতত ধানৰ বীজ নেথাকে। তেনে অৱস্থাত বাৰেমিহলি ধানৰ সঁচ যোগান দিয়াৰ বাহিৰে আন আৰু একো নহয়। বীজৰ অৱস্থা আৰু সংগ্ৰহ সদায় 'হাৰ্ভেষ্টিং' টাইমত কৰিব লাগে। তেতিয়াহে 'জেনুইন' বীজ সংগ্ৰহ কৰিব পাৰিব। যোৱা বছৰ মনোহৰ শালিৰ বীজ যি বিলাক সংগ্ৰহ কৰা হৈছিল। তাত শতকৰা ৪০ ভাগহে 'জাৰ্মিনেশ্বন' হৈছিল। সেইদৰেই অন্যান্য খেতিৰ বীজ যোগানৰ ক্ষেত্ৰতো যাতে নগজা বীজ যোগান নধৰে তাৰ প্ৰতি চৰকাৰে বিশেষ দৃষ্টি দিব লাগে। সেয়েহে, জেনুইন বীজ যোগান ধৰিবৰ বাবে মই আমাৰ কৃষি মন্ত্ৰীক অনুৰোধ কৰিছো। ইয়াৰ বাহিৰেও, এগ্ৰিকালচাৰ ফাৰ্মিং কৰ্পৰেশ্বনৰ আহিত কিছুমান সৰু সৰু ফামিং কৰ্পৰেশ্বন কৰিবলৈ অনুৰোধ কৰিছো। এনেয়ে আবাদ হৈ পৰি থকা মাটি বিলাকত এইদৰে সৰু সৰু ফামিঙৰ ব্যৱস্থা কৰি আমাৰ নিবনুৱা শিক্ষিত যুৱক সকলক সহায় কৰাৰ ব্যৱস্থা কৰিব পাৰি। ইয়াৰ বাহিৰেও জলকীয়া, কলা জিৰা, ধনিয়া ইত্যাদি বিভিন্ন ধৰণৰ খেতি বিলাক কৰাত আমাৰ শিক্ষিত যুৱক সকলক উৎসাহ যোগাব লাগে। তেতিয়াহে কৃষিৰ বৰ্ষত আমি কৃষিৰ আমূল পৰিবৰ্ত্তন আনিব পাৰিম। এইখিনিকে কৈ দাবী মঞ্জুৰীটো দিবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিলো।

*শ্ৰীআব্দুল জব্বৰ ঃ মাননীয় চেয়াৰমেন মহোদয়, আমাৰ অসম এখন কৃষি প্ৰধান দেশ। ইয়াত খেতিৰ মাটিও আছে, আৰু কৃষকো আছে। কিন্তু অতি দুখ আৰু লাজৰ কথা যে আমি কৃষিজাত সামগ্ৰী আজি বাহিৰৰ পৰা আনিব লাগে। চেয়াৰমেন মহোদয়, এই বিভাগৰ ওপৰত ইতিমধ্যে বহুত কথা বহুত আলোচনা কৰা হৈ গৈছে কিন্তু মূল কথাটো হৈছে কৃষকক যদি মাটি দিয়া নহয় তেন্তে খেতি হব কেনেকৈ ? চেয়াৰমেন মহোদয়, মই চৰকাৰক দোষ দিবলৈ খোজা নাই পূৰ্ব্বৰ চৰকাৰৰ দিনতো বা পূৰ্ব্বৰ চৰকাৰ সমূহৰ দিনৰে পৰা

*Speech not corrected

আজিলৈকে আমাৰ ৰাজ্যত এটা কৃষক বিৰোধী ৰাজনীতি চলি আহিছে। আজি কৃষক সকলক এনেবোৰ কথাই বিমোৰত পেলাইছে। ইয়াৰ মাজত এটা চক্ৰ আছে। আজি আমাৰ জমিদাৰী প্ৰথা, আধিয়াৰ প্ৰথা উঠাই লোৱাৰ পিচত কৃষক সকলৰ অৱস্থা ভাল হব লাগিছিল। কিন্তু হোৱা নাই। আমি এটা কথালৈ চাব লাগে যে আমাৰ বৰ্তমান চৰকাৰে কৃষক সকলক তেওঁলোকৰ প্ৰয়োজন মতে খেতিৰ মাটি দিব পাৰিছেনে নাই? যদি দিব পৰা নাই তেওঁলোকে উৎপাদন ক'ৰ পৰা কৰিব? মই মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যাতে কৃষক সকলক চৰকাৰৰ ফালৰ পৰা মাটি আৰু অন্যান্য কৃষিজাত সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকক কৃষিৰ বিষয়ত নানা ধৰণৰ সহায় সহযোগ আগবঢ়াব লাগে। আজি আমাৰ চৰ অঞ্চলত ভাল গমৰ খেতি কৰা হয়। বানপানী আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ বাধাত পৰিও চৰ অঞ্চলৰ বাইজে অশেষ কষ্ট কৰি যথেষ্ট পৰিমাণ গম খেতি কৰে আৰু তাৰ পৰা ভাল গম উৎপাদন হয়। আজি পঞ্জাব, হাৰিয়ানাৰ পৰা আমাৰ ৰাজ্যলৈ গম অনা হয়। কিন্তু মোৰ বিশ্বাস যদি আমাৰ চৰকাৰে এই চৰ অঞ্চলৰ খেতিয়ক সকলক কিছু সহায় সহযোগ আগবঢ়ায় তেন্তে তেওঁলোকেও যথেষ্ট পৰিমাণৰ গম উৎপাদন কৰিব পাৰিব আৰু মোৰ বিশ্বাস এই গমে দেশৰ নাটনি দূৰ কৰাৰ উপৰিও আন দেশলৈও ইয়াক পঠাব পৰা হব—তাৰ কাৰণে লাগে কেৱল চৰকাৰৰ সহযোগ। মই মাননীয় কৃষি মন্ত্ৰীক অনুৰোধ কৰিছো যাতে তেখেতে বিভাগীয় বিষয়াৰ জৰিয়তে কিছুমান নিৰ্দিষ্ট অঞ্চল গম খেতি উৎপাদনৰ কাৰণে বাচি উলিয়াই আৰু তুবছৰৰ কাৰণে গম উৎপাদনৰ ওপৰত মনোনিৱেশ কৰে, কৃষক সকলক সকলো প্ৰকাৰৰ সা-সহায় আগবঢ়ায়। মোৰ বিশ্বাস এনে এখন আঁচনি ললে আমি গমৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল হব পাৰিম।

চেয়াৰমেন মহোদয়, আজি দৰং জিলাৰ পানবাৰী অঞ্চলত প্ৰশাসনে কৃষক সকলক উচ্ছেদ কৰিছে। জোৰ কৰি কৃষক সকলক উলিয়াই দিছে গাঁৱৰ পৰা আৰু প্ৰশাসনে কৃষিজাত গছ-গছনিবোৰ নষ্ট কৰি পেলাইছে। এই কৃষক বিৰোধী নীতি চৰকাৰে তৎকালে বন্ধ কৰিব লাগে। আমি এই বিধান সভাৰ মজিয়াত যিমানেই ভাল কথা আলোচনা নকৰো—লাভ একো নহব যদিহে এনে কৃষক বিৰোধী কাৰ্য্য-কলাপ বন্ধ নকৰো। কৃষি মন্ত্ৰী ৰাজহ মন্ত্ৰীৰ লগত এই বিষয়টো আলোচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ

কৰিব লাগে। কৃষকৰ ওপৰত চলা এই অত্যাচাৰ বন্ধ কৰিব লাগে।

চেয়াৰমেন মহোদয়, আজি মৰাপাটৰ খেতিয়কে সকলে উচিত মূল্য পোৱা নাই। ধাৰুপেটিয়াত যিটো মৰাপাটৰ ৰেগুলেটিং মাৰ্কেটৰ আছে তাত আজি জঘন্য কাৰ্যকলাপ চলি আছে। ৰেগুলেটিং মাৰ্কেট কেইজনমান বিষয়াই ব্যৱসায়ী কিছুমানৰ লগ হৈ মৰাপাট উৎপাদন কৰা কৃষক সকলক শোষণ কৰিছে। মৰাপাটৰ লাইচেন্সৰ সম্পৰ্কতো বিভিন্ন অভিযোগ শুনিবলৈ পোৱা যায়। এই এচাম ব্যৱসায়ী আৰু মাৰ্কেটৰ বিষয়া লগ হৈ কৃষকক নাৰ্য্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছে। এই সন্দৰ্ভত মই মাননীয় কৃষি মন্ত্ৰীক অভিযোগ দিছোঁ। এই বিষয়টোৰ ওপৰত চৰকাৰে দৃষ্টি দি এনে ধৰণৰ কৃষক শোষণ বন্ধ কৰিব লাগে।

চেয়াৰমেন মহোদয়, আন এটা দুখলগা কথা হ'ল আমাৰ যিটো মানকাছাৰ বোৰ্ডাৰ আছে তাত কাস্টম ডিউটিৰ বিষয়া আৰু বি-এচ-এফৰ লোক সকলে সেই অঞ্চলৰ খেতিয়ক সকলৰ ওপৰত জোৰ জুলুম অত্যাচাৰ চলাই আছে। এই কৃষক সকলে যেতিয়া তেওঁলোকৰ কৃষিজাত সামগ্ৰী বজাৰত বিক্ৰী কৰিবলৈ নিয়ে তেতিয়া বাটতে এই বি-এচ-এফ আৰু কাস্টম ডিউটিৰ বিষয়া সকলে ৰাস্তাতে ধৰি বস্তুবিলাক বাজেয়াপ্ত কৰে আৰু তেওঁলোকৰ বিক্ৰী মূলাৰ টকাখিনি আত্মসাৎ কৰে। মনিকাছাৰ বোৰ্ডাৰত এইবিলাক হৈ আছে, এইবিলাক বন্ধ হব লাগে। বি-এচ-এফ বা কাস্তম ডিউটিৰ বিষয়া সকলে তেওঁলোকৰ দায়িত্ব পালন কৰক, কোনোবাই যদি তেনে কাম কৰিছে বোৰ্ডাৰতে ধৰক কিন্তু ৩০/৪০ কিলোমিটাৰ সোমাই আহি ভাৰতীয় খেতিয়ক সকলক, অসমীয়া খেতিয়ক সকলক জোৰ জুলুম কৰাৰ কি কৰ্তৃত্ব আছে? তেওঁলোকক দৰমহা দিয়া হৈছে তেওঁলোকে বোৰ্ডাৰত কিয় ধৰিব নোৱাৰে? ইয়াৰ ফলত আমি ঘুষুক ঘানাককৈ শুনিবলৈ পাইছো কৃষক সকলে বিপ্লব কৰিব। গতিকে এইবিলাক বন্ধ কৰিব লাগে।

( সময়ৰ সংকেট )

চেয়াৰমেন মহোদয়, চৰ এৰিয়া উন্নয়নৰ কাৰণে আগৰ ৬০ লাখৰ ঠাইত এতিয়া ১ কোটিলৈ বঢ়াই দিয়া বুলি শুনিছো কিন্তু এই টকাখিনিৰে যাতে তেওঁলোকৰ উন্নতি কৰিব পাৰি তাৰ কাৰণে মই কৃষি মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। আনহাতে মই ৰাজহ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো

চৰ অঞ্চলৰ মানুহ বিলাকৰ যিবিলাক মাটি আছে সেই মাটি বিলাকৰ পট্টা দিয়া নাই, পট্টা নাথাকিলে মানুহৰ কিছু দায়িত্ব কমি যায়। গতিকে কৃষি উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে কৃষক সকলৰ যিখিনি অসুবিধা আছে, যিখিনি চৰকাৰৰ কৰিবলগীয়া আছে সেইখিনি সোনকালে কৰি এই অসুবিধা বিলাক দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগে তেতিয়াহলে ভাৰতৰ আন আন ৰাজ্য হাৰিয়ানা, পাঞ্জাব আদিৰ দৰে আমিও কৃষিজাত সামগ্ৰী উৎপাদনত আগবাঢ়ি যাব পাৰিম যিহেতু ইয়াত আমাক প্ৰকৃতি বা বৰষুণ আদিয়ে সহায় কৰে। এই বিলাক সুবিধা অন্যান্য ৰাজ্যত নাই।

Mr. Chairman : Now Hon. Member, Shri Kusumbar Tairai to speak,

শ্ৰীকুসুম্বৰ টাইৰাই (গহঁপুৰ) : চেয়াৰমেন মহোদয়, কৃষি বিভাগৰ কাৰণে কৃষি মন্ত্ৰী মহোদয়ে যি মঞ্জুৰী বিচাৰিছে সেই মঞ্জুৰীকে সমৰ্থন কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। কৃষি মঞ্জুৰীৰ ওপৰত বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰাৰ যুক্তি থাকিলেও কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰি কৃষি বিভাগৰ ওপৰত যি সমালোচনা আগবঢ়াইছে যিবিলাক সমস্যাৰ কথা কৈছে সেইবিলাক নুই কৰাৰ সাহস নাই বুলিয়ে কব লাগিব। কৃষি বিভাগটোত দুৰ্নীতি বা কিছুমান অফিচাৰ যথেষ্ট পৰিমাণে বিৰাজমান হৈ আছে। আজি অসমৰ যি খেতিয়ক তেওঁলোকৰ আগৰ যি পুৰণা পদ্ধতি সেই পদ্ধতিৰ লগত সা-সামঞ্জস্য ৰাখিয়ে আজিও কৃষি কাৰ্য্য চলি আছে। নাঙল, মৈ, বিন্ধা সেই সামান্য সা-সজুলিৰে আজিও আমাৰ খেতিয়ক চলি আছে। অসমৰ খেতিয়ক ৰাইজে খেতি উৎপাদনৰ কাৰণে যিবোৰ সা-সজুলি বা চৰকাৰী সহায় পাইছে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগত যদি তুলনা কৰি চাওঁ তেনেহলে অসমখন বহুত পিচ পৰি আছে। হাৰিয়ানা, পাঞ্জাব, কৰ্ণাটক, মহীশূৰত আজি যি গ্ৰীণ ৰিভোলুচন চলিছে তাৰ তুলনাত অসমখন নগণ্য। আজি আমি কব পাৰো যে অসমখনত সঘনাই হৈ থকা বানপানী বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে অসমত কৃষিজাত সামগ্ৰী বঢ়াব পৰা নাই কিন্তু এইখিনি শান্তনা যথেষ্ট নহয়। অন্যান্য ৰাজ্যৰ তুলনাত অসমে কৃষি উৎপাদনত যিমান আগবাঢ়িব লাগিছিল তাৰ কাৰণে অসম চৰকাৰে যি ধৰণৰ উন্নত সা-সজুলি যোগান ধৰিব লাগি-

ছিল, যি ধৰণৰ বৈজ্ঞানিক সা-সজুলি যোগান ধৰিব লাগিছিল তেনে ধৰণে কৰিব পৰা নাই কাৰণেই উৎপাদনৰ লক্ষ্যতো আগবাঢ়িব পৰা নাই। আমি যিটো দেখিছো কৃষি শিতানৰ ওপৰত আগ-তও নিশ্চয় এনে ধৰণে কৰ্ত্তন প্ৰস্তাৱ আনে আৰু শাসকীয়দলে যুক্তি প্ৰদৰ্শন কৰি মঞ্জুৰী অনুমোদন কৰি লৈ যায়। কিন্তু অনুমোদিত ধনখিনি প্ৰকৃততে খৰছ হৈছে নে নাই প্ৰকৃত পক্ষে কৃষকৰ কাৰণে এই ঋণ খৰছ কৰা হৈছে নে নাই, এই টকাৰে জন-সাধাৰণে কৃষি জাত সামগ্ৰীৰ উৎপাদন বঢ়াব পাৰিছেনে নাই, গাঁওলীয়া খেতিয়কে উন্নতধৰণৰ সা-সজুলি সাৰ আদি পাইছে নে নাই এই দিশবিলাক বিচাৰ কৰা নহয়। গতিকে অন্যান্য বিভাগৰ যেনেকৈ নীতি ঘোষণা কৰা হৈছে ভূমি নীতি বা বন নীতি, কৃষি উন্নয়নৰ কাৰণেও তেনে নীতিৰ প্ৰয়োজন হৈ পৰিছে। অৱশ্যে ৰাজ্যপালৰ ভ'ষণত এটা কথাৰ উল্লেখ আছে যে ১৯৮৮-৮৯ চনটো কৃষিৰ উন্নতিৰ কাৰণে কৃষি বছৰ হিচাবে ঘোষণা কৰা হৈছে। কিন্তু আমাৰ কথা হ'ল কৃষি বছৰ হিচাবে পালন কৰিবলৈ যাওতে কৃষকৰ কাৰণে বিজ্ঞান সন্মত আঁচনি গ্ৰহণ কৰিছে নে নাই, উন্নতধৰণৰ সা-সজুলি যোগান ধৰিবলৈ দিহা কৰিছেনে নাই, প্ৰকৃত খেতিয়কক সাৰ বীজ যোগান ধৰিছে নে নাই এই বিষয়ে আমি লক্ষ্য কৰিব লাগিব। এই বিষয়ে এটা পলিচি মেকিং কৰিব লাগিব যাতে তাৰ জৰিয়তে সৰ্ব্বসাধাৰণ খেতিয়ক ৰাইজে উন্নত ধৰণৰ সুবিধা দিব পাৰি। অকল কৃষি বছৰ ঘোষণা কৰাই যথেষ্ট নহয়। ১৯৮৮-৮৯ চনটোৰ শেষৰ ফালে কৃষি বছৰ হিচাবে অকল ছুখন এখন চেমিনাৰ পতাই যথেষ্ট নহয়। অকল মাৰ্চ এণ্ডিঙত ততাতৈয়াকৈ টকাখিনি ড্ৰ কৰি ৰাখিলেই কৃষিৰ উন্নতি নহয়। কিয় বছৰটোৰ শেষলৈ টকাখিনি ড্ৰ কৰিবলৈ থাকিল এই বিষয়ে অনুসন্ধান হব লাগে। মই বাজেট বক্তৃতাতো কৈছিলো যে গোটেই বছৰটো প্লেন প্ৰগ্ৰেম কৰি, টকাখিনি খৰছ কৰিব নোৱাৰে, বছৰটোৰ শেষৰ ফালে টকাখিনি ড্ৰ কৰিবলৈ দিয়া মানে বিষয়া সকলক দূৰ্নীতি কৰিবলৈ দিয়া হয় লাগিলে তেনেক্ষেত্ৰত টকাকে চাৰে-ন্দাৰ হব দিব লাগে তাত আমি আপত্তি নকৰো। ঠিক এনেকৈ বিভিন্ন বিভাগে মাৰ্চ এণ্ডিঙত টকা ড্ৰ কৰাৰ প্ৰমান আমাৰ হাতত আছে। আমি আজি এইখিনি কথা কলেও নতুন চৰকাৰে কিন্তু ইতিমধ্যে কৃষি উৎপাদনৰ কাৰণে যথেষ্ট ব্যৱস্থাৱলী ঘোষণা কৰিছে, নিৱনুৱা সকলৰ সংস্থাপনৰ কাৰণে উন্নত ধৰণৰ সা-সজুলি, অৰ্থনৈতিক সাহায্য, কৃষি ক্ষেত্ৰত বিশেষ অগ্ৰাধিকাৰ দিয়াৰ

কাৰণে যতপৰোনাস্তি চেষ্টা কৰিছে।

এই অনুমোদিত টকাখিনিৰে বহু সময়ত খেতিয়ক সকলক পেঞ্চন সাহায্য বা আজিকালি কোনো ক্ষেত্ৰত পুৰস্কাৰ হিচাপে দিয়াও পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত অসমত যি কেইজন চাহ খেতিয়ক আছে বা ৰবৰ খেতিয়ক আছে সেই সকলেহে আমাৰ এই সাহায্য পোৱা দেখা যায়। সেয়ে মই কৈছোঁ আমি এনে ধৰণৰ এটা কৃষি নীতি আৱিষ্কাৰ কৰিব লাগিব যাৰ দ্বাৰা গাওঁৰ খেতিয়ক ৰাইজে উদগণি পায় আৰু খেতিৰ বাবে উৎসাহিত হয়, তেনে ধৰণৰ কিবা এটা কৰিব পৰা নাযায় নে! উন্নত ধৰণৰ বীজ, সাৰ, কীটনাশক ঔষধ আদি যোগান ধৰি আমি এজন কৃষকৰ উৎপাদন বৃদ্ধি কৰাব নোৱাৰোনে? এনে ধৰণে কৰিবলৈ হলে আমি কৃষকক উন্নত ধৰণৰ সা-সজুলি যোগান ধৰিব লাগিব। আমাৰ চাচনী অঞ্চলত সাৰ যোগান ধৰিবৰ বাবে অনুমতি দিছে এজন প্ৰমোদ কোৰী নামৰ মাৰোৱাৰী এজনক। এইটো এটা উদাহৰণহে। ৰাজ্যৰ প্ৰত্যেক ঠাইতে এই ধৰণৰ ঘটনা হৈ আছে। মানুহে সাৰ, বীজ আদি পোৱা নাই বুলি সদায়ে সকলো ঠাইতে আপত্তি কৰা আমি শুনিছো। তাৰোপৰি কৃষি সম্প্ৰসাৰণ বিষয়া সকলে কৃষি পথাৰত পৰিদৰ্শন কৰিবলৈ নাযায়। বিভিন্ন সময়ত আমি দেখিছো যৌথ প্ৰচেষ্টাত যি বিলাক খেতি কৰিবলৈ লোৱা হৈছে, সমবায় আদিৰ ক্ষেত্ৰত খেতি চেলেকা পৰিছে। মানে গুটি ধৰা নাই। তাত পানী যোগান সময়মতে হোৱা নাই। ৰাইজে বহু সময়ত বিষয়া সকল বা চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰিও একো সহাৰি বিষয়া সকলৰ পৰা পোৱা নাই। আমি দেখিছো যোৱা পাঁচ বছৰে বিভিন্ন অঞ্চলত ফিল্ড এডমিনিষ্ট্ৰেটৰ বিষয়া সকলৰ কাৰণে প্ৰতিটো অঞ্চলত একোটাকৈ পকী ঘৰ সজা হৈছে। কিন্তু এতিয়া তাত কি হৈছে, কি কৰিছে, কোন আছে, তাক বিচাৰ কৰিবলৈ কোনো নাই যেন লাগিছে! সেইটো অলপ চাব লাগে। সেয়ে আমি ভাবিছো আমাৰ চৰকাৰে আজি এটা নতুন কৃষি নীতি আৱিষ্কাৰ কৰিব লাগে যি নীতিৰ জৰিয়তে নিৰ্দিষ্ট সময়ত খেতিয়ক ৰাইজক উন্নত ধৰণৰ সা-সজুলি যোগান ধৰিব লাগে, সাৰ ব্যৱস্থা কৰি দিব লাগে আৰু জলসিঞ্চনৰ ব্যৱস্থা পৰ্য্যাপ্ত পৰিমাণে কৰি দিব দিব লাগে। আমাৰ চৰকাৰে অগভীৰ নলীনাদৰ জৰিয়তে গাওঁৰ অঞ্চল বিশেষত যি পানী যোগানৰ ব্যৱস্থা কৰিছে সি অতি নগণ্য। বীজৰ ক্ষেত্ৰত

এটা কথা কওঁ এই যে যোৱা ৪০ বছৰে অসমত থকা দুখনকৈ কৃষি বিশ্ববিদ্যালয়ে এতিয়ালৈকে পৰ্য্যাপ্ত পৰিমাণৰ উন্নত বীজ আবিষ্কাৰ কৰিব পৰা নাই। এইটো বৰ দুখৰ কথা। অসম এখন কৃষি প্ৰধান দেশ। কৃষিৰ ওপৰতে নিৰ্ভৰ কৰি অসম চলিছে। সভ্যতাৰ প্ৰথম আবিষ্কাৰেই হৈছে কৃষি। আদিম জনজাতি সকলে হাবিত ফলমূল খাই ঘূৰি ফুৰোতে খাই পেলাই দিয়া গুটিৰ পৰাই যি গছ হৈছিল সেয়াই কৃষিৰ প্ৰথম পদক্ষেপ। তাৰ লগত তুলনা কৰিলে অসম আজি সেই অৱস্থাৰ পৰা বৰ বেছি দূৰ আগবঢ়া নাই। এই ধৰণে চলি থাকিলে আমি ভাৰতৰ অন্যান্য ৰাজ্যৰ লগত কেনেকৈ সমানে আগবাঢ়ি যাব পাৰিম? সেয়ে এই কৃষি বিশ্ববিদ্যালয় দুখন উন্নত কৰিবৰ কাৰণে কৃষি মন্ত্ৰী মহোদয়ে দৃষ্টি দিব লাগে। অৱশ্যে আমি এই বছৰ কৃষিৰ ক্ষেত্ৰত বিশেষ উন্নত কৰিবৰ কাৰণে চেষ্টা কৰা আমি দেখিছোঁ। সেয়ে এই চেষ্টাৰ লগতে আৰু নতুন নতুন আঁচনি কৰি কৃষিৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে চেষ্টা কৰিবলৈ মই কৰ্তৃপক্ষক অনুৰোধ জনাইছোঁ। লগতে কৃষিৰ ওপৰত যাতে সকলোৱে গুৰুত্ব দিয়ে তাৰ বাবে অনুৰোধ কৰিলোঁ। আজি কৰ্তন প্ৰস্তাৱৰ ওপৰত যি আলোচনা আদি হ'ল তাৰ ওপৰত বিভাগীয় বিষয়া সকলে যেন গুৰুত্ব সহকাৰে বিবেচনা কৰে যেন এই আশাই আমি ৰাখিলোঁ। কৃষিৰ ওপৰত যি দাবী মঞ্জুৰী অনা হৈছে তাত যি টকা বিচৰা হৈছে সেই টকা খিনি দিয়াৰ বাবে কৃষি মন্ত্ৰী মহোদয় অনুৰোধ জনাই সামৰণি কৰিলোঁ।

Shri Silvius Condpan : Hon'ble Chairman, Sir, in support of the cut motion moved by our opposition members I would like to make a brief discussion on the grant of agriculture. Sir, much has been agitated by our Hon'ble Members both from treasury bench and opposition bench regarding the hardship faced by the agriculturists inspite of the existence of department of agriculture. Sir, I remember that I have been suggesting many things on the floor of the House about this department for the last 10 years but I have not seen any change in the line we had

suggested. Sir, this department is not a new one. The Ministry may change but the department is a continuous process—it never dies and any suggestion that comes on the floor of the House should be borne in mind by the department and they should try to implement in a manner it is possible. This I have not seen. Sir, we have been agitating that the department of agriculture has no coordination with the co-related departments, as for example, Irrigation Department. The Irrigation Department is to irrigate water to the aggriculturists. Agriculture Department is standing on the foot of the farmers and the agricultural land held by the farmers can be said to be department's firms and the department should ensure that that the agriculturists get the irrigation water. The farmers are confronted with these problems. Sir, in every district there is a District Co-ordination Committee or Development Committee.

Sir, I suggest through you that the Government should have an advisory committee in every District and Sub-Divisional headquarters for improvemtnt of agriculural activities of the farmers and to see that the real modern agricultural facilities are reaching the farmers. It is not reaching now. We speak very much about the modernisation of agricultural activities and facilities but these never reach the farmers. The Agriculture Department has Gram Sevaks, VLEWS, but Sir, you will also agree with me that in your Constituency also, when are the farmers are in extreme need of the Gram Sevaks and VLEWS they are not found; when the standing crops are infested

with insects and required to be given pesticides, you will not get the staff for rescue of farmers to save their crops. These things we have been agitating for years. But the situation has not changed at all. Through you Sir, I would request the Minister, Agriculture to see this part of the situation in the department should improve. I have seen in my area the farmers are interested in large scale production of potatoes; they borrow money from banks and do the potato cultivation. As my friend Shri Hemen Das has mentioned, there is no cold storage facility or provision which would help the cultivators to get their support price, the price that is due to them according to market rate. These things should be done in the area where it is necessary. The Department should identify the area where such cash crops and other agricultural crops are produced in large scale and the farmers need support for ensuring better price.

Next thing I want to mention, Sir, is about the Agricultural University. Agricultural University for what? Only to produce Agricultural Graduates, master degree holders for white collar jobs? I do not think so. Initially the objective for having the Agricultural University was to help in bringing modern agricultural activities in our State to help the farmers, to have progressive ideas. But Sir, if we look at this point we will have a sad and unhappy answer. There are scientists, highly paid scientists, but what in return they are giving to the farmers? Are they giving modern agricultural activities or idea on agricutural activities? We have to see this. We are going to pass

this grant whereby a huge amount of money will go to the Agricultural University but little will go for the welfare of the agriculturists. We have to see that the Agricultural University fulfil their contribution and purpose for which the University was established. This has not come up to the mark or expectation of the farmers and those leaders in the Government who brought this University with the hope that it will cater to the needs of the farmers of Assam. Sir, I was associated with Agricultural University Apex Body and I think you are also in the Board of Management. Now t me has come that the Agricultural University will have to be improved so that it does not confine itself only the task of educating students and produce agricultural graduates only. It should have another duty to find out means, to find out resources, ways and means for protecting the interest of the farmers and their crops in the fields. If it is done, then much will be done by the Agricultural University for the farmers of Assam. Sir, I am repeating that for speedy implementation of the schemes for helping the farmers in the village area there should be District and Sub-Divisional Advisory Committees, what type of the people Government will put in these committees it is up to the Government, where through these committees the Department of Agriculture will be in a position to know things without delay about what is to be done for safeguarding the interest of the farmers and the agricultural produce, if and when it is necessary.

With these suggestions, I support the cut motion and I conclude.

*শ্ৰীদুৰ্গাদাস বড়ো : মাননীয় সভাপতি মহোদয়, কৃষি বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুটামান পৰামৰ্শ দিব বিচাৰিছো। মই নিজে জনা হোৱাৰে পৰা অৰ্থাৎ মোৰ বয়স ডেৰকুৰি ধৰিলে পোন্ধৰ বছৰ মানৰ পৰা কিছু কিছু কথা বতৰা জনা হৈছো বুলি ধৰিলেও যোৱা পোন্ধৰ বছৰৰ পৰাই মই বুজা হৈছো। মই নিজে খেতিয়কৰ ল'ৰা কিন্তু চাহ খেতিয়কৰ নহয়। পথাৰত আলু, ধান, মৰাপাট কৰা খেতিয়কৰ ল'ৰাহে। মই নিজে হাল কোৰ মাৰি খেতি কৰিছো। কিন্তু জনা হোৱা দিনৰে পৰা কৃষি বিভাগ বুলি যে এটা বিভাগ আছে সেইটো মই বা মোৰ মা-দেউতাই বা আমাৰ গাওঁৰ কোনো খেতিয়কে জনা নাই। কিবা যে সহায় সাহায্য গৈ আমাৰ গাওঁ অঞ্চলত আগবঢ়াব লাগে সেইটো কথা কৃষি বিভাগৰ পৰা আজি পৰ্য্যন্ত দেখা নাই। কোনো ধৰণৰ যোগাযোগ গাওঁ অঞ্চলৰ লগত থকা বুলি উপলব্ধি কৰিব পৰা নাই। আজি কৃষি বিভাগৰ পৰা নতুন এটা কথা ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট কৰি কোনে দিলে নাজানো কিন্তু কৃষি বৰ্ষ পালন কৰা হব বুলি এটা কথা সোমাই দিছে।

মাননীয় সভাপতি মহোদয়, আপুনি আহিও আপোনাৰ বক্তব্য ৰাখিব। কৃষি বৰ্ষ পালন কৰিবৰ কাৰণে বাজেটত যিখন কিতাপ তৈয়াৰ কৰা হৈছে সেই কিতাপখন চলিত বছৰৰ নহয় কিয়নো তাত ইয়াৰ কাৰণে এটকাও ধন ধৰা হোৱা নাই। দ্বিতীয় কথা হৈছে কাৰ পৰা পৰামৰ্শ লৈ কৃষি বৰ্ষ পালন কৰিবলৈ লোৱা হৈছে, ইয়াৰ দ্বাৰা কি কি নতুন নতুন পৰামৰ্শ বা পৰিকল্পনা কৃষক সকলৰ কাৰণে আগবঢ়াব বিচাৰিছে সেইটো বুজি পোৱা নাই। গাওঁলৈ গৈ প্ৰকৃত খেতিয়কৰ পৰা সেই পৰামৰ্শ বিলাক সংগ্ৰহ কৰিছে নে ইমান দিনে বিভাগটোত পচাই থোৱা বিষয়া সকলৰ পৰা সেই পৰামৰ্শ বিলাক লৈছে সেইটোও বুজিব পৰা নাই। কৃষক সকলে ইমান দিনে সেউজ বিপ্লৱত কিয় অবিহণা যোগাব পৰা নাই সেই বিলাক কৃষি ক্ষেত্ৰত গৈ পৰামৰ্শ লোৱা হোৱা নাই। প্ৰকৃত চেনচাচ কৰি সেই পৰামৰ্শ বিলাক অনাৰ কোনো প্ৰচেষ্টা লৈছে নেকি নে কিহৰ ভিত্তিত কৃষি বৰ্ষ পালন কৰিবলৈ লৈছে বুজি পোৱা নাই। তথাপিও মই দুটামান পৰামৰ্শ আগবঢ়াম। ইয়াৰ বিপৰীতে টকা লাগিব। তথাপিও আগবঢ়াম। কিয়নো

*Speech not corrected

কৃষি বৰ্ষত এই পৰামৰ্শ সমূহ নিদিলে অসমৰ কৃষক সকলে পিছৰ বছৰ সমূহতো অন্ততঃ এই পৰামৰ্শৰ কাৰণে পাব লগা খিনিৰ পৰা বঞ্চিত হব বুলি মই আশা কৰিছো।

এই বিভাগৰ উন্নতি কল্পে মই দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। কিন্তু পৰামৰ্শ কেইটা আগবঢ়োৱা পলম হ'ল কিয়নো এই পৰামৰ্শকেইটা কাৰ্য্যত পৰিণত কৰিবলৈ টকা লাগিব আৰু এই টকা খিনি নতুনকৈ ধৰিবলৈ আৰু সময় লাগিব। কৃষি বৰ্ষত এই পৰামৰ্শ কেইটা নললেও আৰু কৃষি বৰ্ষত পালন নকৰিলেও ইয়াৰ পিছৰ বছৰ কেইটাত মই দিব খোজা পৰামৰ্শ কেইটা পালন কৰিলে কিছু কামত আহিব বুলি মই আশা ৰাখিছো। এতিয়া এই পৰামৰ্শ সমূহ আগবঢ়োৱাৰ আগতে মই আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য কন্দৰ্পান ডাঙৰীয়াই গ্ৰামসেৱকৰ কাৰ্য্যকলাপ সম্পৰ্কে যিটো কথা উল্লেখ কৰি গৈছে সেই সম্পৰ্কে মইয়ো অলপ কব বিচাৰিছো। গ্ৰামসেৱকৰ কাৰ্য্যকলাপ সম্পৰ্কে কাটমোচনৰ সময়তো উল্লেখ কৰা হৈছে। প্ৰকৃতাৰ্থত গ্ৰাম সেৱক সকলে চৰকাৰৰ পৰা মাহেকীয়া ধন লৈ তেওঁলোকৰ পৰিয়ালৰ সেৱা কৰাৰ বাহিৰে অইন একো কাম কৰা নাই। গ্ৰাম সেৱক সকল কোৱাটাৰত নাথাকে। আমাৰ কিছুমান এক্সটেনশান অফিচাৰ দিয়া হৈছে। এই গ্ৰামসেৱক সকলে কি কাম কৰিছে একো নোচোৱাকৈ আৰু তেওঁলোকে বেয়া কাম কৰাৰ পিচত আকৌ নতুন নতুন কিমান পোষ্ট ক্ৰিয়েট কৰা হৈছে। এই গ্ৰামসেৱক সকলে মোৰ দেউতাৰ পৰা শিকিবলৈ বহুত আছে। এওঁলোকে আহু ধানৰ খেতিৰ কঠিয়া আৰু শালি ধানৰ কঠিয়া কেতিয়া পেলাই নাজানে, কেৱল আহুধানৰ কঠিয়া পেলোৱাৰ পাছত কেতিয়া সম্পূৰ্ণ হব সেইটোহে জানে। কোন খিনি সময়ত বৰষুণ পৰিব ই ভগৱানৰ ওপৰত এওঁলোকে এই বিষয়ে একো নাজানে। কৃষি সম্প্ৰসাৰণ বিষয়া সকলে বোধহয় কেতিয়াও খেতি কৰি পোৱা নাই। তেওঁলোকে মেডিকেল বা ইঞ্জিনিয়াৰীংত চিট নাপাই এগ্ৰিকালচাৰ বিশ্ববিদ্যালয়ত চিট লৈ পাচ কৰি আহি ডাইৰেক্ট কৃষি বিভাগত সোমাইছে, গতিকে মই কৈছো যে এওঁলোকৰ পৰা শিকিব লগীয়া একো নাই। দুই এজন ভাল বিষয়া নথকা নহয়, এওঁলোকেও এই পয়ঁলগা বিভাগটোৰ মাজত সোমাই নিজেও পয়ঁলগা হৈ পৰে আৰু থিক সেই একেই অৱস্থা হৈছে। মই সেই কাৰণে কেইটামান পৰামৰ্শ আগ-

ৰঢ়াব বিচাৰিছো। প্ৰথমতেই গ্ৰামাঞ্চলত এই বিভাগৰ যিসকল গ্ৰামসেৱক আৰু কৃষি সম্প্ৰসাৰণ বিষয়া যি সকলৰ কৃষিৰ ক্ষেত্ৰত যথেষ্ট জ্ঞান আছে আৰু তেনে ধৰণৰ জ্ঞান থকা লোক আছে তেখেত সকলক পঠিয়াই গ্ৰামাঞ্চলৰ খেতিয়কে খেতি কৰাৰ কাৰণে যিখিনি অসুবিধা পাইছে সেই অসুবিধা খিনি জানি বুজি আহি তাৰ ব্যৱস্থা গ্ৰহণ কৰক আৰু অসুবিধা সমূহ দূৰীকৰণ কৰাৰ কাৰণে চেষ্টা কৰক। দ্বিতীয়তে কৃষকক বিভিন্ন উপায়েৰে ঋণ দিয়া হয়। কেতিয়াবা শস্যৰ বীজ কিনাৰ কাৰণে ঋণ দিয়া হয়, কেতিয়াবা ট্ৰেক্টৰ ব্যৱহাৰ কৰাৰ কাৰণে লোণ দিয়া হয় আৰু কেতিয়াবা জলসিঞ্চন ইত্যাদিৰ ব্যৱস্থাৰ কাৰণে লোণ দিয়া হয়। কিন্তু এই লোণ বিলাক পাওঁতে ৰঙাফিটাৰ যি মেৰপাক সেই মেৰপাকত পৰি যেতিয়া ভাগ ভাগ কৰি দি আহিবলগীয়া হয় তেতিয়া তেওঁলোকে বিনা পইচাত যে লোণ পাইছে সেইটো পাহৰি যায়। গতিকে অতি কম হাৰত আৰু সহজ লভ্য ভাবে কৃষকে লোণ পায় তাৰ ব্যৱস্থা কৰিব লাগে। তৃতীয়তে কৃষিৰ সাহাৰ্য্য সমূহ এগৰাকী সদস্যই কোৱাৰ দৰে যিজন খেতিয়কে এখন ভালকৈ দৰ্খাস্ত লিখি দি তেল-তুল মাৰিব পাৰে, গ্ৰামসেৱক আৰু কৃষি সম্প্ৰসাৰণ বিষয়াক ভালকৈ ভাত এসাজ খুৱাব পাৰে সেইসকল লোকেহে এই সাহায্য বিলাক পায়। দুখীয়া মানুহে মাতি নি ভালকৈ এসাজ খুৱাব নোৱাৰে। গতিকে প্ৰকৃত খেতিয়ক আৰু দুখীয়া খেতিয়ক সকলে যাতে কৃষিৰ সাহায্য বিলাক পায় তাৰ কাৰণে ব্যৱস্থা কৰক। সভাপতি মহোদয়, আমাৰ কৃষি-জাত সামগ্ৰী কিছুমান ঠাইত কিছুমান জিলাত চাৰপ্লাচ হয়। যেনে দৰং জিলাখন কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত চাৰপ্লাচ এৰিয়া। কিন্তু এই এৰিয়া বিলাকত খেতিয়ক সকলে কোনো দিশতে সাহায্য পোৱা নাই। তেওঁলোকে নিজ বাহুবলেৰে যিখিনি খেতি কৰি চাৰপ্লাচ কৰিব পাৰিছে তাত তেওঁলোকক ইন্ধন যোগাবলৈ চৰকাৰৰ ফালৰ পৰা সকলো প্ৰকাৰৰ সা-সুবিধা আৰু উৎসাহ যোগাব লাগে যাতে তেওঁলোকে তাতকৈও অধিক শস্য উৎপাদন কৰাৰ কাৰণে উৎসাহ পায়। মোৰ শেষ পৰামৰ্শটো হ'ল কিছুমান বীজ উৎপাদন কৰা ফাৰ্ম আছে তাত আমাৰ মন্ত্ৰী মহোদয়ে প্ৰশ্নোত্তৰ কালত কৈছে যিমান কুইণ্টল বীজ সিঁচিছে সিমান কুইণ্টল বীজ ঘূৰাই নাপায়। এনেকুৱা অৱস্থা হৈছে আমাৰ কৃষি ফাৰ্ম বিলাকৰ। মোৰ ঘৰৰ ওচৰত এখন কৃষি ফাৰ্ম আছে তাত কিমান বীজ

উৎপাদন কৰিব পাৰিছে সেই বিষয়ে আমি নজনা নহয়। গতিকে এই বীজ ফাৰ্ম বিলাকত সকলো ধৰণৰ সা-সুবিধা দি স্থানীয় সেই অঞ্চলৰ কৃষক সকলৰ লগতে অসমৰ অন্যান্য কৃষক সকলকো ভাল বীজ যোগান ধৰিব পাৰে তাৰ কাৰণে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰক। লগতে নগজা বীজ নিদি ভাল বীজ যাতে যোগান ধৰে তাৰ ব্যৱস্থা অতি সোনকালে কৰক। একেবাৰে শেষত মই গৰম খবৰ দিব বিচৰা নাই ডব্লিউ, পি, টি, বি, চি বিভাগৰ আমাৰ কমিশ্যনাৰ ডাঙৰীয়াই আজি কেইদিনমান আগতে এটা কথা কৈছিল অৱশ্যে সেই কথাটোৰ সত্যতা কিমান আছে নাজানো। এই কৃষি বিভাগত জনজাতীয় শিতানত যিখিনি টকা-পইচা আছিল সেই টকা-পইচা খিনি খৰচ কৰিব নোৱাৰাৰ কাৰণে ট্ৰাক, গাড়ী কিনিবলৈ প্ৰস্তাৱ আগবঢ়ালে আৰু বিভাগৰ কমিশ্যনাৰে সেইটো ৰিজেক্ট কৰি পঠিয়ালে। তেওঁ কলে যে টকা লাগিলে ঘূৰিয়েই যাওক কিন্তু গাড়ী কিনিবলৈ টকা দিব নোৱাৰি। এইবিলাক যাতে নহয় এইটো চাব লাগে। মই আৰু এটা উদাহৰণ দিব বিচাৰিছো সেইটো হৈছে কৃষকক কেনে ধৰণে সহায় কৰা হৈছে, এটা কৃষি চাব-ডিভিজন খুলিছে খৈৰাবাৰীৰ পৰা ছিপাঝাৰ অঞ্চললৈ একেবাৰে সীমাত পাঠৰিঘাটত যাৰ কাৰণে কৃষক সকলৰ এই অফিচলৈ যাব লগা হোৱাৰ কাৰণে অধিক খৰস্ৰান্ত আৰু অসুবিধা ভোগ কৰিবলগীয়া হৈছে। মঙ্গলদৈলৈ যাব পৰা হলে সুবিধা হ'লহেতেন, কিন্তু একেবাৰে সীমাত কৰাৰ কাৰণে বহুতো অসুবিধাৰ সন্মুখীন হব লগা হৈছে। চাবডিভিজন বিলাক মধ্যস্থ ঠাইত হব লাগে। মধ্যস্থ ঠাইত নহৈ কিয় সীমাত কৃষকক হাৰাশাস্তি কৰিবৰ কাৰণে হ'ল সেই বিষয়ে বিভাগীয় মন্ত্ৰীয়ে তেওঁৰ বক্তব্যত এটা সৎ উত্তৰ দিব বুলি আশা কৰিলো। আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে এই কাটমোশ্যন আলোচনাৰ কাৰণে আনিছে আৰু আলোচনা শেষ হোৱাৰ পিচত নিশ্চয় তেখেত সকলে কাটমোশ্যান উঠাই লব। যিখিনি টকা ধাৰ্য্য কৰা হৈছে সেইখিনি নিচেই নগণ্য হৈছে গতিকে মই মঞ্জুৰীটোৰ প্ৰতি পূৰ্ণসমৰ্থন জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীশ্বহীদুল ইছলাম: মাননীয় সভাপতি মহোদয়, কৃষিৰ শিতানত যিটো দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ ওপৰত অনা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন জনাই

*Speech not corrected.

মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। কৃষিৰ যিটো বিষয় এই বিষয়টোৰ লগতেই আমাৰ বেচি সম্পৰ্ক। কিয়নো আমি খেতিবাতি কৰা মানুহ। গতিকে খেতিৰ ওপৰত আমাৰ অভিজ্ঞতা আছে অইনৰ সেই অভিজ্ঞতা কম। আমাৰ কালচাৰটোৱে হৈছে এগ্ৰিকালচাৰ, আমাৰ মেইন কালচাৰ হৈছে এগ্ৰিকালচাৰ। কিয়নো আমাৰ শতকৰা এশ ভাগ মানুহেই খেতিবাতিৰ ওপৰত নিৰ্ভৰ কৰে আৰু প্ৰতিঘৰ মানুহৰ ঘৰতেই নাঙল আৰু যুৱলি আছে। পঞ্জাব আৰু হাৰিয়ানাতকৈ কোনো গুণেই কম নহয় আৰু আমাৰ খেতিয়কৰ খেতিৰ প্ৰতি যিটো প্ৰয়াস এই প্ৰয়াস বঢ়াবলৈ পৃথিবীৰ অন্যান্য যিবিলাক উন্নতিশীল দেশ আছে সেই বিলাকত আধুনিক যন্ত্ৰপাতিৰে খেতিবাতি কৰাৰ আৰু বিজ্ঞান সন্মত ভাবে খেতিবাতি কৰাৰ যি ব্যৱস্থা কৰিছে আজি স্বাধীন হোৱাৰ ৪০ বছৰ পাচতো অসমৰ নিচিনা ঠাইত তেনে ব্যৱস্থা নহ'ল আৰু কৃষিৰ আমূল পৰিবৰ্ত্তন অনাৰ কোনো ব্যৱস্থা হৈ উঠা নাই। কৃষি বিভাগটো এটা চাইনবোৰ্ডৰ বিভাগ। কৃষি নিগম যিটো আছিল সেইটোও উঠি গ'ল। আগতে কিছুমান চাইনবোৰ্ড দেখিছিলো আৰু তাৰ কাষতে কোৱাৰ্টাৰত থকা অফিচাৰ বিলাকে কেৱল চাইনবোৰ্ড আৰি থৈছিল কিন্তু কাম হলে একো হোৱা নাই। এই চাইনবোৰ্ড বিভাগত কাম কৰিবলৈ বৰ্ত্তমান যিজন মন্ত্ৰী আগবাঢ়ি আহিছে সেই মন্ত্ৰীৰ লগত বিভাগৰ বিষয়া সকলৰ লগত এটা বাকযুদ্ধ হৈ গৈছে আৰু এই বিষয়ে বাতৰি কাকতত প্ৰকাশ পাইছে। এইবাৰ হয়টো কাম হব পাৰে। মই আশা কৰিছো বৰ্ত্তমান কৃষিবৰ্ষৰ কথা কৈছে এই বৰ্ষটো আগৰ পৰাই চলি আহিছে। কৃষিবৰ্ষ ঘোষণা কৰাতো সহজ কিন্তু ইয়াক কিমান দূৰ কাৰ্য্যকৰী কৰিব পাৰি সেইটোহে আচল কথা। কৃষিবৰ্ষ বাদ দি অসমৰ জলবায়ু যিহেতু ভাৰতবৰ্ষৰ কোনো ঠাইৰ লগতেই নিমিলে, ইৰিগেচন নকৰাকৈয়ো আমাৰ খেতি কৰিব পাৰি। আমি যিটো আশা আকাঙ্খাৰে আঁচনি লৈছো সেই হিচাবে পঞ্জাব হাৰিয়ানাতকৈ আগবাঢ়িব পাৰিম। উত্তৰ পূৰ্বাঞ্চলৰ এই অসমত আমি যদি আধুনিক পদ্ধতিৰে খেতি কৰিব পাৰো আৰু যদি বিজ্ঞান সন্মত ভাবে খেতি কৰিব পাৰো তেতিয়াহলে ৯০ দিনৰ ভিতৰত খেতি চপাব পাৰিম। এবিঘা মাটিত ৩ মাহৰ ভিতৰত ৩০।৪০ মোন যদি শালিধান হয় তেতিয়াহলে এবছৰৰ চাৰিবাৰ খেতি হলে ১২০ মোন শালিধানৰ খেতি হব। এবছৰতেই যদি

এবিঘা মাটিত ইমান খেতি হয় তেতিয়াহলে সমগ্র অসমতে যিমান খেতি হ'ব তাৰে আমি সমগ্র উত্তৰ পূৰ্বাঞ্চলক খুৱাই ৰাখিব পাৰিম। এইখিনি অসমৰ মাটিত উৰ্বৰা শক্তি আছে। আধুনিক আৰু বিজ্ঞান সন্মত পদ্ধতিৰে আগ-নাবাঢ়িলে এই ধৰণে কাম হৈ নুঠিব। আমাৰ কথা এষাৰ আছে 'নাঙল যাৰ মাটি তাৰ' কিন্তু আমাৰ অধিকাংশ মানুহেই মাটি দখল কৰি খেতি নকৰি বহি আছে। গতিকে যি সকলৰ হাতত খেতি নকৰাকৈ মাটি পৰি আছে সেই মাটি বিলাক চিলিং এক্টৰ উদ্বৃত্ত মাটি উলিয়াই লৈ প্ৰকৃত যি সকল খেতিয়ক তেওঁলোকৰ নামত পট্টন দিব লাগে আৰু তাত আধুনিক পদ্ধতিৰে খেতি কৰাত ইন্ধন যোগাব লাগে। তেতিয়াহলে অসমৰ সমস্যা সমাধান কিছু হব।

আন এষাৰ কথা আছে 'ভোকৰ ভাত পিয়াহৰ পানী এইকেইটা নহলে দেহা হয় হানি'। এই দুটাই আচল কথা। দুবেলা দুমুঠি খাবলৈ ভাত আৰু পানী থাকিলে আমৰ খেতিয়ক আৰু ৰাইজৰ স্বাস্থ্য থাকিব আৰু তেতিয়া কৰ্মৰ প্ৰতি প্ৰেৰণা পাব। লগতে খাদ্য সমস্যাৰো সমাধান হব। এই প্ৰধান খাদ্য সমস্যাৰ সমাধান হলে কৃষিৰ উন্নতিকল্পে কাম কৰিবলৈও তেওঁলোকে প্ৰেৰণা পাব। গতিকে কৃষি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে ৰাজহ মন্ত্ৰীৰ লগত আলোচনা কৰি খেতিৰ কাৰণে প্ৰকৃত খেতিয়ক উলিয়াই দিয়াৰ ব্যৱস্থা কৰিবলৈ অধিসূচনা জাৰি কৰে, নতুন আইন কৰে আৰু ইয়াৰ দ্বাৰা অসমখনক খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত সমৃদ্ধিশালী কৰি তুলিবলৈ পাঞ্জাব হাৰিয়ানাৰ আৰ্হিৰে অসমত খেতি কৰি অসমৰ বৈপ্লৱিক পৰিবৰ্তন আনিব পাৰে। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে বহুত আশা-আকাঙ্ক্ষা লৈ আগবাঢ়ি আহিছে। এইখিনি সম্পাদন কৰিবলৈ যাওঁতে যদি কোনোবা বিষয়াই চৰকাৰী কামত হেমামী কৰে তাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লৈ অসমত কৃষিৰ ক্ষেত্ৰত আমূল পৰিবৰ্তন আনিব বুলি আশা কৰি কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীডালিম ৰয়: মাননীয় সভাপতি মহোদয়, মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো মঞ্জুৰী দাভি ধৰিছে সেইটো পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যিটো কাট মোচন আনিছে তাৰ বিৰোধীতা কৰি দুটামান পৰামৰ্শ দিব বিচাৰিছো। আমি দেখা পাইছো বিগত দিন বিলাকত কৃষি বিভাগৰ জৰিয়তে অসমত যিখিনি টকা ধৰা হৈছিল আৰু খৰচ কৰা হৈছিল

*Speech not corrected

সেইখিনি প্ৰকৃততে কৃষক বা কৃষিৰ উন্নতিৰ কাৰণে হোৱা নাই বুলি কব পাৰি। কাৰণ দেখা গৈছে এই সময় ছোৱাত কৃষক সকলৰ বিশেষ কোনো উন্নতি নহ'ল আৰু তেওঁলোকৰ অৱস্থা দিনক দিনে দুৰ্বল হৈ আহিল। সেইদৰে খেতি উৎপাদনো সন্তোষজনক নহ'ল। তেনে এটা উপলব্ধি সকলোৰে হৈছে। কাৰোবাৰ কুচক্ৰান্ততেই হওক বা ৰাজনৈতিক কাৰণতেই হওক কৃষিজাত সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত যথেষ্টখিনি আসোঁৱাহ চকুত পৰিছে। অৱশ্যে আমাৰ মাননীয় সদস্য সকলে বিষয়া সকলৰ বিৰুদ্ধে সমালোচনা কৰিছে। মই বিষয়া সকলৰ কথা সমালোচন কৰিবলৈ নাযাও। কিয়নো সকলো বিষয়াই দুৰ্নীতি পৰায়ণ নহয়। তাৰ মাজতো ভাল বিষয়া আছে। বিগত ৪০ বছৰৰ যিটো দুৰ্নীতি চলি আছিল আৰু তাত যেনেকৈ অভ্যস্ত হৈছিল আজি দুটা বছৰতেই সেইটো আঁতৰ কৰিব নোৱাৰি। যেতিয়ালৈ নিজৰ নৈতিক মনোবল ঘূৰাই নানে আৰু নৈতিকতাৰ পৰিবৰ্ত্তন নহয় আৰু নিজৰ দায়িত্ব বুজি কাম নকৰে তেতিয়ালৈ কৃষিৰ উন্নতিৰ ক্ষেত্ৰত যে আগবাঢ়িব নোৱাৰিব সেইটো সকলোৱে স্বীকাৰ কৰিব। গতিকে যি সকল উচ্চক্ষমতা সম্পন্ন বিষয়া ও ব্যক্তি এই দায়িত্বত আছে তেওঁলোকক অনুৰোধ কৰিছো যাতে নিজৰ নিজৰ দায়িত্ব পালন কৰাত দ্বিধাবোধ নকৰে আৰু যি সকলে অসম খনক কৃষিৰ ক্ষেত্ৰত আগবঢ়াই নিবলৈ দায়িত্ব লৈছে বা দায়িত্বত আছে তেওঁলোকে যাতে নিৰপেক্ষ ভাবে কামত ব্ৰতী হয় তাকেই আশা ৰাখিছো।

চেয়াৰমেন মহোদয়, আমাৰ এই কৃষক সকলৰ উন্নতি কৰিব লগা হলে কিছুমান কথা চাব লাগিব। মই বেলেগ জিলাৰ কথা নাজানো, আমাৰ ধুবুৰী জিলাত কৃষকৰ হয়তো মাটি আছে, কিন্তু মাটিৰ পট্টা নাই। সেই খিনি জমিদাৰৰ নামত আছে। বহুত কৃষকে ঋণ লবলৈ গৈ ঘূৰি আছে। যিহেতু তেওঁলোকৰ নামত মাটি নাই, সেয়েহে তেওঁলোকে ঋণ নেপায়। গতিকে তেওঁলোকে জমিদাৰৰ ওচৰলৈ যায় আৰু লোনৰ কিবা এটা পাৰচেণ্ট দিহে লোন লয়। এই বিলাক কথাৰ সৃষ্টি হৈছে। আমাৰ চৰকাৰে কৃষকৰ সৰ্ব্বাঙ্গীন উন্নতি কৰাটো প্ৰয়োজন। তেওঁৰ দখলত যিখিনি মাটি আছে, সেই খিনি তেওঁৰ নামত পট্টা দিয়াৰ চৰকাৰে ব্যৱস্থা কৰিব লাগে।

চেয়াৰমেন মহোদয়, কৃষিৰ ক্ষেত্ৰত প্ৰধান সমস্যাই দেখা দিছে মৰাপাট। মৰাপাট হ্ৰাস পোৱাৰ বাবে কৃষক সকলৰ সমস্যা হৈছে। এই মৰাপাটৰ

অৱস্থা আজি ২০ বছৰ আগতে যেনেকুৱা আছিল তেনেকুৱা নহয়। কাৰণ আজি ভাৰতবৰ্ষৰ প্লাষ্টিক কোম্পানীত মৰাপাটৰ যি ডিমাণ্ড আছিল, সেইটো কমি গৈছে। আমি জুট কৰপোৰেশ্বনত দেখা পাইছো যে চৰকাৰে যি মূল্য বান্ধি দিয়ে তাৰ আধা মূল্যত মৰাপাট লয়। আমাৰ কৃষকৰ মাটি পৰি থাকিব লগীয়া হৈছে। যদি সেই মাটি পৰি থাকিব লগীয়া নহ'লহেতেন, তেনেহলে এই যে প্লাষ্টিক কোম্পানী আছে তাত যোগান ধৰিব পৰা গ'ল-হেতেন। মই ভাবো ব্যৱসায়ী সকল মিলি বুদ্ধিজীৱি সকলৰ লগত চক্ৰান্তত আগবাঢ়িছে। অসমত প্লাষ্টিক নাছিল। ১শ ডেৰ শ টকাত বিক্ৰী কৰিছে। আজি ৪০ টকাত বিক্ৰী কৰিব লগা হৈছে। এই খিনিৰ ওপৰত দৃষ্টি ৰাখি চৰকাৰে কৃষিৰ উৎপাদনৰ এই সামগ্ৰী সমূহৰ কাৰণে যাতে ব্যৱস্থা লয় তাৰ কাৰণে অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Altaf Hossain Mazumdar : Hon'ble Mr. Chairman, Sir, I also take the same stand in support of the cut-motion moved by the Hon'ble Members from the opposition. Sir, as I have said earlier, Agriculture Deptt. is the most challenging department. As a matter of fact, Sir, ours is an agricultural economy. Sir, whatever policy statements are made by the Hon'ble Minister earlier on the floor of the House, I can say almost in certainity that during the last $2\frac{1}{2}$ years led by this Government nothing tangible has come out in our agricultural development and, I am almost sure, that in the field of employment it will bring nothing remarkable to our boys. I would like to put this fact in record because of the way it functions at present. As a matter of fact, Sir, this Agriculture Deptt. has now lost that charisma. It has now become a neglected department. Some years back when a Minister taking the charge of Agriculture Deptt. went to his residence, then his wife congratulating him

said that you had gone there to become the Agriculture Minister—আনৰ পেলাই দিয়া চোলাটো লৈছা নেকি? Then, there is another saying that you have just picked up the old garments rejected by others. আগৰ চৰকাৰে বেয়া কৰিছে মানি ললো। This is the attitude towards the Agriculture Deptt. But, Sir, realistically our economy is agro-based. Our agricultural economy is now neglected. We very often hear that this State Government is not given proper financial assistance by the centre. Everytime it is stated that Central Government deprives the State Government. Sir, this is not the way to condemn the Centre. If you really mean business and really want agricultural development, then you select some boys and give them proper training. You must have that strategy because you know it well that our boys are not agricultural minded and they do not prefer to go to rural areas. They prefer to live in towns and accustomed to town life. Therefore, you will have to create an atmosphere for them. You are to select some boys who are really interested and give them some training for Agriculture. You will have to give them some amount of stipend say Rs. 100/- or so to meet their pocket money etc. In this way, you can proceed in this matter. Then, there is another slogan that you cannot make much headway because of the fact that the earlier Government has done this and that. Everytime you give blame that no progress can be made because of the earlier Government has committed some mistakes. Sir, this sort of propaganda will not serve the purpose because the same set of officers are there

and these officers have also worked under the previous Government and are now working under the present Government. Here I will cite an instance. When you engage a music teacher for your brother or sister and when you discharge the earlier one and appoint another new one, then the new one will give blame to the earlier teachr and say that the earlier has spoilt your brother/sisters's training. So, this is the attitude of the new teacher. So is the attitude here; When any new Government comes then they give flame to the earlier Government. Similarly, Sir, when A. G. P. Government will go, the new Government which will also do the same thing. This is the traditional song. Sir, I was waiting to participate in the cut motions of Transport Deptt. which is indulging in lot of corruption and as a matter of fact I was not interested to participate in this cut motion of Agriculture Deptt. Sir, when Mr. Patowary has got the agriculture Ministry and can try some sort of innovation and that is my request to the Government let him think whether he can bring about some change, let him jump to new thinking, traditional way of working in agriculture should be harmonesed with new development because the agriculture has now become more scientific. Then Sir, we should find out what are their problems, what thinking are there in the minds of the youths, the argiculturists. They should have talks with the youths, try to open their eyes for the betterment of agriculture. Even the Minister agriculture shall have to bring the University for agriculture in extention works.

I do not say they are useless. It depends upon how we can best utilise their telents. These scholars, research workers can be brought closer to the agriculturists. Take them at equal level. Take them at par because they know this machinery can do for improvement of agriculture.

The next thing Sir, unless we can control these V. L.Ws you will be able to show as failure as everybody else and after some years this A.G.P. Government will also be blamed with the same words that the A.G.P. Government did not do anything for improvment of Agriculture. Sir, unless these workers, who are tagged with the agriculturists made very much close to the cultivators, I think, position will not improve. So my earnest hope and request to the Minister is to try and make some innovation in agricultural field. Thank you, Sir,

*শ্ৰীনৰেণ তাতী : মাননীয় অধ্যক্ষ মহোদয়, কৃষি মন্ত্ৰী ডাঙৰীয়াই কৃষিৰ শিতানত যি দাবী মঞ্জুৰী উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো। অসম দেশখন কৃষি প্ৰধান হোৱাৰ কাৰণে অসমীয়া মানুহ বিলাক কৃষিৰ ওপৰত নিৰ্ভৰশীল হৈ আহিছে। কিন্তু তেওঁলোকে ১২ মাহেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰিব পাৰিছে বুলি মই কব নোৱাৰো। কাৰণ আমি দেখি আহিছো যে প্ৰত্যেক বছৰেই আমাৰ ৰাজ্যলৈ অন্যান্য ৰাজ্যৰ পৰা শস্য আমদানি কৰি আহিছে। কৃষিৰ ক্ষেত্ৰত আমি স্বাৱলম্বী হব পৰা নাই। নিজৰ ভৰিৰ ওপৰত আমি ঠিয় দিব পৰা নাই। আমি উন্নত পদ্ধতিৰে খেতি কৰিব পৰা নাই। আমি কিয় কৃষিৰ ক্ষেত্ৰত উন্নতি লাভ কৰিব পৰা হোৱা নাই তাৰ দুটামান কাৰণ মই কব বিচাৰিছো।

প্ৰথমতে হৈছে আমাৰ নাঙল আৰু গৰু। আজি আমাৰ পথাৰত নাঙল আৰু গৰু এই পুৰণি পদ্ধতিটোকে খেতিৰ পদ্ধতি হিচাবে চলি অহিছে। তাৰো পিছ আৰু এটা ব্যৱস্থা হৈছে যে খেতি কৰিবৰ বাবে খেতিয়কক

---

*Speech not corrected

ঋণ দিয়া। আমি খেতিয়কক যি পৰিমাণৰ ঋণ দিব লাগে সেই পৰিমাণে ঋণ দিব পৰা নাই। উন্নত পৰ্যায়ত খেতি কৰিবৰ কাৰণে যি সাৰৰ ব্যৱহাৰ কৰিব লাগে সেই সাৰৰ ব্যৱহাৰ কৰিব পৰা নাই। উন্নত পদ্ধতিত খেতি কৰিবৰ কাৰণে আমাক যি উন্নত যন্ত্ৰ পাতি লাগে সেই বিলাক যন্ত্ৰ পাতি আমাৰ হাতত নাই।

আমি কৃষি বুলি কওঁতে অকল ধান বা মৰাপাটকে বুলিলে নহব। ইয়াৰ উপৰিও মাহ জাতীয় খেতিকে আদি কৰি ফল ফুলৰ খেতি, হৰটিকালচাৰ এই বিলাকো ধৰিব লাগিব। হৰটিকালচাৰৰ ক্ষেত্ৰত চৰকাৰে কি কৰিছে সেইটো চাব লাগে। ১৯৮৩ চনত দেখিবলৈ পাইছিলো যে কৃষি বিভাগৰ মানুহে ঘৰে ঘৰে গৈ কাৰ ঘৰত ডাঙৰ ৰঙালাও আছে বিচাৰি ফুৰিছে তাৰ কাৰণ হৈছে যে কাৰোবাৰ বাৰিত ডাঙৰ ৰঙালাও পালে তাকে আনি কৃষি বিশ্ববিদ্যালয়ে উৎপাদন কৰিছে বুলি দেখুৱাব। এইটো কথাত আমি আচৰিত হলো। কিয় প্ৰদৰ্শনীৰ কাৰণেও চৰকাৰে নিজা ৰবীয়াকৈ ডাঙৰ ৰঙালাও উৎপাদন কৰিব নোৱাৰে? এইটো কথা হৈছিল ১৯৮৩ চনত। কৃষি বিশ্ববিদ্যালয়ে ল'ৰা ছোৱালী প্ৰডাকচন কৰিছে—

(সদনত হাঁহিৰ ৰোল)

মই বেলেগ ল'ৰা ছোৱালী প্ৰডাকচন কৰাৰ কথা কোৱা নাই।

মাননীয় অধ্যক্ষ—আপোনাৰ সময় ২ মিনিট।

শ্ৰীনৰেণ তাতী: হব, মই ২ মিনিটতে শেষ কৰিম।

গতিকে এই বিলাক কথা চাব লাগে। মই চাহ বাগিচাৰ ল'ৰা। চাহ খেতি কেনেকৈ কৰিব লাগে মই জানো। বৃটিচে আহি চাহ পুলি ৰুই দিলে। এতিয়া চাহখেতি আমাৰ বুলি কোৱাৰ গৌৰব নাই। কাৰণ অসমীয়া ল'ৰাই চাহখেতি কৰিব পৰা নাই। গতিকে অসমীয়া লৰাক চাহ খেতি কৰিবৰ কাৰণে উৎসাহ দিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

Mr. Speaker : Now, hon'ble Minister, Agricultere, will give his reply.

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষিমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আজি কৃষিৰ শিতানত মাননীয় সদস্য কেইগৰাকীমানে সদনৰ মজিয়াত কৃষিৰ সমা-

সোচনাৰ মাধ্যমেৰে যি খিনি আমালৈ উপদেশ আগবঢ়াইছে, কৃষি মন্ত্ৰী হিচাবে দাবী মঞ্জুৰীৰ ওপৰত কোৱাৰ আগতে মাননীয় সদস্য সকলসৈ ধন্যবাদ আগবঢ়াইছো।

মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱেই জানো যে অসম ৰাজ্যৰ যিটো বৃহৎ জনশক্তি সেইটো কৃষিৰ লগত নিয়োজিত। প্ৰায় শতকৰা ৮০ ভাগ আমাৰ জনশক্তিৰ কৃষিৰ লগত জৰিত হৈ আছে। কিন্তু তাৰ বিনিময়ত আমি কৃষিৰ পৰা তুলনামূলক ভাবে যি ( ৰিটাৰ্ণ ) পাব লাগিছিল সেইখিনি পোৱা নাই। আমাৰ মাননীয় সদস্য সকলে এই বিভাগৰ ওপৰত যি বিলাক চ'ৰ্জ আনিছে সেই বিলাক মই গভীৰ ভাবে উপলব্ধি কৰিছো। এই গভীৰ উপলব্ধিৰ কাৰণেই আমি ইয়াৰ নিৰাময়ৰ প্ৰচেষ্টা হাতত লৈছো।

উপাধ্যক্ষ মহোদয়, আমি কোনো চৰকাৰকে ব্লেম দিবলৈ যোৱা নাই। কোনে কি কৰিলে সেইটো কথা কবলৈ যোৱা নাই। মাত্ৰ এটা কথা কবলৈ ওলাইছো যে যিটো এফোৰ্ট চলোৱা হয় সেইটো ডেফ্‌ট অৱডি প্ৰবলেম হব লাগে। We should always go to the depth of the problem. Always the effort which will be applied, it depends upon the depth of the problem and the problem which are related to agricultural sector are long term problems. These are not the problem of to-day, these are not the problem of AGP Government, but these problems have been there for the last ten years. It is a continuous and indigenous problem and we have to realise that problem. And now we are trying to rectify that problem we are trying to find out some sort of solution in this regard. It will take time to get the return of our efforts made by us in this regard but my answer is that we have made our own effort. আমি আমাৰ প্ৰচেষ্টা চলাই আছো। কিন্তু তাৰ ৰিটাৰ্ণ পাওতে হয়তো পলম হব। কিন্তু এফোৰ্ট চলাই আছো। আজি মাননীয় সদস্য সকলে বৰ সাকৰা কথা কৈছে। সচাকৈ বৰ সাকৰা কথা। কিন্তু কো'অৰডিনচন অকল কৃষি বিভাগত দিলে নহব।

*Speeed not corrected

There should be some short of coordination from Irrigation Department. তেখেত সকলে কোপাৰেচনৰ কথা কৈছে। কোপাৰেচন কোপাৰেচন ডিপাৰ্টমেন্টৰ পৰাও লাগিব। এই কাৰণেই লাগিব যিহেতু অলপ আগতে এজন মাননীয় সদস্যই কৈছে যে কোপাৰেচন বিভাগৰ পৰা ঋণ পাওতে খেতিৰ সময় শেষ হ'ল। ইয়াৰ লগত ইৰিগেচনৰ কথাও আছে। ইৰিগেচনৰ লগত আকৌ ইলেকট্ৰিচিটিৰ সম্পৰ্কও আছে। Already that effort for coordination of all concerned departments for rapid development in the Agriculture Sectors of Assam have already been made. আমি কবলৈ পাই সুখী হৈছো যে, আমি ইতিমধ্যে মুখ্যমন্ত্ৰীৰ চেষ্টাৰত সমবায় বিভাগ, বিদ্যুৎ বিভাগ, জলসিঞ্চন বিভাগ আৰু কৃষি বিভাগ মিলি সমন্বয় কৰাৰ পদক্ষেপ আৰম্ভ কৰিছো। মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশত এই ব্যৱস্থা আৰম্ভ কৰিছে। এই ব্যৱস্থা অকল জলসিঞ্চন মন্ত্ৰী, কৃষি মন্ত্ৰী বা সমবায়, বিদ্যুৎ মন্ত্ৰী বহি প্ৰচেষ্টা চলালেও ফলাফল সোনকালে নাপাম। এইটো পদক্ষেপ ডিচট্ৰিক্ট লেভেলত ৰূপান্তৰিত কৰিছো। আকৌ ডি চিৰ জৰিয়তে সকলো বিভাক অফিচাৰ মাতি আনি সমন্বয় কৰিব লগা হৈছে আৰু ব্লক লেভেলত ৰূপান্তৰিত কৰিব লগা হৈছে। We have made coordinated effort which is most indispensible. গতিকে মই অত্যন্ত সুখেৰে জনাও যে এফোৰ্ট ইতিমধ্যে আৰম্ভ কৰিছো। পুনৰ গঠনৰ কথাটো কোৱা হৈছে ই বৰ দৰ্কাৰী। কৃষি বিভাগৰ পুনৰ গঠন নকৰিলে কৃষিৰ উন্নতি হব নোৱাৰে। আজি হেমেন দাসে কৈছে যে, কৃষি বিভাগ পুনৰ গঠন কৰক। উদাহৰণ স্বৰূপে মই কব বিচাৰো যে এই পুনৰ গঠনৰ গুৰুত্ব উপলব্ধি কৰি কৃষি বিভাগৰ মন্ত্ৰী হোৱাৰ এসপ্তাহৰ পাচত ২০-১১-৮৭ তাৰিখে কৃষি সচিবলৈ চিঠি লিখিছিলো। In Agriculture Reorganisation is very important. This is very important aspect of the Agriculture Department. (Letter written by Minister, Agriculture to Secretary Agriculture dated. 30. 11. 87) "Regarding reorganisation of Agriculture Department necessary proposals may be put up before me immediately which is discussed with you in our meeting".

গতিকে মই মন্ত্ৰী হোৱাৰ এসপ্তাহৰ পাচত পুনৰ গঠন কৰিবলৈ যাওঁতে বহুত সমস্যা আহি পৰিছে। এই সমস্যাৰ কাৰণে যে পুনৰ গঠন নহব সেইটো নহয়। মই চেক্রেটাৰীলৈ এটা অৰ্ডাৰ দিছো যে, উত্তৰ কাছাৰ সংক্ৰান্তৰ কাৰ্য্যালয় উত্তৰ কাছাৰলৈ পঠাই দিয়ক। কিছুদিন পাছত গম পালো অবশ্যে শুনা কথা এই কাৰ্য্যালয় স্থানান্তৰিত খবৰ শুনি অফিচাৰৰ হাৰ্ট এটেক হ'ল। এই ধৰণে বহুত প্ৰেচাৰ আহিল। কথা হ'ল কাৰ্যালয় যাবই লাগিব। গতিকে পুনৰ গঠনৰ ব্যৱস্থা খিনি আমি ইতিমধ্যে গ্ৰহণ কৰিছো। আমাৰ ৩ নং কাৰণ হ'ল পানীৰ বৰ ডাঙৰ সমস্যা হৈছে। আমাৰ মাটি বিলাক এনেকুৱা যে, পানী নহলে কৃষি নহয় আৰু পানী বেচি হ'লে খেতি মৰি যায়। এই দুটা কথাৰ কাৰণে আমাৰ খেতিৰ উৎপাদন কমিছে। স্বাধীনতাৰ ৩০ বছৰ পাচত এই কৃষি বিভাগে প্ৰধানকৈ আহু আৰু শালী খেতিৰ ওপৰত নিৰ্ভৰ কৰে। বড়ো ধানৰ বাবে সকলোতে পানী নাই। কলিঙ্গ আদি কৰি দুই এবিধ ধানৰ সঁচ আহিছে। কথা হ'ল লং ডিউবেচনৰ খেতি হলে নহব। এই দুটা খেতিৰ ভিতৰত এটা খেতি বানপানীত মৰি যায়। বানপানীৰ কথা আপুনি ভালকৈ জানে কাৰণ খবালী আপোনাৰ তাত বানপানী হৈ থাকে। যদি ধৰি লওঁ অসমত ১০ হাজাৰ কুইন্টল ধান পাব লাগিছিল তাত মাত্ৰ ৩ হাজাৰ কুইন্টল পাওঁ, বাকীখিনি পানীয়ে মাৰি পেলায়। এই পানীয়ে নষ্ট কৰা খিনিৰ ক্ষতি পূৰণৰ বাবে তৃতীয় বিধ খেতি নাই আৰু তাৰ বাবে উৎপাদন কমি গৈছে। মই দুদিনমান সদনত নাছিলো। দিল্লীৰ এখন মিটিঙত বৰ লাজ পাইছো। ভাৰত চৰকাৰৰ মন্ত্ৰী আছে, ৬ জন অফিচাৰ আছে আৰু মই অকলে আমাৰ অফিচাৰৰ কিবা কাৰণত সময় নিমিলিল। তাত নথিত দেখা গ'ল ১৯৮৪-৮৫ চনত অসম ভাৰতৰ ভিতৰত সকলোতকৈ তলত। ১৯৮৫-৮৬ চনত উৎপাদনৰ ক্ষেত্ৰত ৩ নং লৈ আহিছো। এইবাৰো সেই একেই অৱস্থা হৈছে। মোক ইয়াৰ কাৰণ সোধাত মই কলো বানপানী হৈ মৰি যায়। কিন্তু এই ধৰণে কিমান আৰু কিমান বছৰ চলি থাকিব পাৰিব? এই বিষয়ত মই বান নিয়ন্ত্ৰণ মন্ত্ৰীকো কৈছো। আমাৰ ইয়াত পানীয়ে নষ্ট কৰা ক্ষতিপূৰণৰ বাবে তৃতীয় বিধ খেতিৰ ব্যৱস্থা নাই। পানীৰ সুবিধা নাই। ৰিপোৰ্ট মতে এতিয়ালৈকে ৫০ হাজাৰ হেক্টৰ মাটিত জলসিঞ্চন হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই পোৱা ৰিপোৰ্ট মতে ৫৮ হেজাৰ হেক্টৰ মাটি ইৰিগেচনে পানী যোগান ধৰিছে। It is so less in comparison with the total agricultural land in Assam. এতিয়া কথা হ'ল এই ৫৮ হেজাৰ হেক্টৰ মাটিত যে পানী যোগান ধৰা হৈছে তেনেহলে বাকীখিনিত কিয় ধৰা হোৱা নাই। অসমত মানুহৰ সংখ্যা দিনে দিনে বাঢ়ি গৈ আছে, অসমত বেচি খেতি কৰিব লাগিব। যদিহে আমি অসমখন উন্নতি কৰিবলৈ যাওঁ তেতিয়াহলে তৃতীয়টো খেতি কৰিবই লাগিব। আমাৰ মাননীয় সদস্য শ্ৰীকুটুম ডাঙৰিয়াই উল্লেখ কৰিছে যে তৃতীয়টো খেতি কৰিবৰ কাৰণে বিধান লাগিব ; যিটো খেতি পানী নোহোৱাকৈ কৰিব লাগিব। শুকান মাটি হলেও সেই খেতি হব, ধান পোৱা যাব। আমাৰ যিটো মনোহৰ শালি ধান আছে ই দীঘলীয়া সময় লয়। অসমত ৪টা ফাৰ্মিং কৰিছে' অসমত 'ভেৰাইটি' মাটি আছে। অসম 'এগ্ৰিকালচাৰ ইউনিভাৰচিটিয়ে' ইয়াৰ ওপৰত আলোচনা বিলোচনা কৰি আছে। কিন্তু সেই অনুপাতে তেওঁলোকে কোনো তেনেকুৱা 'ভেৰাইটি' উলিয়াই দিব পৰা নাই। অৱশ্যে মণিপুৰত এইখিনি কৰিব পাৰিছে। এই খন চিঠি মোৰ লগত আছে মই সদনৰ জ্ঞাতাৰ্থে পঢ়ি দিছো "Secretary, Agriculture, Please call for a report regarding research matters and development of rice and other important agricultural crops from our Department as well as from the Agricultural University .... the matter may be treated as most urgent......." এইটো এখন ৰিপৰ্ট দিছে। চেক্ৰেটাৰীয়ে বিচাৰিছে, ইউনিভাৰচিটিয়ে বিচাৰিছে, কিন্তু ৰিপৰ্ট অংশ নাই দিব কব পৰা ?

মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এগ্ৰিকালচাৰ ইউনিভাৰচিটিয়ে চাইনটিষ্ট বহুৱাই দিছে, সেই বিলাক চাইনটিষ্টে উলিয়াই দিব পৰা নাই। ৫০ হেজাৰ হেক্টৰ মাটি ইৰিগেছনত আছে, কিন্তু সেই মাটিত খেতি হোৱাৰ বিচাৰ আদি হোৱা নাই। এগ্ৰিকালচাৰ মন্ত্ৰী শ্ৰীধীলন ডাঙৰীয়াক মই দিল্লীৰ ৰাম মনোহৰ হস্পিতালতে (তেওঁৰ তেতিয়া ভৰিনে হাত এখন ভাঙ্গিছিল) তাতেই মই লগ ধৰি এখন চিঠি দি আহিছো আৰু তেখেতে চেক্ৰেটৰীৰ লগত আলোচনা কৰি ২৫ কুইণ্টল ধান 'চিদ' হিচাপে দিছে। 'চিদ' পঠিয়াইছে। আজি অসমত যদি এইটো পপুলাৰ কৰি দিব পৰা যায় তেনেহলে

'থাৰড্ ক্ৰ'পচটো' কৰিব পৰা হব। তেতিয়াহলে বাকী কেইটা খেতি 'ডেমেইজড' হলেও তৃতীয় খেতিটোৰ দ্বাৰা তাক পূৰণ কৰিব পাৰিব। কথা হ'ল এইটো ব্লক লেভেলট ৰিঅ'ৰগেনাইজড্ কৰিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মানুহৰ এটা দোষ আছে যে ডি, চি'ৰ ওচৰলৈ গৈ কিয় সাৰ পোৱা নাই. বা ডিষ্টিক এগ্ৰিকালচাৰ অফিচাৰৰ ওচৰত গৈ কব নোৱাৰে. চৰকাৰে স'ৰ দিয়া স্বত্বেও তেওঁলোকে কিয় সাৰ পোৱা নাই। কিন্তু আজি মেডিকেলৰ ক্ষেত্ৰত সেইটো 'ক্লিয়েৰ' হৈছে, বাইজে হস্পিতেল বিলাকত, ডিস্পেন্সৰী বিলাকত চৰকাৰৰ বিনামূলীয়াকৈ ঔষধ আদি সময় মতে পাই আছে। কিন্তু আজি এগ্ৰিকালচাৰত এইটো হোৱা নাই গতিকে এইটো ৰিঅ'ৰগেনাইজ কৰিব বিচাৰিছো। তাৰ বাবে ব্লক লেভেলত আমাৰ গুদাম থাকিব লাগিব, অফিচাৰ থাকিব লাগিব, ডাক্তৰ থাকিব লাগিব, ঔষধ থাকিব লাগিব, সাৰ আদি থাকিব লাগিব। এইবোৰৰ ব্যৱস্থা কৰি থকা হৈছে। কেইটামান ব্লক এই আঁচনিৰ ভিতৰত যাতে সামৰি লব পৰা যায় সেইটো চিলেকচ্ন কৰি থকা হৈছে। এইবিলাকৰ লগত মাৰ্কেটিঙৰ কথা আছে। 'মাডাৰ টেকনচিয়ান'ৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত যিবিলাক 'পাৱাৰ টিলাৰ' দায়িত্ব দিব বিচাৰিছো, এই বিলাকৰ ব্যৱস্থা কৰিবলৈ লৈছো। প্ৰত্যেকটো ব্লক লেভেলতে শিক্ষিত নিবনুৱাই যাতে সুবিধা পাব পাৰে এনেকুৱা কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, অসমত আজি ১৩৫ টা ব্লক আছে আটাইবিলাক একে সময়তে সামৰি লব পৰা নহব। পৰ্য্যায় ক্ৰমে ইয়াৰ ব্যৱস্থা লোৱা হব। বেংক সমূহৰ লগত যোগাযোগ কৰি 'পাৱাৰটিলাৰ' বিলাক কেনেকৈ দিব পাৰে সেইটো চাব লগীয়া হৈছে। কৃষি বিভাগৰ ক্ষেত্ৰত 'ফামিং' টেইনিং হব লাগে। এই টেইনিং এটা 'ইনডিচপেনচিবুল' পাৰ্টি। কিন্তু কিয় নেগলেক্টেট্ হৈ আছে সেইটো মই এতিয়াই ধৰিব পাৰিছো। ১৯৮৮ চনতো আমি "কৃষি বৰ্ষ" হিচাপে ঘোষণা কৰিছো, অ.ক 'ফামিং' টেইনিংৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ অহাৰ পিছত ৬.৫ লৈকে নিবলৈ আমি সক্ষম হৈছো। এইটো মিছা নহয়।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, কোনটো মিছা?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই যিটো কথা কৈছো সেইটো মিছা নহয়। ভাৰতবৰ্ষৰ এভাৰেজ ৫০ কে, জিৰ ওপৰত।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, এইটো 'এভাৰেজ' চাহ বাগান বিলাকক লৈহে কৰে।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰবি খেতিৰ সময়ত বহুত বিলাক সাৰ ব্যৱহাৰ কৰা হৈছে। বানপানীৰ সময়ত আমি এই বিলাক দিব নোৱাৰো। হলেও আমি এই খিনি বঢ়োৱাৰ কাৰণে চেষ্টা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, তেল বীজ উৎপাদন কৰাৰ ক্ষেত্ৰতো অসমৰ দ্বাৰা অভিলেখ স্থাপন কৰা হৈছে। অসমত ৫ লাখ মেট্ৰিক টন লাগে। এতিয়ালৈকে ১.৪৪ লাখ মেট্ৰিক টন হৈছিল। যিটো প্ৰজেক্ট লোৱা হৈছিল তাৰ কাৰণে ৫ লাখ মেট্ৰিক টন লাগে। এইবাৰ আমাৰ ৪ লাখ মেট্ৰিক টন হৈছে। দিল্লীও এই বিলাক কথাত পতিয়ন গৈছে আৰু 'নেশ্বনেল টি, ভি'ত এই বিলাক কথা 'ব্ৰডকাষ্ট' কৰিছে। আমাৰ এই পবিত্ৰ সদনৰ মাননীয় সদস্য সকলে যি বিলাক গঠনমূলক সমালোচনা আগবঢ়াইছে তাৰ কাৰণে মই বৰ ভাল পাইছো। ইতিমধ্যে এই খিনি ব্যৱস্থা চৰকাৰৰ ফালৰ পৰাও লোৱা হৈছে। মই ইতিমধ্যে কৈছোৱেই যে, The problem is a long drawn problem গতিকে ইয়াৰ 'ৰিজাল্ট' পাওতে অলপ সময় লগাটো স্বাভাৱিক। 'অইল চীড'ৰ ক্ষেত্ৰত এটা 'চেলেঞ্জ' হিচাবে লবলৈ কোৱা হৈছে। আমি সেইটো লৈছো আৰু 'হুইট, মাহ, পিয়াজ' ইত্যাদিৰ ক্ষেত্ৰত আমি লৈছো, We take it as a challenge and will make our best endeavour to make our state self-sufficient in this regard. আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই নগজা বীজৰ সংক্ৰান্তত অনুসন্ধান কৰিবলৈ কৈছে.......। এই বিষয়ে অনুসন্ধান দিয়া হৈছে আৰু ইয়াত আছে, "You are directed to make an enquiry caused into the affairs as per the representation submitted by the public of Alubarigaon and officer not below the rank of an Additional Secretary and submit the enquiry report within 15 days time. ইমান কাৰা কৰি দিছো। এইটো আহিছে।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, অনুসন্ধান কমিটি দিলে নগজা

বীজ গজে নেকি ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, নগজে কিন্তু কোনোবাই যদি তেনে বীজ দিয়ে তেতিয়াহলে, তাৰ কাৰণে ব্যৱস্থা লোৱা হব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনি কথা কলো। আমাৰ মাননীয় সদস্য সকলে তেখেত সকলৰ বহুমূলীয়া পৰামৰ্শ সমূহ আগবঢ়াইছে আৰু আমিও সেই পৰামৰ্শ সমূহ গ্ৰহণ কৰিছো। লগতে আমাৰ ৰাইজক 'মটিভেট' কৰিবৰ কাৰণে মই তেখেত সকলৰ পূৰ্ণ সহায়-সহযোগ আশা কৰিছো। লগতে তেখেত সকলে যিটো কাট মোচন আনিছে সেইটো উঠাই লবলৈ অনুৰোধ কৰি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

Mr. Speaker : Now Hon'ble Member, Shri Aminul Islam, after hearing the hon'ble Minister of Agriculture, would you like to withdraw your Cut Motion ?

Shri Aminul Islam : Sir, I beg leave to withdraw the cut motion.

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ?

( Voice—Yes, yes )

The leave is granted and the cut motion is withdrawn. Now Hon'ble Member, Shri Binai Khungur Basumatary, will you please like to withdraw your cut motion ?

Shri Binai Khungur Basumatari : Sir, I beg leave to withdraw the Cut Motion.

Mr. Speaker : Is it the pleasure of the House to grant him leave to withdraw his Cut Motion ?

( Voice—Yes, yes )

The leave is granted and the Cut Motion is withdrawn. Now I put the question to Hon'ble Member, Shri Sheikh

Abdul Hamid. Will you like to withdraw the Cut Motion ?

Shri Sheikh Abdul Hamid : Yes Sir, I beg leave of the House to withdraw the Cut Motion ?

Mr. Speaker : Is it the pleasure of the House to grant him leave to withdraw ?

( Voice—Yes, yes )

The leave is granted and the Cut Motion is withdrawn. Now I put the question to Hon'ble Member, Shri Hemen Das. Would you like to withdraw the Cut Motion moved by you earlier ?

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়. মাননীয় মন্ত্ৰী মহোদয়ে এটা বিষয়ত একো সমিধান নিদিলে আৰু সেইটো হৈছে মোৰ সমষ্টিত ১০ জন খেতিয়কক মৰাপাটৰ বীজ দিলে কিন্তু নগজিল। সেইটোৰ উত্তৰটো মোক লাগে।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই সেইটো পাহৰি গৈছিলো। মই বিষয়টো নোট কৰি লৈছো, Not necessary action, but stern necessary action will be taken.

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ কাৰণে অশেষ ধন্যবাদ জনাই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Speaker : Leave is granted and his Cut Motion is withdrawn. Now I put the main Motion before the House. The Motion is that a sum of Rs. 57,01,72,000 be granted to the Minister In-charge to complete the sum of Rs. 76,02,30,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March 1989 for the administration of Agriculture.

( The motion was passed—Grant No. 48 was passed by voice vote )

Mr. Speaker: Next Grant No. 49 to be moved by the Hon'ble Minister In-charge Irrigation, Shri Pabin Chandra Deka.

Shri Pabin Chandra Deka (Minister): Mr. Speaker Sir, On the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 62,22,30,000 be granted to the Minister In-charge to complete the sum of Rs. 82,96,41,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1989 for the administration of 'Irrigation'.

Mr. Speaker: The motion is moved. Now there are several Cut Motions over this Grant. First of all Hon'ble Member, Shri Aminul Islam to move his Cut Motion.

Shri Aminul Islam: Mr. Speaker Sir, I beg to move that the total provision of Rs. 82,96,41,000 under Grant No. 49 in respect of "Irrigation" at pages 1-54 of Volume—II, Part IX of the Budget be reduced to Rs. 1·00 i.e. the amount of the whole grant of Rs. 82,96,41,000 do stand reduced to Rs. 1·00.

Mr. Speaker: Next, Shri Binai Khungur Basumatari to move his Cut Motion.

Shri Binai Khungur Basumatari: Sir, I beg to move that the total provision of Rs. 82,96,41,000 under Grant No. 49 in respect of "Irrigation" at pages 1-54 of Vol II, Part IX of the Budget be reduced to Rs. 1·00 i.e., the amount of the whole Grant of Rs. 82,96,41,000 do stand reduced to Rs. 1·00.

Mr. Speaker: Next Hon'ble Member, Shri Swarup Upadhyay to move.

Shri Swarup Upadhyay : Sir, I beg to move that the total provision of Rs. 82,96.41,000 under Grant No. 49 in respect of 'Irrigation' at pages 1-54 of Volume II, Part IX of the Budget be reduced by Rs. 100·00 i.e. the amount of the whole grant of Rs. 82,96,41,000 do stand reduced by Rs. 100·00.

Mr. Speaker : Next Hon'ble Member Shri Muktar Hussain to move.

Shri Muktar Hussain : Sir, I beg to move that the total provision of Rs. 82,96,41,000 under Grant No. 49 in respect of 'Irrigation' at pages 1-54 of Volume II, Part IX of the Budget be reduced to Rs. 1·00 i.e. the amount of the whole Grant of Rs. 82,96,41,000 do stand reduced to Rs. 1·00.

Mr. Speaker : Next, Hon'ble Member, Shri Amrit Lal Basumatari to move.

শ্ৰীঅমৃতলাল বসুমতাৰী : মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ড নবম অংশৰ ১-৫৪ পৃষ্ঠাত থকা জলসিঞ্চন শিতানৰ ৪৯ নম্বৰৰ মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা কৰা সমগ্ৰ ৮২,৯৬, ৪১,০০ টকাৰ পৰা ১০০ টকাৰে হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৮২,৯৬,৪১,০০০ টকাৰ ১০০ টকাৰ হ্ৰাস কৰা হওঁক।

Mr. Speaker : Next, Hon'ble Member Shri Hemen Das to move his Cut Motion.

শ্ৰীহেমেন দাস : মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবী দ্বিতীয় খণ্ডৰ নবম অংশৰ ১-৫৪ পৃষ্ঠাত থকা জলসিঞ্চন শিতানৰ ৪৯ নম্বৰৰ মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ৮২,৯৬,৪১,০০০ টকাৰ পৰা ১ টকা লৈ হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৮২,৯৬,৪১,০০০, টকাৰ ১ টকালৈ হ্ৰাস কৰা হওঁক।

Mr. Speaker : Next, Hon'ble Member, Shri Charan Narzary to move. He is not present here.

( Cut Motion in the name of Shri Charan Narzary was not moved, member being absent )

অধ্যক্ষ : এতিয়া সদনৰ বৈঠক পিচদিনা ৰাতিপুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল ।

## ADJOURNMENT

**The House then rose at 1-31 p.m. and stood adjourned till 9 A. M. on Tuesday, the 26th April, 1988.**

Dispur,
the 25th April, 1988.

**Dr. P. N. Hazarika,**
Secretary,
Assam Legislative Assembly.

(a) Statement showing the amount sanctioned for the Municipal Board of Karimganj, Silchar, Hailakandi and Badarpur Town Committee during the year 1983-84 to 1987-88 yearwise and Board wise

| Name of Municipal Board/Town Committee | Amount Sanctioned in Rupees | | | | | |
|---|---|---|---|---|---|---|
| | 1983-84 | 1984-85 | 1985-86 | 1986-87 | 1987-88 | TOTAL |
| Karimganj | 185474 | 290484 | 137128 | 535983 | 277530 | 1426699 |
| Silchar | 403348 | 361072 | 398005 | 587798 | 311984 | 2062207 |
| Hailakandi | 84935 | 90287 | 96044 | 278535 | 227851 | 777652 |
| Badarpur | 57337 | 54455 | 64190 | 79242 | 55516 | 310740 |

## STATEMENT—B

Statement showing the amount spent by the Karimganj/Silchar/Hailakandi Municipal Boards and Badarpur Town Ccammittee during 1983-84. 1984-85, 1985-86, 1986-87 and 1987-88 headwise

(In Rupees)

Name af Karimganj Municipal Board,

| Year | General purpose grant | Communication grant | Maintenance of P. W. D. Road side drain | Cash allowance to Sweeper | Ad-hoc general purpose grant to sweepers | Refund of show Tax | 25% net collection of land Revenue | M.V. Tax | Duty on Trensfer of preperty | Receipt credited to State Revenue | Total |
|---|---|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 |
| 1983-84 | 43,000·00 | 19967·00 | 6875·00 | 21870·00 | 12150·00 | 30969·90 | N.R. | NR | 50643·00 | NR | 1,85,474·90 |
| 1984-85 | 48,030·00 | 29,568.00 | 7,875.00 | 15,794·02 | 8,781·40 | 25,749·00 | NR | NR | NR | NR | 1,35,797·42 |
| 1985-86 | 60,785·00 | 35,296·00 | 12,875·00 | NR | NR | 31,163·00 | 7,989·00 | NR | NR | NR | 1,48,100·00 |
| 1986-87 | 67,629·00 | 59,426·00 | 12,875·00 | NR | NR | 33,577·00 | 27,790·00 | NR | 31,626·00 | NR | 2,32,923·00 |
| 1987-88 | — | — | — | — | — | — | NR | — | — | — | NR |

N.B. N.R. = Not Reported.

Name : Silchar Muntcipal Board

| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 |
|---|---|---|---|---|---|---|---|---|---|---|---|
| 1983-84 | 1,00,000.00 | 47,525.00 | 50,000.00 | 36,312.06 | 20,188.27 | 48,157.20 | 28,441.00 | Nil | Nil | 6,795.07 | 3,37,418·60 |
| 1984-85 | 1,11,614.00 | 70,370.00 | 68,000.00 | 35,780.44 | 19,873,34 | 38,790.00 | — | — | — | 10,3 | 3,54,734.48 |
| 1985-86 | 1,41,916.00 | 83,535.00 | 48,000.00 | 32,504.86 | 18,054 58 | Nil | 20,373.00 | — | NR | — | 3,44,383.44 |
| 1986-87 | — | — | — | — | — | — | NR | — | — | — | NR |
| 1987-88 | — | — | — | — | — | — | NR | — | — | — | NR |

N. B. N. R.— Not Reported.

Name : Hailakandi Municipal Board.

| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 |
|---|---|---|---|---|---|---|---|---|---|---|---|
| 1983-84 | 31,000.00 | 10,511.00 | 4,159·00 | 7,776.00 | 4,320·00 | 13,367.70 | 2,226·00 | NR | 11,576·00 | NR | 84.936.70 |
| 1984-85 | 35,144·00 | 15,565·00 | 4.159·00 | 7,473 78 | 4,207·23 | 10,964·00 | NR | NR | NR | 55,003·76 | 132516·77 |
| 1985-86 | 43,930·00 | NR | 4,159·00 | 7,329·53 | 4,132·36 | 12,109·00 | 913·00 | NR | 4,360·00 | NR | 76940·89 |
| 1987-88 | NR | Adjusted against LIC dues | — | — | — | — | NR | — | — | — | |
| 1987-88 | — | — | — | — | — | — | NR | — | — | — | NR |

N. B. N. R.—Not Reported

Name : Badarpur Town Committee

| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 | 11 | 12 |
|---|---|---|---|---|---|---|---|---|---|---|---|
| 1983-84 | 24,416·00 | 7,918·00 | 4,000 00 | 958·50 | 532·50 | 12,747·00 | NR | NR | 5,373·00 | 137·16 | 56 082·16 |
| 1984-85 | 26,903.00 | 11,724·00 | 4,000 00 | 972·00 | 540.00 | 10,316·00 | NR | NR | NR | NR | 54;455·00 |
| 1985-86 | 33,165·00 | NIL | 4,000·00 | 819·42 | 436·62 | 11,567·00 | 20·00 | NR | NR | NR | 50,008 04 |
| 1986-87 | 37,809·00 | NIL | NIL | NIL | NIL | 11,672·00 | 646·00 | NR | NR | 159,45 | 50,286·45 |
| 1987-84 | — | — | — | — | — | — | NR | — | — | — | NR |

N. B; NR = Not reported.